اِنَّ الصَّلٰوةَ تَنۡهٰى عَنِ الۡفَحۡشَآءِ وَالۡمُنۡكَرِ ؕ (29:46)

বাস্তৱতে নমাজ প্ৰকাশ্য অশ্লীলতা আৰু অসৎ আচৰণৰ পৰা (মানুহক) বিৰত ৰাখে। (চুৰা আনকবুত আয়াত ৪৬)

যি ব্যক্তি পাঁচ ওৱাক্ত নমাজ নপঢ়ে তেওঁ মোৰ জমাতত নাই (কিশ্বতি নুহ)

# ইছলামী নমাজ

অনুবাদক
শ্বাহজাহান আলী মুৱাল্লিম ছিলছিলা

নাম কিতাপ : ইছ্লামী নমাজ শিক্ষা
অনুবাদক : শ্বাহজাহান আলী (মুৱাল্লিম ছিলছিলা)
প্ৰথম প্ৰকাশ : ২০২০, ( ১০০০ কপি)
প্ৰকাশক : নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান
মুদ্ৰণে : ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান
জিলা: গুৰদাছপুৰ,১৪৩৫১৬ (পঞ্জাৱ)

Name Book : Islami Namaz
Translated by : Shajahan Ali (Muallim Silsila)
Fisrt Published : 2020, (1000 Copies)
Published by : Nazarat Nashor-O-Ishaat Qadian,
Printed at : Fazle Umar Printing Press
Qadian,Dist.Gurdaspur 143516
(Punjab)

# ভূমিকা

নমাজ ইছলাম ধৰ্মৰ পাঁচটা স্তম্ভৰ(ভেটিৰ) এটা। সঠিক আৰু সুন্দৰ ভাৱে নফল নমাজ আদায় কৰিবলৈ হলে সৰু সৰু কিছুমান নিয়ম-নীতি আৰু মছলা-মছায়েল জনা আৱশ্যক ইয়াৰ আগত অসমীয়া ভাষাত এইবিলাক বিষয় সমূহ বিস্তাৰিত আলোচনাৰ এখন কিতাপ দীৰ্ঘদিন ধৰি আৱশ্যক অনুভৱ হৈ আহিছিল। যাৰ কাৰণে অসমীয়া ভাষাত এই কিতাপখন অনুবাদ কৰি প্ৰকাশ কৰাৰ সৌভাগ্য লাভ কৰিছোঁ। অসমীয়া ভাষা-ভাষী পাঠক ভাই-ভনী সকলৰ বাবে অতিকৈ উপকাৰ হ'ব বুলি মোৰ বিশ্বাস। উক্ত কিতাপখন প্ৰকাশ কৰাত সহায় সহযোগীতা আগবঢ়োৱা সকলক আল্লাহ তায়লা উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক।আমিন

ইতি
**মজিবৰ ৰহমান**
**ইনচাৰ্জ অসমীয়া ডেস্ক**

# প্ৰকাশকৰ কথা

ইছলামী নমাজ শিক্ষা মাননীয় শ্বাহজাহান আলী মুৰাল্লিম ছিলছিলা অসমীয়ালৈ অনুবাদ কৰিছে আৰু মাননীয়া ৰেজিয়া খাতুন বি.এছছিয়ে কমপোজিং কৰিছে। মাননীয় আমান আলী চাহাব (সভাপতি ৰিভিউ কমিটি অসম) মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক) মাননীয় আফজালুৰ ৰহমান চাহাব মুৰাল্লিম ছিলছিলা,মাননীয় ৰহিম বাদশ্বাহ চাহাব মুবাল্লিগ ছিলছিলা,মাননীয় নাজিমুদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলাই ৰিভিউ কৰিছে। ৰিভিউ হোৱাৰ পাছত মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্কে) চালি জাৰি চাই অত্যাৱশ্যকীয় সংশোধন কৰি কিতাপখন প্ৰস্তুত কৰি উলিয়াইছে। আল্লাহ তায়লা এই কিতাপখন প্ৰস্তুত কৰি উলিওৱা সকলক আৰু সহায় সহযোগিতা আগবঢ়োৱা সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক।

**নাজিৰ নশ্বৰ ইশ্বায়ত কাদিয়ান**

# প্ৰথম খণ্ড

ইছলামৰ দৃষ্টিত মানুহ সৃষ্টিৰ উদ্দেশ্য হ'ল আল্লাহৰ একমাত্ৰ এবাদত বা উপাসনা কৰা। এই প্ৰসঙ্গত আল্লাহ তায়লা কৈছে,

وَمَا خَلَقْتُ الْجِنَّ وَالْإِنْسَ إِلَّا

لِيَعْبُدُوْنِ۝٥٧

(51:57)

**উচ্চাৰণঃ** ওৱা মা খালাকতুল জিন্না ওৱাল ইনছা ইল্লা লিইয়াবুদুন।
**অৰ্থ ঃ** আৰু মই জিন আৰু মানুহক সৃষ্টি কৰিছোঁ এই অভিপ্ৰায়েৰে যাতে তেওঁলোকে মোৰ উপাসনা কৰে। (৫১ ঃ ৫৭)

ইবাদতৰ অৰ্থ হ'ল সম্পূৰ্ণ ভাৱে আল্লাহৰ আদেশ সমূহৰ প্ৰতি আনুগত্য হোৱা। নবী কৰিম (ছাঃ) আল্লাহ তায়লাৰ বাণীসমূহ কঢ়িয়াই আনিছে আৰু ইছলাম ধৰ্মৰ সকলো আদেশ-নিষেধ সম্পৰ্কে বিস্তাৰিত ভাৱে ব্যাখ্যা কৰি গৈছে। ইছলামত পাঁচটা মৌলিক কৰ্ত্তব্য আছে। এজন মুছলমানে সেইবোৰ পালন কৰা আৱশ্যকীয়। এই পাঁচটা মৌলিক বিষয় বা পাঁচটা স্তম্ভ বুলি পৰিচিত।

**প্ৰথম স্তম্ভক কলিমা** বোলে, কলেমা শ্বাহাদতত ইছলামী বিশ্বাসৰ ঘোষণা অৰ্থাৎ অল্লাহ তায়লাৰ বাহিৰে আন কোনো উপাস্য নাই আৰু মই সাক্ষী দিওঁ যে হজৰত মহম্মদ (ছাঃ)আল্লাহ তায়লাৰ বান্দা (ভৃত্য) আৰু তেওঁৰ প্ৰেৰিত ৰছুল।

আল্লাহৰ তৌহিদ বা একত্ববাদৰ বিশ্বাসটো হ'ল ইছলামৰ বিশ্বাসৰ ভিত্তিস্থল।

**দ্বিতীয় স্তম্ভ (ভেটি)** হ'ল নিৰ্ধাৰিত সময়ত নমাজ আদায় কৰা।

**তৃতীয় স্তম্ভ হ'ল জাকাত ঃ-** জাকাত এক প্ৰকাৰৰ যি সম্পদশালী মুছলমান সকলে বছৰত নগদ ধন-সম্পদৰ দ্বাৰা আদায় দিব লাগে আৰু সেইবোৰ পুণ্য কামত খৰচ কৰা হয়।এই বিষয়ত কোৰাণ কৰিমত উল্লেখ আছে।

**চতুৰ্থ স্তম্ভ (ভেটি) হ'ল ৰোজা ঃ-** অৰ্থাৎ ৰমজান মাহত ৰোজা ৰখা।
**পঞ্চম স্তম্ভ (ভেটি) হ'ল হজ ঃ-** অৰ্থাৎ এজন মুছলমানে জীৱনত কমপক্ষে এবাৰ মক্কাৰ কাবা গৃহত গৈ হজ পালন কৰিব লাগে।

সকলো ধৰ্মীয় কৰ্তব্যৰ মাজত ইছলামত সকলোতকৈ বেছি গুৰুত্ব প্ৰদান কৰিছে নমাজৰ ওপৰত। প্ৰত্যেকজন মুছলমান দৈনিক ৫ (পাঁচ) ওৱাক্ত নমাজ পঢ়া ফৰজ (বাধ্যতামূলক) পাঁচ ওৱাক্ত ফৰজ নমাজৰ বাহিৰেও আৰু কেইবাপ্ৰকাৰৰ নমাজ আছে যিবিলাক নফল নমাজ। এজন মুছলমানৰ জীৱনৰ আধ্যাত্মিক দিশটোক বৰ ডাঙৰ বুলি ভাৱে যেনেকৈ এজন পাৰ্থিৱ জীৱন খোজা ব্যক্তিয়ে পাৰ্থিৱ জীৱনটো ডাঙৰ বুলি ভাৱে। যেনেকৈ খাদ্য আমাৰ ভাৱে অতি প্ৰয়োজনীয় ঠিক তেনেকৈ আধ্যাত্মিকতাক জীয়াই ৰাখিবলৈ দিনৰ বিভিন্ন অংশত ছালাত বা নমাজ পঢ়া অত্যাৱশ্যকীয়।

**নমাজত অৱশ্যই কৰিবলগীয়া (ফৰজ)**

নিৰ্ধাৰিত নীতি নিয়মৰ সৈতে নমাজ পঢ়া প্ৰত্যেকজন মুছলমানৰ বাবে ফৰজ বা বাধ্যতামূলক। শিশুৰ ক্ষেত্ৰত প্ৰাপ্তবয়স্ক নাহোৱালৈকে নমাজ আগতেই অবিৰাম চেষ্টাৰ সৈতে নমাজৰ প্ৰতি প্ৰত্যয় জন্ম দিয়াৰ প্ৰয়োজন আছে। গতিকে শিশুসকলৰ বাবে যথাৰ্থ শিক্ষা-প্ৰশিক্ষণৰ প্ৰয়োজন আছে।
সেই বাবে নবী কৰিম (ছাঃ)য়ে নিৰ্দেশ দিছে যে, যেতিয়া শিশুৰ বয়স ৭ বছৰ হ'ব তেতিয়াৰ পৰা তাৰ মাক-দেউতাই শিশুক নমাজৰ প্ৰতি আকৃষ্ট

**টোকা ঃ** মই অসমীয়াত আৰবী শব্দবোৰৰ উচ্চাৰণ লিখিবলৈ চেষ্টা কৰিছোঁ মাত্ৰ। সঠিক উচ্চাৰণ শিক্ষকৰ ওচৰত শিকিবলৈ অনুৰোধ কৰা হ'ল। অনুবাদক
ছালাত বা নমাজ বিভিন্ন অংগ ভঙ্গীৰ সমন্বয়ত গঠিত। যেনে- থিয় হোৱাটোক কয় কিয়াম, আঁঠুৰ ওপৰত হাত থোৱাক ৰুকু বোলে, সাষ্টাঙ্গে প্ৰণিপাতক ছিজদাহ বোলে,আৰু আৰু দ্বিতীয় ৰাকাতৰ পিছত বহি আত্তাহিয়াতু পঢ়া সময়ক কাদাহ বোলে। নিৰ্ধাৰিত বিভিন্ন অংগ ভঙ্গীৰ সময়ত বিভিন্ন বাক্য উচ্চাৰণ কৰিব লাগে। এইবোৰ আৰবীত ৰচিত প্ৰত্যেকজন মুছলমান এই বাক্যবিলাক কেৱল মুখস্থ কৰিলেই নহ'ব, লগতে অৰ্থসমূহ জানিব লাগিব যাতে নমাজী নমাজত তাৰ প্ৰভুৰ ওচৰত কি কৈছে সহজে বুজিব পাৰে।

কৰিব লাগিব আৰু যেতিয়া শিশুৰ বয়স ১০ বছৰ পূৰ্ণ হ'ব তেতিয়া যদি সিহঁতে ৰীতিমতে নমাজ নপঢ়ে তেন্তে সিহঁতৰ সৈতে কঠিন ভাৱে সতৰ্ক কৰিব লাগে। (ছুনন আবু দাউদ, কিতাবুছ্ছালাত)

যেতিয়া শিশু সকল প্ৰাপ্ত বয়সত উপনিত হৈ যায় তেতিয়া সিহঁতৰ বাবে নমাজ পঢ়া ফৰজ হৈ যায়।এই ক্ষেত্ৰত কোনো ব্যক্তিৰ অধিকাৰ নাই যে সিহঁতক নমাজ পঢ়াৰ বাবে শক্তি প্ৰয়োগ কৰে,কিয়নো শক্তি প্ৰয়োগ কৰি নমাজ পঢ়িবলৈ বাধ্য কৰাৰ কোনো অৰ্থ নাথাকে। নমাজ স্বইচ্ছায় পঢ়া উচিত।এইটো হ'ল সেই ব্যক্তি আৰু আল্লাহৰ মাজৰ বিষয়বস্তু। গতিকে শৈশৱ কালৰ পৰাই প্ৰত্যেক শিশুকেই নমাজৰ বাবে প্ৰস্তুত কৰি তোলা সকলো মুছলমান পিতৃ-মাতৃৰ কৰ্তব্য। ইয়াৰ উপৰি সিহঁতৰ সন্তান সকলে যাতে নিয়মানুসৰি নমাজী হ'ব পাৰে।তাৰ বাবে সৰ্বশক্তিমান আল্লাহৰ ওচৰত দোৱা কৰা অতি প্ৰয়োজন আল্লাহ তায়লাৰ সাহায্য বিচৰা দৰকাৰ। কিয়নো এইটো বৰ গুৰুত্বপূৰ্ণ বিষয়।

হজৰত ইছমাইল (আঃ) গোটেই জীৱন তেখেত (আঃ)ৰ পৰিয়ালৰ লোকসকলক নমাজ পঢ়াৰ নিৰ্দেশ দিছিল। এই কথা কোৰাণ কৰিমত উল্লেখ আছে।

এইটো লক্ষণীয় বিষয় যে যিখন ঘৰত বয়জষ্ঠ সকলে নীতি-নিয়ম অনুসৰি নমাজ আদায় কৰে সেইখন ঘৰত ল'ৰা-ছোৱালী সকলেও ডাঙৰ সকলৰ আদৰ্শ স্বাভাৱিক ভাৱে অনুকৰণ কৰি থাকে আৰু এনেকৈয়ে সিহঁতে সময় মতে নমাজ পঢ়াৰ বাবে আকৃষ্ট হয়। গতিকে যেতিয়া শিশু ৭ বছৰ বয়সত উপনীত হয় তেতিয়া নমাজৰ সকলো ধৰণৰ পদ্ধতিৰ শিক্ষা দিয়া প্ৰয়োজন। নমাজত উপস্থিত থাকিবলৈ সিহঁতক উৎসাহিত কৰা উচিত আৰু যদি সম্ভৱ হয় পিতৃ-মাতৃৰ লগত মছজিদলৈ যোৱাৰ অভ্যাস গঢ়ি তোলাৰ প্ৰয়োজন।এইটোৱে শিশু সকলৰ মনত নমাজৰ প্ৰতি এটা আকৰ্ষণৰ সৃষ্টি কৰিব আৰু ভৱিষ্যত প্ৰজন্মৰ মাজত নমাজৰ অভ্যাসটো থাকি যাব।

সেই কাৰণেই শিশু সকলে নমাজত শিথিলতা ভাৱ দেখুৱালে অভিভাৱক বা পিতৃ-মাতৃক সিহঁতৰ ১০/১২ বছৰ বয়সৰ ল’ৰা-ছোৱালীৰ ওপৰত কঠোৰ ব্যৱস্থা লোৱাৰ অনুমতি প্ৰদান কৰিছে। ইয়াৰ অৰ্থ এয়া নহয় যে সিহঁতৰ ওপৰত নিষ্ঠুৰতা অৱলম্বন কৰিব বা বেয়াকৈ শাস্তি দিব পাৰিব মাত্ৰ সিহঁতক সতৰ্ক কৰিব লাগিব যেনেকৈ পিতৃ-মাতৃয়ে সিহঁতক স্কুলত অনুপস্থিত থকাৰ বাবে সতৰ্ক কৰি থাকে। গতিকে যেতিয়া সিহঁতে ১২ বছৰ বয়সত ভৰি দিয়ে তেতিয়া তেওঁলোকক সজাগ কৰি দিয়া দৰকাৰ যে পিতৃ-মাতৃয়ে নিজৰ দায়িত্ব পালন কৰিছে আৰু এতিয়াৰ পৰা বিষয়টো তেওঁ আৰু তেওঁৰ খোদা তায়লাৰ মাজত থাকিব, লগতে খোদা তায়লাৰ ওচৰত তেওঁৰেই জবাবদিহি হ’ব লাগিব। ইয়াৰ অৰ্থ আকৌ এয়া নহয় যে সিহঁতক উপদেশ দিয়া বা অনুৰোধ কৰা বা সতৰ্ক কৰা নহ’ব। কাৰণ পৰামৰ্শ দিয়া বিষয়টো প্ৰয়োজন অনুসৰি গোটেই জীৱন ব্যাপী অব্যাহত থাকিব। কঠোৰতা অৱলম্বন তেতিয়া শেষ হৈ যায় যেতিয়া ল’ৰা-ছোৱালী ১২ বছৰ বয়সত উপস্থিত হয়। যেনেকৈ আগত উল্লেখ কৰা হৈছে যে হজৰত ইছমাইল (আঃ) তেখেতৰ পৰিয়ালৰ সদস্য সকলক  ভালপোৱা আৰু সজ উপদেশ দিয়াৰ পদ্ধতি অনুসৰণ কৰিছিল।

হজৰত নবী কৰিম (ছাঃ) তেখেতৰ পৰিয়ালৰ বয়স্কসকলৰ সৈতে এনেকুৱা আচৰণ কৰিছিল বৰ্ণিত আছে যে,তেখেত (ছাঃ)য়ে তেখেতৰ কন্যা হজৰত ফাতিমা (ৰাঃ) আৰু জোৱাই হজৰত আলী (ৰাঃ)ক ফজৰৰ নমাজৰ বাবে মাতিছিল।

**নমাজৰ গুৰুত্ব ঃ-**

পৱিত্ৰ কোৰাণত নিৰ্ধাৰিত নমাজক এজন প্ৰকৃত মোমিনৰ (বিশ্বাসীৰ) বাবে প্ৰয়োজনীয় বৈশিষ্ট বুলি কোৰাণ মজিদত উল্লেখ কৰিছে। পৱিত্ৰ কোৰাণ কৰিমত উল্লেখ আছে।

ذٰلِكَ الْكِتٰبُ لَا رَيْبَ ۚۛ فِيْهِ ۚۛ هُدًى لِّلْمُتَّقِيْنَ ۙ۝۳

الَّذِيْنَ يُؤْمِنُوْنَ بِالْغَيْبِ وَ يُقِيْمُوْنَ
الصَّلٰوةَ وَ مِمَّا رَزَقْنٰهُمْ يُنْفِقُوْنَ ۙ﴿٤﴾ (2:3,4)

**উচ্চাৰণ ঃ-** জালিকাল কিতাবু লা ৰায়বা ফিহি হুদাল্লিলমুত্তাকিন; আল্লাজিনা ইউমিনুনা বিলগায়বি ওৰা ইউকিমুনাছ ছালাতা ওৰা মিম্মা ৰাজাকনাহুম ইউনফিকুন।

**অৰ্থঃ-** এইখনেই পৰম পৱিত্ৰ গ্ৰন্থ; ইয়াত কোনো সন্দেহ নাই; ই ধাৰ্মিক সকলৰ পথ-প্ৰদৰ্শক।

যিসকলে অদৃশ্যত বিশ্বাস কৰে,আৰু নমাজ প্ৰতিষ্ঠিত কৰে আৰু আমি তেওঁলোকক যি সম্পদ দিছোঁ তাৰ পৰা ব্যয় কৰে।( ২ঃ ৩,৪)

নমাজ আমাক পাপৰ পৰা আঁতৰত ৰাখে আৰু ঐশী বিষয় সমূহৰ লগত বেছি বেছিকৈ সম্পৰ্ক গঢ়ি তুলে। ই লাহে লাহে আমাক পৱিত্ৰ কৰে কিন্তু সেই বুলি নমাজৰ ফলাফল এই খিনিতেই শেষ নহয়। নমাজৰ ফলাফল ইয়াতকৈ আৰু বেছি গভীৰ। ই মানুহক তাৰ স্ৰষ্টাৰ সান্নিধ্যত লৈ যায়। এজন নমাজী তাৰ মৰ্য্যদাপূৰ্ণ গুণাৱলীৰ মাধ্যমত খোদা তায়লাৰ অনুকৰণ কৰিবলৈ চেষ্টা কৰে।

অৱশেষত তেওঁ লাহে লাহে পৰ্য্যয়ক্ৰমে নিম্ন আৰু পাৰ্থিৱ স্তৰৰ পৰা খোদা তায়লাৰ এজন উচ্চ,মহান ও শ্ৰেষ্ঠ দাসত ৰূপান্তৰিত হ'বলৈ ধৰে।পৱিত্ৰ কোৰাণ কৰিমত নমাজৰ উপৰোক্ত বৈশিষ্টপূৰ্ণ গুণ এনেকৈ বৰ্ণনা কৰিছে।

اُتْلُ مَاۤ اُوْحِیَ اِلَیْكَ مِنَ الْكِتٰبِ وَاَقِمِ
الصَّلٰوةَ ؕ اِنَّ الصَّلٰوةَ تَنْهٰی عَنِ الْفَحْشَآءِ
وَالْمُنْكَرِ ؕ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ؕ وَاللّٰهُ
يَعْلَمُ مَا تَصْنَعُوْنَ ﴿٤٦﴾ (29:46)

**উচ্চাৰণ ঃ-** উতলু মা উহিয়া ইলাইকা মিনাল কিতাবি ওৱা আকিমুছ ছালাতা, ইন্নাছ ছালাতা তানহা আনিল ফাহশ্বায়ি ওৱাল মুনকাৰ, ওৱা লাজিকৰিল্লাহি আকবাৰু,ওৱাল্লাহু ইয়ালামু মা তাছনাউন। ২৯ ঃ ৪৬)

**অৰ্থ ঃ-** (হে মহম্মদ )যি ধৰ্মগ্ৰন্থ তোমাৰ প্ৰতি প্ৰত্যাদেশ কৰা হৈছে তাৰে পৰা পাঠ কৰা, আৰু নমাজ প্ৰতিষ্ঠিত কৰা; বাস্তৱতে নমাজ প্ৰকাশ্য অশ্লীলতা আৰু অসৎ আচৰণৰ পৰা (মানুহক) বিৰত ৰাখে। আৰু অৱশ্যই আল্লাহৰ স্মৰণ সৰ্বশ্ৰেষ্ঠ; আৰু তোমালোকে যি কাৰ্য্যকে কৰা আল্লাই তাক (ভালকৈ) জানে।

প্ৰকৃতাৰ্থে নমাজ হৃদয় আৰু মনৰ পৱিত্ৰতাৰ বাবে এটা নিশ্চিত আৰু পৰীক্ষনীয় ব্যৱস্থাপনা। একমাত্ৰ নমাজৰ জৰিয়তে আমি আল্লাহ তায়লাৰ সৈতে জীৱন্ত সম্পৰ্ক গঢ়ি তুলিব পাৰি। কোৰাণ কৰিমত আল্লাহ তায়লা কৈছে,

اِنَّ الَّذِيْنَ يَتْلُوْنَ كِتٰبَ اللّٰهِ وَاَقَامُوا
الصَّلٰوةَ وَاَنْفَقُوْا مِمَّا رَزَقْنٰهُمْ سِرًّا
وَّعَلَانِيَةً يَّرْجُوْنَ تِجَارَةً لَّنْ تَبُوْرَ ۝٣٠
لِيُوَفِّيَهُمْ اُجُوْرَهُمْ وَيَزِيْدَهُمْ مِّنْ
فَضْلِهٖ ؕ اِنَّهٗ غَفُوْرٌ شَكُوْرٌ ۝٣١

(35:30,31)

**উচ্চাৰণঃ-** ইন্নাল্লাজিনা ইয়াতলুনা কিতাবাল্লাহি ওৱা আকামুছ ছালাতা ওৱা আনফাকু মিম্মা ৰাজাকনাহুম ছিৰৰাও ওৱা আলানিয়াতায় ইয়াৰজুনা তিজাৰাতাল লান তাবুৰা;লিইউওৱাফফিয়াহুম উজুৰাহুম ওৱা ইয়াজিদাহুম মিন ফাজলিহি,ইন্নাহু গাফুৰুন শ্বাকুৰ।

**অৰ্থ ঃ-** যিসকলে আল্লাহৰ গ্ৰন্থ (কোৰাণ) অধ্যয়ন কৰে আৰু নমাজ প্ৰতিষ্ঠিত

কৰে। আৰু যি সম্বল আমি তেওঁলোকক দান কৰিছোঁ তাৰে পৰা (সৎকাৰ্যত) ব্যয় কৰে, গোপনে আৰু প্ৰকাশ্যে,সেইসকলে নিশ্চয় এনে বেপাৰৰ কামনা কৰে যি কেতিয়াও নিষ্ফল নহয়।
যাতে তেওঁলোকক আল্লাই পূৰ্ণমাত্ৰাই প্ৰচুৰ প্ৰতিদান দিয়ে ;আৰু তেওঁলোকৰ কাৰণে নিজ কৃপাৰ অংশ বৃদ্ধি কৰে; নিশ্চয় তেওঁ পৰম মাৰ্জনাকাৰী,শ্ৰেষ্ঠগ্ৰাহী। (৩৫ ঃ ৩০,৩১)
আঁহজৰত (ছাঃ)য়ে কৈছে ছালাত (নমাজ) বিশ্ববাসীৰ আধ্যাত্মিক জীৱনৰ সদৃশ। এয়া ঐশী ইবাদতৰ সৰ্বোচ্চ পদ্ধতি। নবী কৰিম (ছাঃ)য়ে কৈছে, **নমাজ বিশ্ববাসীক তাৰ প্ৰভু-প্ৰতিপালকৰ লগত সাক্ষাৎ কৰায়।**

এইটো অনুভৱ কৰা উচিত যে একাগ্ৰতাপূৰ্ণ নমাজ কেতিয়াও নিষ্ফল নহয়। কেতিয়াবা কেতিয়াবা খোদা তায়লাৰ লগত সুদৃঢ় ভালপোৱাৰ গভীৰ আধ্যাত্মিক অভিজ্ঞতা চকুৰ টোপালত পৰিণত হয়। কেতিয়াবা কেতিয়াবা এই ভালপোৱাৰ মৃদু সহানুভূতিয়ে হৃদয়ক পৰম সুখেৰে আৱৰি পেলায়। যথাৰ্থ আৰু ফলপ্ৰসূ হোৱাৰ নিদৰ্শন,নহলে কেৱল আনুষ্ঠানিক মানৱৰ কাৰণে কোনো কল্যাণ কঢ়িয়াই আনিব নোৱাৰে। এইটো হ'ব কেৱল মাত্ৰ আন্তৰিকতা বিহীন আদেশ পালন মাত্ৰ। ইয়াৰ বাবে এইটো বৰকৈ প্ৰয়োজন যে প্ৰত্যেকজন নতুন নমাজীয়ে এই মহান উদ্দেশ্যক সন্মুখত ৰাখিব লাগিব আৰু সদায় তাৰ নমাজক জীৱন্ত কৰি উঠাবলৈ চেষ্টা কৰিব লাগিব।

নমাজ সকলো ধৰণৰ বিনয় আৰু আত্মসমৰ্পনৰ সংমিশ্ৰিত প্ৰতীক ৰূপৰ সমষ্টি। নমাজী সকলে শাৰী পাতি সন্মানৰ সৈতে ইমামৰ পিছত থিয় দিয়ে, সকলো নমাজীয়েই যিসকলে শাৰী পাতি ইমামৰ পিছত থিয় দিয়ে অৱশ্যই ইমামৰ আহ্বানত সকলোৰে তাৰ অঙ্গি-ভঙ্গি অনুকৰণ কৰিব লাগিব।



প্ৰত্যেক মুহূৰ্তত ইমামে **আল্লাহু আকবৰ** (আল্লাহ সৰ্বশ্ৰেষ্ঠ) বুলি উচ্চস্বৰে ক'ব, ইমাম চাহাব যেতিয়া ৰুকুৰ পৰা থিয় হ'ব তেতিয়া **ছামি আল্লাহু লিমান হামিদাহ** ক'ব যাৰ অৰ্থ হ'ল অৱশ্যই আল্লাহ সিহঁতৰ কথা শুনে যিয়ে সেইজনাৰ প্ৰশংসা কৰে। এই আহ্বানত সকলো মুক্তাদী (অনুসৰণকাৰী) সকলে কান্ধৰ সৈতে কান্ধ মিলাই থিয় হ'ব। লগতে **ৰাববানা ওৱা লাকাল হামদ হামদান কাছিৰান তায়িবান মুবাৰাকান ফিহি** বাক্য পাঠ কৰিব।

নিষ্ঠা আৰু বিগলিত হৃদয় হ'ল নমাজৰ অন্তঃস্তম্ভ। আল্লাহ তায়লা বিশ্বাসী সকলক কৈছে,

قَدْ اَفْلَحَ الْمُؤْمِنُوْنَ ۝٢ الَّذِيْنَ هُمْ فِيْ صَلَاتِهِمْ خٰشِعُوْنَ ۝٣

(23:2,3)

**উচ্চাৰণ** ঃ- কাদ আফলাহাল মুমিনুন;আল্লাজিনা হুম ফি ছালাতিহিম খাশ্বিউন।
**অৰ্থ** ঃ- মোমিনসকল সফলপ্ৰাপ্ত হৈছে যিসকলে বিনয় অৱলম্বন কৰি নমাজ সম্পন্ন কৰে।(২৩ ঃ ২,৩)

নবী কৰিম (ছাঃ) য়ে কৈছে যেতিয়া আল্লাহ তায়লাৰ কোনো ভৃত্যই তাৰ সন্তুষ্টিৰ উদ্দেশ্যে নম্ৰতাৰে বিনয় অৱলম্বন কৰে আল্লাহ অৱশ্যই ইয়াৰ বাবে ৰাফা (সমুন্নত) কৰে ৰাফা আৰবী শব্দ। ইয়াৰ অৰ্থ হ'ল উঠোৱা। ইয়াৰ অৰ্থ হৈছে আল্লাহ তেওঁক তাৰ সন্নিধানত মৰ্যদাপূৰ্ণ স্থান প্ৰদান কৰিব। আচল নম্ৰতা বিনয় কেৱল আল্লাহ তায়লাৰ গুণাৱলীৰ ওপৰত মানসিক ভাৱে ধ্যানত নিমগ্ন হলেহে লাভ কৰিব। যেতিয়া আল্লাহৰ অসংখ্য কৰুণা কোনোবাজনৰ ওপৰত বৰ্ষিত হয় তেতিয়া সি বিনম্ৰ নহৈ থাকিব নোৱাৰে।

## নমাজৰ সময়

সূৰ্য্যৰ বিভিন্ন অৱস্থানৰ ভিত্তিত পাঁচ ওৱাক্ত নমাজৰ প্ৰত্যেক ফৰজৰ বাবে একো একোটা নিৰ্দিষ্ট সময় নিধাৰিত আছে। ফজৰৰ নমাজৰ সময়

শেষ ৰাতি পূৱা আকাশত ফেহুজালি দিয়াৰ (পোহৰৰ নিচিনা দেখা যোৱা) লগে লগে আৰম্ভ হৈ সূৰ্য্য উদয় হোৱাৰ আগমুহূৰ্তলৈ থাকে।

জহুৰৰ নমাজ অৰ্থাৎ দুপৰীয়া সূৰ্য্য মধ্য গগন অতিক্ৰম কৰি পশ্চিম আকাশত হালি যোৱা সময় পৰ্য্যন্ত থাকে।

আছৰ নমাজৰ সময় তেতিয়া হ'ব যেতিয়া বেলি পশ্চিম আকাশত আৰু বেছিকৈ ঢালি পৰে অৰ্থাৎ এনেকুৱা এটা স্থানত উপনীত হয় যিখিনিৰ পৰা সূৰ্য্য ঢালি পৰা আৰু অস্ত যোৱাৰ সমান দূৰত্ব বা মাজৰ অৱস্থান। ইয়াক অপৰাহ্ন বুলি কয় কিন্তু একেবাৰে ইয়াৰ শেষৰ ফালে নহয়। এই সময় সূৰ্য্য অস্তমিত হোৱাৰ অলপ সময় আগতেই শেষ হৈ যায়। যেতিয়া সূৰ্য্যৰ ৰশ্মি ক্ষীণ হৈ যায় যদিও দিনৰ একেবাৰে শেষ প্ৰান্তত আছৰৰ নমাজ পঢ়া হাৰাম বা নিষিদ্ধ নহয়। কিন্তু এইটো বেছি পছন্দনীয় যে ৰশ্মিক্ষীণ বা বিৰ্বন হোৱাৰ আগতেই অৰ্থাৎ সূৰ্য্য তেতিয়াও দিশ চক্ৰৱাল ৰেখাৰ পৰা বহু ওপৰত থাকোতেই আছৰৰ নমাজ পঢ়া হয়। সূৰ্য্য অস্ত হোৱাৰ লগে লগেই মাগৰিবৰ নমাজৰ সময় আৰম্ভ হয়। সন্ধিয়া শেষ হোৱাৰ আগ মুহূৰ্তলৈ এই সময় থাকে। কিন্তু এই গধুলি শব্দটোৰ ওপৰত বিভিন্ন মজহবৰ শাস্ত্ৰবিদসকলৰ মতানৈক্য আছে। ওহাবী সকল আৰু সিহঁতৰ অনুৰূপ মতালম্বী সকলে মাগৰিবৰ নমাজৰ সময় সম্পৰ্কৰ এটা কঠোৰ দৃষ্টি ভঙ্গি গ্ৰহণ কৰিছে। সিহঁতৰ মতে সূৰ্য্য অস্ত যোৱাৰ ভালেখিনি সময় পিছত এই নমাজ পঢ়িব লাগিব। ইহঁতৰ মতে সন্ধিয়া (গধুলি লগ্ন) তেতিয়া শেষ হয় যেতিয়া সূৰ্য্য অস্তৰ পিছত পশ্চিম আকাশৰ লালবৰ্ণ দূৰ হৈ কুৱলী বৰণীয়া অন্ধকাৰৰ সৃষ্টি হয়। অন্যান্য মতালম্বী সকলে বিশ্বাস কৰে যে, সূৰ্য্য অস্ত যোৱাৰ পিছত দিশ চক্ৰৱাল ৰেখাত সামান্য পৰিমাণৰ পোহৰ থকালৈকে গধুলি লগ্ন (সন্ধিয়া)ৰ অৰ্ন্তভুক্ত। এই বিলাক মতালম্বীকাৰী সকলৰ মতে মাগৰিবৰ নমাজৰ বাবে যি নিৰ্ধাৰিত সময় ধৰা আছে, তাৰ দৈৰ্ঘ প্ৰায় ফজৰৰ

নমাজৰ বাবে যি সময় নিৰ্ধাৰিত আছে, তাৰ সমান যিটো পূব আকাশত ফেহুজালি দিয়াৰ পৰা আৰম্ভ হৈ সূৰ্য্য উদয় হোৱা পৰ্য্যন্ত থাকে।

ফিকাহ শাস্ত্ৰবিদ সকল এই বিষয়ে একমত যে, ইশ্বাৰ নমাজ গধুলি লগ্ন (সন্ধিয়া) আঁতৰি গৈ ৰাতিৰ এন্ধাৰ হৈ অহাৰ পিছৰ পৰাহে পঢ়িবলৈ আৰম্ভ কৰিব লাগে। অধিকাংশৰ মতে এই নমাজৰ সময় মাজ ৰাতিলৈকে চলি থাকে। কিন্তু আকৌ কিছুমানে ইয়াৰ সময় আৰু বঢ়াই ৰাতিৰ দুই তৃতীয়াংশলৈ থকা বুলি কয়। সেই বাবে বিতৰ্কিত ভাবে এইটো পৰামৰ্শ দিয়া হৈছে বা পছন্দনীয় বুলি কোৱা হৈছে যে, সাধাৰণতে প্ৰত্যেক নমাজেই তাৰ নিৰ্দিষ্ট ধৰি লোৱা সময় আৰম্ভ হোৱাৰ লগে লগেই নমাজ আদায় কৰা উচিত। সময় একেবাৰে শেষ হোৱা লৈকে অপেক্ষা কৰা ঠিক নহয়।

## নমাজৰ নিষিদ্ধ সময়

মনত ৰাখিবলগীয়া যে, ঠিক সূৰ্য্য উদয়ৰ, সূৰ্য্য অস্ত যোৱাৰ আৰু যেতিয়া সূৰ্য্য মধ্য গগনৰ (মূৰৰ ওপৰত) অৱস্থান কৰিব তেতিয়া যিকোনো নমাজ পঢ়াই নিষেধ বা হাৰাম। ইয়াৰ উপৰিও আছৰৰ নমাজৰ পিছৰ পৰা সূৰ্য্য অস্ত যোৱালৈ কোনো নফল নাইবা অতিৰিক্ত নমাজ এই সময় খিনিত পঢ়া উচিত নহয়। অনুৰূপ ভাবে ফজৰৰ নমাজৰ পিছৰ পৰা আৰম্ভ কৰি সূৰ্য্য উদয় হোৱালৈ এই সময় খিনিত কোনো নমাজ পঢ়া উচিত নহয়।

## নমাজৰ চৰ্তসমূহ

নমাজ আদায় কৰাৰ আগতেই পুৰণ কৰিব লগীয়া কিছুমান চৰ্ত আছে। সেই বিলাক তলত উল্লেখ কৰা ধৰণৰ ঃ-

(১) **নিয়ত বা সংকল্প কৰা** ঃ- নমাজ আৰম্ভ কৰাৰ আগ মুহূৰ্তত (মনে

মনে) নিয়ত বা সংকল্প কৰিব লাগে।
(২) যিকোনো ওয়াক্তৰ নমাজ তাৰ নিৰ্দ্দিষ্ট ধৰি লোৱা সময়ৰ মাজত আদায় কৰা উচিত। কিন্তু এইটো মনত ৰাখিব লাগিব যে, যদি কোনোবাই অনিবাৰ্য্য কাৰণ বশতঃ যথা সময়ত নমাজ আদায় কৰিবলৈ বিফল হয় তেন্তে সেই নমাজৰ কথা মনত হলেই তেওঁ নমাজ আদায় কৰি ল'ব পাৰে নিষিদ্ধ সময়ত নমাজ পঢ়া উচিত নহয়।

ইয়াত প্ৰশ্ন উঠিব পাৰে যে, যিহেতু নমাজ, ৰোজা আদিৰ সময় সূৰ্য্যৰ পোহৰৰ দৈৰ্ঘ্যৰ লগত, পৃথিৱীৰ ঘূৰ্ণায়নৰ লগত আৰু চন্দ্ৰ, সূৰ্য্যৰ আপেক্ষিক অৱস্থানৰ লগত সম্পৰ্কিত সেই ক্ষেত্ৰত সুমেৰু, কুমেৰু অঞ্চলৰ দেশসমূহত য'ত দিন, ৰাতিৰ দৈৰ্ঘ্য, ৰাতিৰে দৈৰ্ঘ্য ২৪ ঘণ্টাৰ বেছি সেই ঠাইত কেনেকৈ নমাজ, ৰোজা আদিৰ সময় নিৰূপণ কৰিব ? এইটো ইয়াত লক্ষ্যণীয় বিষয় যে, মহানবী (ছাঃ) এজন চাহাবীৰ প্ৰশ্নৰ উত্তৰ দিওঁতে ব্যাখ্যা কৰিছিল যে, যিবিলাক অঞ্চলত দিন ৰাতিৰ সময় সাধাৰণ ২৪ ঘণ্টাৰ তুলনাত দীঘল সেইবোৰ অঞ্চলৰ মুছলমান সকলে স্বাভাৱিক দিনৰ দৈৰ্ঘ্য অনুযায়ী সময় ভাগ কৰি নমাজ আদায় কৰা উচিত।

(৩) এজন নমাজীয়ে দৈহিক আৰু যিমানদুৰ সম্ভৱ মানসিক আৰু আত্মিক ভাবেও পৰিষ্কাৰ-পৰিচ্ছন্ন হোৱা দৰকাৰ। ইয়াত পৰিষ্কাৰ-পৰিচ্ছন্ন মানে বুজোৱা হৈছে,
(ক) শৰীৰ সকলো ধৰণৰ আৱৰ্জনা-লেতেৰা আদিৰ পৰা ছাফ-চিকুন হোৱা প্ৰয়োজন।
(খ) যদি কোনোবাই প্ৰকৃতিৰ প্ৰয়োজনৰ কাম সম্পূৰ্ণ কৰে আৰু পায়খানৰ পৰা আহে তেন্তে তেওঁ যথাৰ্থভাবে ধুই-মুচি ছাফ-চিকুন হ'ব লাগিব যাতে মল, পেচাৱ আদি ধুই নিকা হৈ যায়।
(গ) সহবাসৰ পিছত, (বীৰ্যপাত হওক বা নহওক) নাইবা যিকোনো ভাবে

বীৰ্যপাত হলে, উদাহৰণ স্বৰূপে স্বপ্নদোষ টোপনি যাওতেই বীৰ্যপাত এই বিলাক ক্ষেত্ৰত কেৱল মাত্ৰ আংশিকভাবে ধুই লোৱা নুবুজায়,পৰিপূৰ্ণ গা-ধুই পৰিত্ৰ হোৱা প্ৰয়োজন।

(ঘ) মহিলা সকলৰ মাহিলী ঋতুস্ৰাৱ, সন্তান প্ৰসৱ ইত্যাদিৰ পিছত নিৰ্ধাৰিত সময় পূৰ্ণ হোৱাৰ পিছত সিহঁত পৰিত্ৰ হৈ নমাজ আদায় কৰিব পাৰিব।

(৪) নমাজৰ স্থান আৰু নমাজৰ বাবে পাৰিলোৱা কাপোৰ (জায়নমাজ) আদি ছাফ-চিকুন হ’ব লাগিব।

(৫) নমাজৰ সময়ত শৰীৰ যথাৰ্থভাবে আবৃত হ’ব লাগিব।

(৬) **কিবলা মুখীহোৱাঃ**- প্ৰত্যেক জন মুছলমানৰ মুখমণ্ডল **কাবাৰ** পিনে থাকিব লাগিব। **কাবা** হ’ল পৃথিৱীৰ প্ৰথম উপসনা গৃহ। এইটো মক্কাত অৱস্থিত। **কিবলা** মানে সেই গৃহৰ পিনে মুখ কৰাকে বুজায়।

বিশ্বৰ প্ৰত্যেক জন মুছলমানেই প্ৰত্যেক নমাজৰ সময়ত উক্ত কাবাৰ পিনে মুখ কৰি থিয় হ’ব লাগিব। যদি ভ্ৰমণৰ সময়ত কোনোবাই কাবা যথাযথ অৱস্থান নিৰ্ণয় কৰিব নোৱাৰে নাইবা ৰোগাক্ৰান্ত অৱস্থাত কাবামুখী হ’বলৈ অক্ষম হয় তেন্তে বাহ্যিক কিবলামুখী হোৱাৰ বাধ্যবাধকতা নাই। গতিকে ভ্ৰমণত থকা অৱস্থাত, ঘোঁৰা, গাধা, উট, ৰেল,নাও, জাহাজ, বিমান আৰোহণ কালত এজনে নমাজ পঢ়িবলৈ হলে যিফালে তেওঁ গৈ আছে সেই ফালে মুখ কৰি নমাজ আদায় কৰিব বা বাস্তৱ ক্ষেত্ৰত কোনো এটা সুবিধাজনক অৱস্থান গ্ৰহণীয় হ’ব।

# অজু

অজু শব্দটো নমাজৰ প্ৰস্তুতি হিচাপে শৰীৰৰ কিছুমান অংশ বা অংগ-প্ৰতঙ্গ ধুই পেলোৱাৰ প্ৰতি আৰূপ কৰা হয়। এইটো পূৰ্বৰ চৰ্ত। গতিকে এয়া পূৰ্ণ নকৰি নমাজ আদায় কৰিলে নমাজ শুদ্ধ হোৱা বুলি বিবেচিত নহয়।

হাদীছত সুস্পষ্ট নিৰ্দেশ দিয়ে যে এজন মানুহে পানীৰে তিনিবাৰ হাত ধুব লাগে আৰু কুলি কৰি তিনিবাৰ মুখমণ্ডল ধুই পেলাব লাগে।



সোঁ হাতেৰে নাকত পানী দি উশাহেৰে ওপৰলৈ টানি নাকৰ আভ্যন্তৰ তিনিবাৰ ধুব লাগে।



ইয়াৰ পিছত সম্পূৰ্ণ মুখমণ্ডল তিনিবাৰ ধুই পেলাব লাগে।



ইয়াৰ পিছত সোঁফালৰ হাতৰ পৰা আৰম্ভ কৰি দুয়ো হাতৰ কিলাকুটি

পৰ্যন্ত তিনিবাৰ ধুব লাগে।



ইয়াৰ পিছত আকৌ সামান্য পানীৰে হাত দুখন তিয়াই লৈ উভয় হাতেৰে মূৰৰ ওপৰিভাগ মচিব লাগে। হাতৰ তলুৰা তলপিনে কৰি বুঢ়া আঙুলি দুটাৰে মূৰ আগুৰিলৈ সম্পূৰ্ণ মচা কৰিব লাগে। সোঁহাতৰ তৰ্জনী আঙুলিৰে সোঁ কাণ আৰু হাতৰ তৰ্জনী আঙুলিৰে কাণৰ অলপ ভিতৰলৈ মচিব লাগে। আঙুলিৰে কাণৰ বৰ্হিভাগৰ ভাজবিলাকত ঘূৰাই ঘূৰাই মচিব লাগে আৰু কাণৰ ছিদ্ৰমুখত সামান্য আঙুলি প্ৰৱেশ কৰি পৰিষ্কাৰ কৰিব লাগে।



আঙুলিৰ পেটাৰে কাণৰ বাহিৰৰ ভাজবিলাকৰ ওপৰত আৰু তৰ্জনী কাণৰ বিন্ধাত সুমুৱাই পৰিষ্কাৰ কৰাৰ পিছত হাতৰ আঙুলি বিলাক একেলগ কৰি দুয়ো হাতৰ আঙুলিবোৰ একেলগ কৰি দুয়ো হাতৰ তলুৰা বাহিৰলৈ উভতাই আনি হাতৰ পিঠিৰে কাণৰ তলেদি ডিঙিৰ পৰা তললৈকে তিতা হাতেৰে মচিব লাগে।



অৱশেষত ভৰি দুখন সোঁ ফালৰ পৰা আৰম্ভ কৰি সৰু গাঁঠিলৈ তিনিবাৰ ধুই ল'ব লাগে। যদি অজু কৰাৰ সময়ত কোনো কাৰণৰ বাবে অঙ্গ-প্ৰতঙ্গবোৰৰ নিৰ্ধাৰিত কোনো অংশ এবাৰ ধুই লোৱা হয় তথাপি অজু সম্পূৰ্ণ হ'ব,কিন্তু সকলোতকৈ উত্তম অজু হ'ল সেয়া যি আমাৰ নবী কৰিম (ছাঃ)ৰ দ্বাৰা প্ৰতিষ্ঠিত ছুন্নত।
অৰ্থাৎ অঙ্গ-প্ৰতঙ্গবোৰ তিনিবাৰকৈ ধুই পৰিষ্কাৰ কৰা। এনেকৈ অজু সম্পূৰ্ণ কৰিব লাগে।



অজু সম্পূৰ্ণ কৰাৰ পিছত নিম্ন লিখিত নিৰ্ধাৰিত দোৱা পাঠ কৰিব লাগে।

اَللّٰهُمَّ اجْعَلْنِيْ مِنَ التَّوَّابِيْنَ وَاجْعَلْنِيْ مِنَ الْمُتَطَهِّرِيْنَ

**উচ্চাৰণঃ** আল্লাহুম্মাজআলনি মিনাত তাওৱাবিনা ওৱাজআলনি মিনাল মুতাতাহহিৰিণ।

**অৰ্থঃ-** হে আল্লাহ! মোক তওবাকাৰী সকলৰ অন্তৰ্ভুক্ত কৰা আৰু মোক পৱিত্ৰতা অৰ্জনকাৰী সকলৰ অন্তৰ্ভুক্ত কৰা।

**তয়াম্মুম ঃ-** এইটো আন এটা সাধাৰণ অৱস্থাত অজু কৰাৰ নিয়ম যেতিয়া এজন মানুহ অসুস্থ হৈ পৰে আৰু পানী ব্যৱহাৰ তাৰ বাবে নিষিদ্ধ হৈ পৰে আৰু য'ত পৰিষ্কাৰ পানী সহজলভ্য নহয়। অসুস্থতাৰ বাবে আৰু পানী নোপোৱা অৱস্থাত অজুৰ বিকল্প ব্যৱস্থা তায়ম্মুম। তলত ইয়াৰ নিয়ম পদ্ধতি বৰ্ণনা কৰা হ'ল।

যদি পৱিত্ৰ ধূলিময় সমতল ভূমি আৰু কঠিন সমতল ভূমি পোৱা যায় তেন্তে কোনো ব্যক্তি হাতৰ দ্বাৰা মুখমণ্ডল মুচি ল'ব লাগে। পিছত তেওঁ পৰ্যায়ক্ৰমে এটা হাতৰ হতুৱাই আন এটা হাতৰ পিঠি মুচি পেলাব লাগিব। যদি হাতত ধূলি বেছিকৈ লাগি যায় তেন্তে ফু মাৰি ধূলি কমাই লোৱাৰ অনুমতি আছে। এই পদ্ধতি এক প্ৰকাৰ প্ৰতীকি অজু মাত্ৰ বা এজনক মনত পেলাই দিয়া যে তেওঁ যেন লগে লগে যথাসম্ভৱ অজু কৰি লয়।প্ৰত্যেক জন মানুহৰ বাবে এইটো প্ৰযোজ্য যে যিমান সময়লৈ তাৰ অজু ভঙ্গ নহয় সিমান সময়লৈকে তেওঁ আকৌ অজু কৰাৰ প্ৰয়োজন নপৰে।এবাৰ অজু কৰিলে যদি সেই অজু ভঙ্গ নহয় তেন্তে এজন ব্যক্তিয়ে এবাৰতকৈ বেছি ওৱাক্ত নমাজ আদায় কৰিব পাৰে। ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে নমাজ পঢ়িবলৈ হলে অজু অক্ষুন্ন থকা অত্যাৱশ্যকীয়। কিন্তু প্ৰত্যেক নমাজৰ বাবে অজু কৰা আৱশ্যক নহয় যদি পূৰ্ববৰ্তী অজু অক্ষুন্ন থাকে।

### অজু ভঙ্গ হোৱাৰ কাৰণসমূহ

(ক) পেচাব,পায়খানাৰ ৰাস্তাৰে কিবা ওলালে বা বায়ু নিৰ্গত হলে।

(খ) টোপনি গলে,তন্দ্ৰাছন্ন হলে,

(গ)ঋতুৱতী বা বীৰ্যপাত হলে। (এই প্ৰসঙ্গত পূৰ্বত আলোচনা কৰা হৈছে)

(ঘ) ৰক্তপাত বা বমি কৰাৰ ক্ষেত্ৰত মতানৈক্য আছে। কিন্তু শৰীৰৰ যিকোনো

স্থান কাটি গৈ তাৰ পৰা তেজ ওলালে নাইবা দাঁত মুখ পৰিষ্কাৰ কৰাৰ সময়ত খাদ্য ওলাই বমি নাইবা ৰক্তপাত হলে আকৌ অজু কৰাৰ প্ৰয়োজন হ'ব। যদি কোনোবাই অজু কৰাৰ পিছত ভৰিত মোজা পিন্ধে তেন্তে ২৪ ঘণ্টাৰ ভিতৰত অজু কৰাৰ সময়ত আকৌ মোজা খুলি ভৰি ধুই ল'বৰ প্ৰয়োজন নহয়। ইয়াৰ পৰিৱৰ্তে তাৰ ভিজা হাতেৰে মোজাৰ ওপৰি ভাগ মচিব লাগে।ভ্ৰমণত থকা অৱস্থাত এই অনুমতি তিনি দিন ব্যাপি কাৰ্য্যকৰি হৈ থাকে।

**বিভিন্ন ফিকাহ্ শাস্ত্ৰবিদ সকলৰ মাজত লক্ষণীয় মতভেদ**

ছিয়া সকলৰ ফিকাহ্ মতে মোজা পৰিধান কৰক বা নকৰক (জোতাৰ ভিতৰত) অজু কৰা সময়ত ভৰি ধুই দিয়াৰ পৰিৱৰ্তে মুচি দিলেই যথেষ্ট যি ধৰণ আগতে আলোচনা কৰা হৈছে। ওহাবী সকলৰ দৰে কঠোৰ মতালম্বীসকলে কয় নোম বা তুলাৰে বনোৱা মোজা মুচি দিলে যথেষ্ট নহয়, সিহঁতে ভাৰে যে মুচি লোৱাৰ সুবিধা লাভ কৰিবলৈ হলে মোজা চামৰাৰে তৈয়াৰী হ'ব লাগিব,যাৰ মাজত ধূলি-মাকতি সোমাব নোৱাৰে।

অন্যান্য মতাৱলম্বী সকলে এই মতটোক বেছি বিস্তৃত আৰু কঠিন লগতে এটা দাসত্ব বুলি ভাৰে। প্ৰকৃতপক্ষে এইটো ইছলামৰ প্ৰকৃত শিক্ষাৰ অন্তৰ্ভুক্ত নহয়। নবী কৰিম (ছাঃ)ৰ আচল শিক্ষাৰ বিষয়ে কৈছে ঃ-

انّ الدين يسر (بخاری، کتاب الايمان، باب الدين يسر)

**উচ্চাৰণ** ঃ- ইন্নাদ্দীনা ইউছৰুন।(বুখাৰী,কিতাবুল ঈমান)

**অৰ্থ** ঃ- প্ৰকৃততে এইটো সহজ ধৰ্ম।

যিসকলে আহমদী মুছলিম জমাতৰ সৈতে একমত সিহঁতে ভাৰে উত্তম নীতি হ'ল সাধাৰণ জ্ঞানৰ প্ৰয়োজন। গতিকে এযোৰ মোজা যদি কাৰোবাৰ ভৰি ধূলি-মাকতিয়ে লেতেৰা হোৱাৰ পৰা বচায় তেন্তে সেই মোজা যোৰ কিহেৰে তৈয়াৰী সেয়া প্ৰশ্ন উঠিব নোৱাৰে।

## গোচল

ইছলাম ধৰ্মত অভ্যাসক সদায় অনুপ্ৰাণিত আৰু উৎসাহিত কৰা হৈছে। ইছলামত কেৱল মাত্ৰ আত্মাৰ ছাফ-চিকুণতাৰ ফালে গুৰুত্ব দিয়া নাই বৰং দৈহিক আৰু বাহ্যিক পৰিচ্ছন্নতাৰ ওপৰতও গুৰুত্ব অৰ্পন কৰিছে।সেইবাবে কোনো কোনো ক্ষেত্ৰত নমাজ আদায় কৰিবলৈ গোচল কৰাটো পূৰ্ব চৰ্ত হিচাপে সাব্যস্ত কৰিছে। তলত বৰ্ণিত অৱস্থাত কেৱল অজু কৰিলে যথেষ্ট নহয় গোচল কৰা অৱশ্যই প্ৰয়োজন।

**মহিলাসকলৰ ক্ষেত্ৰত**

(ক) হায়েজ বা ঋতুস্ৰাৱ সম্পূৰ্ণ ৰূপে বন্ধ হোৱাৰ পিছত।
(খ) নিফাজ বা সন্তান প্ৰসৱৰ পিছত যেতিয়া পৰিপূৰ্ণ ৰূপে বন্ধ হৈ যায়।

---

**টোকা** ঃ-ৰক্তস্ৰাৱ হৈ থকা সময়ত বা সেই দিনবোৰত মহিলা সকলে নমাজ পঢ়িব নালাগে।

## পুৰুষ মহিলা উভয়ৰ ক্ষেত্ৰত

(ক) বীৰ্যপাত বা সহবাস কৰাৰ পিছত, স্ত্ৰী সহবাসৰ কাৰণেই হওক বা অন্য কিবা কাৰণতে বীৰ্যপাত হয়,আনকি স্বপ্ন দোষৰ পিছতে গোচল প্ৰযোজ্য।
(খ) নাৰী-পুৰুষৰ সংসৰ্গত বীৰ্যস্খলন নহলে বা স্পল্প মাত্ৰাত হলেই গোচল প্ৰযোজ্য।

প্ৰত্যেক মৃত ব্যক্তিৰ জানাজাৰ নমাজ পঢ়াৰ আগতেই সন্মানেৰে গোচল কৰাব লাগে। কিন্তু যি সকলে শ্বহীদ হয় বা কোনো যুদ্ধত নিহত হয় নহলে কিবা প্ৰকাৰে নিহত হলে সিহঁতৰ ক্ষেত্ৰত ব্যতিক্ৰম অৰ্থাৎ গোচল নকৰাকৈয়ে জানাজা নমাজ পঢ়াব পাৰে। ইয়াৰ বাহিৰে আৰু কিছুমান প্ৰয়োজনীয়

গোচলৰ সময় আছে। যেনে জুমাৰ দিন গোচল কৰা আৰু হজ অনুষ্ঠানৰ পূৰ্বৰ গোচল। এইবিলাক সময়ত গা-ধুৱাৰ বাবে নবী কৰিম (ছাঃ)বৰকৈ আকৃষ্ট কৰিছে।

এয়া স্মৰণীয় বিষয় যে ইছলাম ধৰ্মৰ প্ৰৱৰ্তক মহানবী (ছাঃ)তলত উল্লেখ কৰা পদ্ধতিত গা ধুইছিল।

তেখেত (ছাঃ)আগত অজু কৰি গা-ধুৱা আৰম্ভ কৰিছিল। কিন্তু আগতেই ভৰি ধুই পেলোৱা নাছিল। গা-ধোৱাৰ শেষ মুহূৰ্তত ভৰি ধুই লৈছিল। তেখেত (ছাঃ)য়ে  সোঁফালে শৰীৰত তিনিবাৰ পানী ঢালি লৈ তিনিবাৰ বাওঁফালে পানী ঢালি গোচল সমাধা কৰিছিল। তেখেত (ছাঃ)ও বৰ সাৰধানৰ সৈতে গোচল কৰিছিল, শৰীৰৰ সকলো অংগ-প্ৰতঙ্গ সমূহ ভাল দৰে ধুইছিল।

যিবিলাক অৱস্থাত গোচল অত্যাৱশ্যকীয় সেই অৱস্থাত কোনোবাই গোচল নকৰি নমাজ পঢ়িব নোৱাৰে বা মছজিদত প্ৰৱেশ কৰিব নোৱাৰে আৰু  পৱিত্ৰ কোৰাণ কৰিম পাঠ কৰিব নোৱাৰে। ঋতুৱৰ্তী হলে মহিলা সকলে কোৰাণ কৰিম পাঠ কৰিব নালাগে। যদি কোৰাণ কৰিম স্পৰ্শ কৰিব লগা হয় তেন্তে কাপোৰৰ সৈতে হাতখন ঢাকি লৈ চুব পাৰে, কিন্তু নগ্ন হাতেৰে স্পৰ্শ নকৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

**পানী** ঃ- অজু আৰু গোচলৰ বাবে যি পানী ব্যৱহাৰ কৰা হয়, সেয়া পৰিষ্কাৰ আৰু স্বাস্থ্য-সন্মত হোৱা বাঞ্ছনীয়। আৱদ্ধ থকা গেলা-পচা পানী ব্যৱহাৰ কৰা উচিত নহয়। কিন্তু যেতিয়া বিশুদ্ধ পানী নাপায় আৰু সেই পানী ব্যৱহাৰ কৰিবলৈ বাধ্য হয় তেতিয়া সেই পানীৰে অজু গোচল কৰিব পাৰে।

## পোচাক পৰিচ্ছদ

নমাজৰ সময়ত প্ৰত্যেকজন ব্যক্তিয়ে নিজৰ শৰীৰ ভালদৰে ঢাকি লোৱা দৰকাৰ। বিশেষকৈ গুপ্তাঙ্গ আৰু ইয়াৰ চাৰিওফালৰ স্থান।পুৰুষৰ বাবে এইটো

সিহঁতৰ নাভিৰ তলৰ অংশৰ পৰা ভৰিৰ সৰু গাঁঠিৰ ওপৰৰ স্থানলৈকে নিৰ্ধাৰণ কৰিব পৰা যায়। মহিলাসকলৰ ক্ষেত্ৰত গোটেই শৰীৰ ঢাকি ৰখা আৱশ্যক মাত্ৰ হাতৰ মনিবন্ধনলৈকে আৰু ভৰিৰ সৰু গাঁঠিৰ তলৰ খিনি উলিয়াই থাকিব পাৰে। অৱশ্যে ঘৰত নমাজ পঢ়া সময়ত বা বেলেগ আৰু মহিলাৰ মাজত সুৰক্ষিত ঠাইত নমাজ পঢ়িলে মুখমণ্ডল ঢাকি ৰখাৰ প্ৰয়োজন নাই।

## পুৰুষৰ মূৰ ঢাকা প্ৰসঙ্গ

এই প্ৰসঙ্গত অধিকাংশ ফিকাহ্ শাস্ত্ৰবিদ সকলৰ মতে নমাজৰ সময়ত পুৰুষ সকলে মূৰ ঢাকি ল'ব লাগে। কিন্তু মালিকী ফিকাহৰ অনুসৰণকাৰী আৰু অন্যান্য কিছুমান পুৰুষৰ মূৰ ঢাকি ৰখাৰ আৱশ্যক নাই বুলি ভাৱে।

## আজান

ইছলামৰ প্ৰাথমিক যুগত নমাজৰ সময় হৈছে বুলি কোনো নিৰ্ধাৰিত ধৰণৰ পদ্ধতি নাছিল। মছজিদত মুছলমান সকলে বা-জমাত নমাজ পঢ়াৰ বাবেও আহ্বান কৰাৰ কোনো পদ্ধতি নাছিল। নবী কৰিম (ছাঃ) অৱশ্যে এই প্ৰসঙ্গত ইহুদী,খ্ৰীষ্টান আৰু ছাবী সকলৰ পদ্ধতি সম্পৰ্কে জ্ঞাত আছিল। তেখেত (ছাঃ)য়ে চাহাবা সকলৰ লগত আলোচনা কৰিলে যে মুছলমান সকলৰ মছজিদত বা-জমাত নমাজ পঢ়িবলৈ আহ্বান কৰাৰ কি ব্যৱস্থা কৰিব পাৰি ? এদিন কাহিলী পুৱাতে হজৰত আব্দুল্লাহ ইবনে আজিজ (ৰাঃ)নবী কৰিম (ছাঃ)ৰ ওচৰত আহি ক'ব ধৰিলে যে যোৱা ৰাতি তেওঁ এটা সপোন দেখিছে আৰু তেওঁ সেই সপোনৰ কথা বৰ্ণনা কৰিলে। তেওঁ কোনোবা এজনক নমাজৰ সময় ঘোষণা কৰোঁতে লোক সকলক উচ্চস্বৰে বা-জমাত নমাজৰ বাবে মছজিদলৈ অহাৰ বাবে আহ্বান কৰি থকা দেখা পাইছে। হজৰত আব্দুল্লাহ (ৰাঃ) পিছত আজান (আহ্বান) ৰ শব্দবোৰ যি তেওঁ সপোনত শুনিছিল সেয়া বৰ্ণনা কৰি শুনায়। সেই শব্দবোৰ তলত উল্লেখ কৰা ধৰণৰ ঃ

اَللّٰہُ اَکْبَرُ .اَللّٰہُ اَکْبَرُ . اَللّٰہُ اَکْبَرُ .اَللّٰہُ اَکْبَرُ

**উচ্চাৰণ** ঃ-আল্লাহু আকবাৰ (চাৰি বাৰ)
**অৰ্থ** ঃ- আল্লাহ সৰ্বশ্ৰেষ্ঠ।

اَشْهَدُ اَنْ لَّآ اِلٰهَ اِلَّااللّٰهُ . اَشْهَدُ اَنْ لَّآ اِلٰهَ اِلَّااللّٰهُ

**উচ্চাৰণ** ঃ-আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহ। (দুই বাৰ)
**অৰ্থ** ঃ- মই সাক্ষী দিওঁ যে আল্লাহৰ বাহিৰে কোনো উপাস্য নাই।

اَشْهَدُ اَنَّ مُحَمَّدً ا رَّسُوْلُ اللّٰهِ . اَشْهَدُ اَنَّ مُحَمَّدً ا رَّسُوْلُ اللّٰهِ

**উচ্চাৰণ** ঃ- আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছুলুল্লাহ।(দুই বাৰ)
**অৰ্থ** ঃ- মই সাক্ষী দিওঁ যে মহম্মদ (ছাঃ) আল্লাহৰ প্ৰেৰিত ৰছুল।

حَیَّ عَلٰی الصَّلٰوةِ .حَیَّ عَلٰی الصَّلٰوةِ

**উচ্চাৰণ** ঃ-হায়য়া আলাছ্ ছালাহ। (দুই বাৰ)
**অৰ্থ** ঃ- নমাজৰ ফালে আহা।

حَیَّ عَلٰی الْفَلَاح . حَیَّ عَلٰی الْفَلَاح

**উচ্চাৰণ** ঃ-হাইয়্যা আলাল ফালাহ। (দুই বাৰ)
**অৰ্থ** ঃ-সফলতাৰ ফালে আহা।

الله اکبر   الله اکبر

**উচ্চাৰণ** ঃ-আল্লাহু আকবাৰ (দুই বাৰ)
**অৰ্থ** ঃ- আল্লাহ সৰ্বশ্ৰেষ্ঠ।

لَا اِلٰهَ اِلَّا الله

**উচ্চাৰণ** ঃ- লা ইলাহা ইল্লাল্লাহ।(এবাৰ)
**অৰ্থঃ**-আল্লাহৰ বাহিৰে কোনো উপাস্য নাই

হজৰত ওমৰ (ৰাঃ)যিজন পিছত ইছলামৰ দ্বিতীয় খলিফা (প্রতিনিধি) হৈছিল,তেখেত (ৰাঃ) নবী কৰিম (ছাঃ)ৰ ওচৰত বহি কৈছিল যে মইয়ো সেই অনুৰূপ শব্দবোৰ শুনিবলৈ পাইছোঁ। তেতিয়া ৰছুলে কৰিম (ছাঃ)ৰ মনত কোনো ধৰণৰ সন্দেহ নাথাকিল আৰু কলে যে এয়া নিশ্চয় আল্লাহৰ বাণী,আৰু সেয়া অৱলম্বন কৰিলে। এনেকৈয়ে নমাজৰ বাবে আহ্বান হিচাপে আজান গোটেই বিশ্বত ব্যাপক ভাবে স্বীকৃতি পালে।

## আজান দিয়াৰ পদ্ধতি

মুয়াজ্জিন (যিজনে আজান দিয়ে) কিবলাৰ ফালে মুখ কৰি এটা ওখ ঠাইত থিয় হ'ব। আজিকালি আজান দিবলৈ লাউড স্পীকাৰ ব্যৱহাৰ কৰা হয়,( সেই বাবে ওখ স্থানৰ প্রয়োজন নাই) মুয়াজ্জিন নিজৰ তর্জনী আঙুলিৰে কাণ স্পর্শ কৰিব। সোঁ হাতৰ তর্জনীৰে সোঁ কাণ আৰু বাওঁ হাতৰ তর্জনীৰে বাওঁ কাণ স্পর্শ কৰিব আৰু উচ্চস্বৰে আজানৰ শব্দবোৰ উচ্চাৰণ কৰিব। যেতিয়া মুয়াজ্জিন হাইয়্যা আলাছ ছালাহ উচ্চাৰণ কৰিব তেতিয়া নিজৰ মুখমণ্ডল সোঁ ফালে ঘূৰাই ল'ব আকৌ যেতিয়া হাইয়্যা আলাল ফালাহ উচ্চাৰণ কৰিব নিজৰ মুখমণ্ডল বাওঁ ফালে ঘূৰাই উচ্চাৰণ কৰিব। পিছত বাক্য সমূহ আকৌ কাবামুখী হৈ ক'ব।

ফজৰৰ নমাজৰ আজান দিয়া সময়ত হাইয়্যা আলাল ফালাৰ পিছত মুয়াজ্জিন তলত উল্লেখ কৰা বাক্যটো দুই বাৰ উচ্চাৰণ কৰিব।

اَلصَّلٰوةُ خَيْرٌ مِّنَ النَّوْم

**উচ্চাৰণ** ঃ- আচ্ছালাতু খাইৰুম মিনান্নাউম। (দুই বাৰ)

**অর্থ** ঃ- টোপনিতকৈ নমাজ উত্তম।

আঁহজৰত (ছাঃ)য়ে কৈছে,

اذا سمعتم النداء فقولوا مثل ما يقول المؤذن (بخاری کتاب الاذان باب ما يقول اذا سمع المنادی)

**উচ্চাৰণ** ঃ-ইজা ছামিতুমুন নিদাআ ফাকুলু মিচলা মা ইয়াকুলুল মুয়াজ্জানু ( বুখাৰী কিতাবুল আজান বাব মা ইয়াকুলু ইজা ছামিউল মুনাদী)

**অৰ্থ** ঃ- যেতিয়া তোমালোকে আজান শুনিবা তেতিয়া মুয়াজ্জিনে যি কয় তোমালোকেও সেয়া কবা।

গতিকে আজান শুনিলে প্ৰত্যেকেই মুয়াজ্জিনৰ লগত আজানৰ শব্দবোৰ তেওঁৰ সৈতে ক'ব লাগে কিন্তু মুয়াজ্জিনৰ **হাইয়্যা আলাছ ছালাহ** উচ্চাৰণৰ ধ্বনি শুনোঁতা জনৰ এই বাক্য পাঠ কৰা উচিত- **লা হাওলা ওৰা লা কুৱৰাতা ইল্লাবিল্লাহিল আলিউল আজিম**। ইয়াৰ অৰ্থ হ'ল- সৰ্বোচ্চ মহান আল্লাহ তায়লাৰ সত্তাৰ বাহিৰে আন কোনো শক্তি বা সামৰ্থ নাই।

ছিয়া সম্প্ৰদায়ৰ লোক সকলে আজানত তলত দিয়া বাক্যসমূহ যোৰ লগাই উচ্চাৰণ কৰে।

اَشْهَدُ اَنَّ عَلِيًّا وَلِيُّ الله

حَيَّ عَلٰى خَيْرِ الْعَمَل

**উচ্চাৰণ** ঃ- আশ্বহাদু আন্না আলিয়ান ওৱালিউল্লাহ হাইয়্যা আলা খাইৰিল আমাল।

**অৰ্থ** ঃ- মই সাক্ষী দিওঁ যে আলী এজন অলি আল্লাহ, ভাল কামৰ ফালে আহা।

অন্যান্য কিছুমান মুছলিম সম্প্ৰদায় বা ফিৰকাৰ লোকসকলে আজানত নিম্নোক্ত বাক্য যোৰ লগায়,

الصلوٰة والسّلام عليك يا رسول الله

**উচ্চাৰণ** ঃ-আচ্ছালাতু ওৱাচ্ছালামু আলাইকা ইয়া ৰাছুলুল্লাহ।

**অৰ্থ** ঃ- হে আল্লাহৰ ৰছুল! আপোনাৰ ওপৰত শান্তি আৰু কৰুণা বৰ্ষিত হওক।

এই বাক্যটো আজানৰ লগত কোনটো প্ৰমাণৰ সৈতে সিহঁতে সংযোগ

কৰে আমি নাজানো।আমাৰ জনামতে আমি আজানৰ যি শব্দবোৰ লিপিবদ্ধ কৰিছোঁ সেয়া মছনুন আৰু নবী কৰিম (ছাঃ)ৰ দ্বাৰা প্ৰমাণিত। যদি মছজিদৰ বাহিৰত বা-জমাত নমাজ অনুষ্ঠিত কৰা হয়, তেন্তে নমাজৰ আগত আজান দিয়া উচিত (কিন্তু দুই ঈদত আজান দিব নালাগে) আজান দিয়া বা শুনাৰ পিছত নিম্ন লিখিত দোৱা পাঠ কৰিব লাগে।

اَللّٰهُمَّ رَبَّ هٰذِهِ الدَّعْوَةِ التَّآمَّةِ وَالصَّلٰوةِ الْقَائِمَةِ
اٰتِ مُحَمَّدَنِ الْوَسِيْلَةَ وَالْفَضِيْلَةَ وَالدَّرَجَةَ الرَّفِيْعَةَ
وَابْعَثْهُ مَقَاماً مَّحْمُوْدَنِ الَّذِىْ وَعَدْتَّهُ اِنَّكَ لَا تُخْلِفُ الْمِيْعَادَ

**উচ্চাৰণ** ঃ- আল্লাহুম্মা ৰাববা হাজিহিদ্দাওৱাতিত তাম্মাতি ওয়াছ ছালাতিল কায়িমাতি আতি মুহাম্মাদানিল ওৱাছিলাতা ওৱাল ফাজিলাতা ওয়াদ্দাৰাজাতাৰ ৰাফীআতা, ওৱাব আছহু মাকামাম মাহমুদানিল্লাজী ওৱা আত্তাহু ইন্নাকা লা তুখলিফুল মীআদ। (ছহী বুখাৰী, কিতাবুল আজান বাব আদ্দাআ ইনদা নিদায়ে)

**অৰ্থ** ঃ- হে আল্লাহ। (প্ৰভু প্ৰতিপালক) তুমি এই পৰিপূৰ্ণ আহ্বানৰ আৰু প্ৰতিষ্ঠিত নমাজৰ প্ৰভু। তুমি মহম্মদ (ছাঃ)ৰ নৈকট্যৰ জৰিয়তে মহত্ব আৰু উচ্চ মৰ্য্যদা দান কৰা আৰু সকলোতকৈ প্ৰশংসিত স্থানত অধিষ্ঠিত কৰা তেখেতক- যি প্ৰতিশ্ৰুতি তুমি দিছা। নিশ্চয় তুমি কেতিয়াও প্ৰতিশ্ৰুতি ভংগ নকৰা।

## ইকামত

**ইকামত** ঃ- নমাজ আৰম্ভ কৰাৰ আগমুৰ্হূতত ইকামত দিব লাগে। ইমাম কাবাৰ পিনে মুখ কৰি তাৰ নিৰ্দিষ্ট স্থানত থিয় দি নমাজ আৰম্ভ কৰাৰ

পূৰ্বৰ ইঙ্গিত। ইকামত হ'ল আজানৰ সংক্ষিপ্তৰূপ। আজান আৰু ইকামতৰ পাৰ্থক্য তলত উল্লেখ কৰা হৈছে।

(ক) আজান উচ্চস্বৰত যাতে শব্দ দূৰলৈ যায়, আৰু ইকামত নিম্নস্বৰত দিব লাগে।

(খ) ইকামত দিয়াৰ সময়ত আজান দিয়াৰ দৰে হাতৰ আঙুলিৰে কাণ স্পৰ্শ কৰিব নালাগে। ইয়াৰ পৰিৱৰ্তে দুয়োখন হাত দুয়ো কাষত তলপিনে ছিদা কৰি ৰাখিব লাগে।

(গ) ইকামত দিওঁতে **আচ্ছালাতু খায়ৰুম মিনান্নাউম** বাক্যটো উচ্চাৰণ কৰিব নালাগে।

(ঘ) ইকামত অলপ সলসলাই ক'ব লাগে। কিন্তু মালেকী ফিকাহৰ অধীনস্থ সকলে ইকামত আৰু আজান উভয় ক্ষেত্ৰতেই দুটা বাক্যৰ মাজত থমকি ৰৈ উচ্চাৰণ কৰে। ইকামতৰ সময়ত **হাইয়্যা আলাল ফালাহ** বাক্যটোৰ পিছতেই **কাদকা মাতিচ্ছালাহ** অৰ্থাৎএতিয়া নমাজ আৰাম্ভ হ'বলৈ লৈছে দুবাৰ ক'ব লাগে।

(ঙ) ইকামত দিয়াৰ সময়ত আজানৰ দৰে যেতিয়া হাইয়্যা আলাছ ছালাহ আৰু হাইয়্যা আলাল ফালাহ বাক্য দুটা কোৱাৰ লগে লগে মুখমণ্ডল সোঁ ফালে আৰু বাওঁ ফালে কৰিব নালাগে।

اَللّٰهُ اَكْبَرُ اَللّٰهُ اَكْبَرُ اَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ اَشْهَدُ اَنَّ مُحَمَّدًا رَّسُوْلُ اللّٰهِ
حَیَّ عَلَی الصَّلٰوةِ حَیَّ عَلَی الْفَلَاحِ قَدْ قَامَتِ الصَّلٰوةُ قَدْ قَامَتِ الصَّلٰوةُ
اَللّٰهُ اَكْبَرُ اَللّٰهُ اَكْبَرُ لَا اِلٰهَ اِلَّا اللّٰهُ

**উচ্চাৰণ** ঃ-আল্লাহু আকবাৰ আল্লাহু আকবাৰ, আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহ, আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছুলুল্লাহ, হাইয়্যা আলা ছালাহ, হাইয়্যা আলাল ফালাহ, কাদ কামাতিছ ছালাহ,কাদ কামাতিছ ছালাহ,আল্লাহু আকবাৰ আল্লাহু আকবাৰ, লা ইলাহা ইল্লাল্লাহ।

**অর্থ ঃ-** আল্লাহ সর্ব শ্রেষ্ঠ, আল্লাহ সর্ব শ্রেষ্ঠ। মই সাক্ষী দিও যে আল্লাহৰ বাহিৰে কোনো উপাস্য নাই। মই সাক্ষী দিওঁ যে মহম্মদ (ছাঃ) আল্লাহৰ প্রেৰিত ৰছুল। নমাজৰ বাবে আহা। সফলতাৰ ফালে আহা।এতিয়াই নমাজ আৰম্ভ হ'বলৈ ধৰিছে,এতিয়াই নমাজ আৰাম্ভ হ'বলৈ ধৰিছে। আল্লাহ সর্ব শ্রেষ্ঠ,আল্লাহ সর্ব শ্রেষ্ঠ। আল্লাহৰ বাহিৰে কোনো উপাস্য নাই। হাদীছ অনুযায়ী আজান দিয়া জনেই ইকামত ক'ব লাগে।(ছুনন তিৰমিজি আবাওৱাবুছ ছালাত বাব মাজাআ আন্মা ইউআজ্জীন ফাহুৱা ইউকিম)
সেই বাবে নির্দিষ্ট ক্ষেত্রত মুয়াজ্জিন বা ইমামৰ অনুমতি ক্রমে বেলেগ কোনোবাই ইকামত ক'ব পাৰে।

**নিয়ত বা সংকল্প ঃ-** নিয়ত হ'ল নমাজ আদায় কৰাৰ এটা সংকল্প, এইটো নমাজৰ এটা বিশেষ অংশ। নমাজীয়ে মনে মনে এইটো নিয়ত কৰিব লাগে যে তেওঁ এইটো কোন ওৱাক্ত আৰু কোন প্রকাৰৰ (ফৰজ,ছুন্নত নে নফল) নমাজ পঢ়িবলৈ আৰম্ভ কৰিছে,লগতে কিমান ৰাকাত পঢ়িব সেয়াও নিয়তৰ অন্তর্ভুক্ত। মুখত উচ্চ শব্দৰে নিয়ত কৰাৰ কোনো প্রয়োজন নাই। আচলতে এজনৰ মনৰ ইচ্ছা বা সংকলনই যথেষ্ট। সেই কাৰণে নমাজ আদায়কাৰীয়ে নিয়তৰ লগত তওজীহ পাঠ কৰা দৰকাৰ। তওজীহ দ্বিতীয় খণ্ডত উল্লেখ কৰা হ'ল।

### জমা নমাজ

বিভিন্ন অৱস্থাৰ প্রেক্ষিতত দুই ওৱাক্তৰ নমাজ একেলগে আদায় কৰিব পৰা যায়। উদাহৰণ স্বৰূপে জহুৰৰ নমাজ কিবা কাৰণত আছৰৰ নমাজৰ লগত জমা নাইবা আছৰৰ নমাজ জহুৰৰ নমাজৰ লগত আদায় কৰি ল'ব পৰা যায়। আকৌ মাগৰিবৰ নমাজ ইশাৰ নমাজৰ লগত জমা নাইবা ইশাৰ নমাজ মাগৰিবৰ নমাজৰ লগতে জমা কৰি আদায় কৰিব পৰা যায়।

জমা নমাজ পঢ়িবলৈ হলে নিম্নোক্ত চৰ্ত সমূহ থকা দৰকাৰ।
(ক) যদি কোনো ব্যক্তি অসুস্থ হৈ পৰে।
(খ) যদি কোনো ব্যক্তি ভ্ৰমণত থাকে।
(গ) ধাৰাসাৰে বৰষুণ,ধুমুহা বতাহ আদিৰ সময়ত।
(ঘ) প্ৰবল বৰষুণৰ ফলত মছজিদত যোৱা অসুবিধা হলে।
(ঙ) কোনো ধৰ্মীয় অনুষ্ঠানৰ প্ৰয়োজন হলে।

জমা নমাজ পৰৱৰ্তী ওৱাক্তৰ লগত একেলগে আদায় কৰা অধিক পছন্দনীয়। পৰিস্থিতিত বাধ্য হৈ পূৰ্বৱৰ্তী ওৱাক্তৰ নমাজ,পৰৱৰ্তী ওৱাক্তৰ লগত একেলগ কৰি পঢ়িব পৰা যায়। যেনে আছৰৰ নমাজৰ লগত জহুৰৰ নমাজ পঢ়া। যেতিয়া নমাজ আদায় কৰা হয় তেতিয়া উভয় নমাজৰ আজান দিয়া সুচায়। কিন্তু ইকামত প্ৰত্যেক নমাজৰ আগমুহূৰ্তত দিব লাগিব। এইটো স্মৰণ ৰাখিবলগীয়া কথা যে নমাজ জমা আদায় কৰিলে দুয়ো ওৱাক্তৰ ছুন্নত নমাজ সমূহ পঢ়াৰ আৱশ্যকতা নহয়। কেৱল ফৰজ নমাজৰ ৰাকাতসমূহ আদায় কৰিব লাগে।কিন্তু মনত ৰাখিব লাগিব যে জুমাৰ নমাজৰ ফৰজ নমাজৰ আগত ছুন্নত আদায় কৰি ল'ব লাগিব।

জমা নমাজৰ ক্ষেত্ৰত ইমাম চাহাবে বা-জমাত আছৰৰ নমাজ পঢ়াই আছে,এনেকুৱা অৱস্থাত যদি কোনো মুক্তাদি (নমাজী ব্যক্তি) পলমকৈ উপস্থিত হয় আৰু তেওঁ নাজানে যে কোন ওৱাক্তৰ নমাজ হৈ আছে। তেনে ক্ষেত্ৰত তেওঁ লগে লগে নমাজত যোগ দিব লাগিব আৰু ইমামৰ লগত নমাজ শেষ কৰিব লাগিব, যদি এই ক্ষেত্ৰতো ৰাকাত এৰি যায় তেন্তে সেই ৰাকাত পূৰ্ণ কৰি নিজে ছালাম ফিৰাই নমাজ শেষ কৰিব লাগিব। পিছত যেতিয়া নমাজৰ শেষত তেওঁ জানিব পাৰিব যে তেওঁ এইটো ইমামৰ লগত আছৰৰ নমাজ আদায় কৰিলে। তেতিয়া তেওঁ অকলে নিয়তৰ সৈতে জহুৰৰ নমাজ আদায় কৰিব লাগিব। কিন্তু যদি মুক্তাদি জনে জানিব পাৰে যে ইমাম চাহাবে পৰৱৰ্তী নমাজ অৰ্থাৎ আছৰৰ নমাজ পঢ়াই আছে তেন্তে আগতে অকলে জহুৰৰ নমাজ পঢ়ি ল'ব লাগিব। তাৰ পিছত আছৰৰ নমাজত বা-জমাতৰ সৈতে যোগ দিব লাগিব। ইমামৰ অনুসৰণত নমাজ শেষ কৰোঁতে তাৰ

ৰাকাত বাকী থাকিলে সেয়া নিজে আদায় কৰি ছালাম ফিৰাব লাগে দৃষ্টান্তৰূপে আকৌ উল্লেখ কৰা হ'ল যে যদি ইমাম নমাজ বা-জমাত পঢ়াই আছে তেন্তে পলমকৈ অহা ব্যক্তি জনে মাগৰিবৰ নমাজ অকলে আদায় কৰি লৈ বা-জমাত ইশাৰ নমাজত ইমামৰ পিছত যোগ দিব লাগিব। যদি সেই ব্যক্তিজনে নাজানে যে ইমাম চাহাবে কোনটো ওৱাক্তৰ নমাজ আদায় কৰিবলৈ লৈছে তেন্তে সি মাগৰিবৰ নমাজৰ সংকল্পলৈ ইমামৰ পিছত থিয় দি নমাজ পঢ়ি ল'ব লাগিব। ইমামৰ অনুসৰণত নমাজ শেষ কৰাৰ পিছত তেওঁ জানিব পাৰিলে যে তেওঁৰ ইশাৰ নমাজ হে পঢ়া হ'ল, তেন্তে বাকী ৰৈ যোৱা মাগৰিবৰ নমাজ অকলে আদায় কৰিব লাগিব কাৰণ তাৰ ইশাৰ নমাজ বা-জমাত ইমামৰ পিছত সম্পূৰ্ণ হৈছে। সেই কাৰণে স্বাভাৱিক অৱস্থাত এজনে পূৰ্ব্বৱৰ্তী নমাজ প্ৰথমে আৰু পৰৱৰ্তী নমাজ পিছতেই আদায় কৰিব লাগিব।

## দ্বিতীয় খণ্ড

সাধাৰণতে ছালাত বা নমাজ বা-জমাত মছজিদত পঢ়া পছন্দীয়, মছজিদ মানে হ'ল এনেকুৱা এটা নিৰ্দিষ্ট স্থান য'ত আল্লাহ তায়লাৰ উপাসনা কৰাৰ বাবে উৎসৰ্গকৃত। কিন্তু নমাজ বেলেগ ঠাইতো পঢ়িব পৰা যায়। চৰ্ত হ'ল নমাজৰ বাবে নিৰ্বাচিত ঠাই ডোখৰ পৱিত্ৰ পৰিষ্কাৰ হ'ব লাগিব।

এজন ব্যক্তিয়ে নমাজ আদায় কৰিবলৈ লোৱাৰ আগত তাৰ শৰীৰ (পৱিত্ৰ) পৰিষ্কাৰ, ছাফ-চিকুন হোৱাটো অতি প্ৰয়োজনীয়,নিজৰ পিন্ধনত থকা কাপোৰসমূহ ছাফ-চিকুন হোৱা বুলি নিশ্চত হ'ব লাগিব। নমাজ পঢ়াৰ আগতে অজু কৰি আহি অন্যান্য নমাজী (মুক্তাদী)সকলৰ শাৰীত শাৰীবদ্ধ হৈ ইমামৰ পিছত থিয় দিয়া উচিত। নমাজ পৰিচালনাজনক ইমাম বোলে। ইমামৰ অনুসৰণত সকলোৱে কাবা মুখী হৈ থিয় দিব লাগে। মুক্তাদি সকলৰ শাৰী যথাৰ্থ ভাৱে পোন আৰু সমান্তৰাল হ'ব লাগে।কিন্তু কোনো পদ্ধেই পৰস্পৰৰ মাজত নমাজৰ ব্যাঘাত সৃষ্টি কৰিব নোৱাৰিব। হজৰত মহম্মদ (ছাঃ) নমাজত থিয় হোৱা মুক্তাদি সকলৰ শাৰী সমান্তৰাল আৰু পোন ৰখাৰ বাবে বিশেষ গুৰুত্ব প্ৰদান কৰিছে।

এনেকৈ ইমামৰ পিছত শাৰী পাতি থিয় হৈ প্ৰত্যেক জন নমাজ পঢ়োতাই সংকল্পবদ্ধ হ'ব লাগে যে তেওঁ এতিয়া কোন ওৱাক্তৰ নমাজ আদায় কৰিবলৈ লৈছে আৰু নিয়ত (ধ্যান নিবদ্ধ কৰণ) পাঠ কৰিব লাগে।

إِنِّي وَجَّهْتُ وَجْهِيَ لِلَّذِي فَطَرَ السَّمٰوٰتِ

وَالْأَرْضَ حَنِيفًا وَّمَا أَنَا مِنَ الْمُشْرِكِينَ۔

**উচ্চাৰণ** ঃ-ইন্নি ওৱাজ্জাহতু ওৱাজহিয়া লিল্লাজি ফাতাৰাছ ছামাওৱাতি ওৱাল আৰজা হানিফাও ওৱা মা আনা মিনাল মুশ্বৰিকিন।

**অৰ্থ** ঃ- নিশ্চয় মই মোৰ ধ্যান একনিষ্ঠ ভাৱে সেই সত্তাৰ প্ৰতি নিবদ্ধ কৰিছোঁ যিজনাই আকাশ আৰু পৃথিৱী সৃজন কৰিছে আৰু মই অংশীবাদী সকলৰ অন্তৰ্ভুক্ত নহয়।

নমাজ আৰম্ভ হোৱাৰ আগমুহূৰ্তত একামত অৰ্থাৎ এতিয়াই নমাজ আৰম্ভ হ'ব ধৰিছে এই ঘোষণা প্ৰদান কৰিব লাগে।



প্ৰত্যেকেই পৰিপূৰ্ণ মনোযোগ আৰু একাগ্ৰচিত্তেৰে নমাজত অৱস্থান কৰিব লাগে আৰু মনৰ পৰা সকলো পাৰ্থিৱ চিন্তা দূৰত ৰাখিব লাগে। তকবীৰে তাহৰিমাৰ (আল্লাহু আকবাৰ) দ্বাৰা নমাজ আৰম্ভ হয়।



অৰ্থাৎ ইমাম চাহাবে উভয় হাত কাণৰ লতি লৈকে উত্তোলন কৰি উচ্চস্বৰে আল্লাহু আকবাৰ (আল্লাহ সৰ্বশ্ৰেষ্ঠ)ধ্বনি হাত দুখন (বুকুৰ তলৰ পৰা নাভিলৈকে) পেটৰ ওপৰত সোঁহাত বাওঁহাতৰ ওপৰত মেৰিয়াই ৰাখিব লাগে।

পছত সকলো নমাজীয়েই  এনেকুৰা কৰিব লাগে। আল্লাহু আকবাৰ  মুক্তাদি মনে মনে ক'ব লাগে। আল্লাহু আকবাৰ ধ্বনিৰে হাত দুখন কাণৰ লতি পৰ্যন্ত উঠোৱা নবী কৰিম (ছাঃ)ৰ নীতি বা ছুন্নত। এই বিষয়ে সকলো ফিকাহ শাস্ত্ৰবিদ সকলে একমত পোষণ কৰিছে। অৱশ্যে মুছলমান সকলৰ ভিতৰত কিছুমান সম্প্ৰদায় বা দল (ফিৰকা) আছে যি বিলাক এক ৰাকাত নমাজতে একাধিক বাৰ কাণৰ লতি পৰ্যন্ত হাত উত্তোলন কৰে। যেনে- আল্লাহু আকবৰ  ধ্বনিৰে নমাজ আৰম্ভ কৰাৰ সময়ত হাত কাণলৈ উঠায় আকৌ ৰুকু লৈ যোৱাৰ আগমুহূৰ্তত হাত কাণৰ লতি লৈকে উঠায় আকৌ ৰুকুৰ পৰা থিয় হৈ ছিজদাহ লৈ যোৱাৰ আগত কাণৰ লতি পৰ্যন্ত হাত উঠায় ইত্যাদি। আমি ইছলামৰ ইতিহাস পঢ়িলে দেখিবলৈ পাওঁ যে- নবী কৰিম (ছাঃ) নুবুওয়াত লাভ কৰাৰ প্ৰাথমিক অৱস্থাত নমাজ বিভিন্ন অংশত একাধিক বাৰ (ৰফাইয়াদেন) হাত কাণৰ ওচৰলৈ কৰি নমাজ আদায় কৰিছিল। হাদীছৰ গ্ৰন্থ সমূহত এই পদ্ধতিৰ উল্লেখ পোৱা যায়। কিন্তু এই পদ্ধতিত তেখেত (ছাঃ)ও সদায় নমাজ আদায় কৰা নাছিল। অন্যান্য কিছুমান হাদীছৰ পৰা জনা যায় যে- তেখেত (ছাঃ) প্ৰত্যেক নমাজৰ প্ৰথম ৰাকাতত তকবীৰ তাহৰীমাৰ বাদে কেতিয়াও হাত কাণলৈ উঠোৱা নাছিল। হজৰত আব্দুল্লা ইবনে মাছউদ (ৰাঃ) বৰ্ণনা কৰিছে যে- আহা মই নবী কৰিম (ছাঃ)



কেনেকৈ  নমাজ পঢ়িছে দেখুৱাওঃ- আব্দুল্লাহ ইবনে মাছুদ (ৰাঃ)নমাজ পঢ়ি দেখুৱালে লগতে এবাৰ মাত্ৰ হাত কাণলৈ উত্তোলন কৰিলে অৰ্থাৎ প্ৰথমতে তকবীৰ তাহৰিমাৰ সময়ত হাত ওপৰলৈ উঠায়। কাণৰ লতি পৰ্যন্ত দুয়োখন  হাত উঠোৱাৰ লগে লগে আল্লাহ আকবৰ ধ্বনি উচ্চাৰণ কৰি ইমাম চাহাব হাত দুখন তললৈ নমাই বুকুৰ সমীপত সোঁহাত খন বাওঁহাতৰ ওপৰত ৰাখি মেৰিয়াই ধৰি থাকে। নমাজী তাৰ প্ৰভুৰ ওচৰত খুবেই বিনম্ৰ ভাবে থিয় দিয়ে। অতিকৈ

সন্মানৰ সৈতে বুকুত হাত বান্ধি কোমল হৃদয়ৰ সৈতে থিয় হোৱাকেই **কিয়াম** বুলি কয়। এই কিয়ামৰ মাজত বিভিন্নতা আছে । কিছুমান মুছলমান হাত দুখন ভাজ কৰি মেৰিয়াই লয়, সিহঁতৰ নাভিৰ ওপৰত বা অলপ তলত। আকৌ কিছুমান ৰাখে সিহঁতৰ নাভিৰ ওপৰৰ পেট খিনিত আনকি বুকুৰ তলৰ ঠাইখিনিত, এই বিলাক হ'ল সন্মান প্ৰদৰ্শন কৰাত চিহ্ন বা প্ৰতীক। সংকীৰ্ণ মনলৈ এইবিলাক সৰু সৰু বিষয় সমূহৰ বাবে বিতৰ্ক সৃষ্টি কৰা উচিত নহয়। এইটো এটা লক্ষ্য কৰিবলগীয়া বিষয় যে- সাধাৰণতে ছুন্নীসকলৰ মাজত থকা মালিকী ফিৰ্কা বা মযহব (সম্প্ৰদায়) আৰু ছিয়া সম্প্ৰদায় লোক সকলে হাতৰ ওপৰত হাত বান্ধি বুকু, পেট, নাভি আদিৰ ওপৰত নাৰাখে। সিহঁতে হাত দুখন তলৰ পিনে পোনকৈ ৰাখে। কিন্তু এনেকুৱা কৈ হাত ৰখাৰ সমৰ্থনত নবী কৰিম (ছাঃ)য়ে এনেকুৱা কৰিছিল। তথাপি সিহঁতৰ নমাজ অবৈধ বুলি ফতুৱা দিবলৈ কাৰো অধিকাৰ নাই। তকবীৰে তাহৰিমা পাঠ কৰাৰ পিছত প্ৰত্যেকেই মনে মনে নিঃশব্দতে ছানা পঢ়িব লাগে- তলত আৰবীত ছানা উল্লেখ কৰা হ'ল-

سُبْحٰنَكَ اللّٰهُمَّ وَبِحَمْدِكَ وَتَبَارَكَ اسْمُكَ
وَتَعَالٰى جَدُّكَ وَلَآ اِلٰهَ غَيْرُكَ۔

**উচ্চাৰণ** ঃ- ছুবহানাকা আল্লাহুম্মা ওৱা বিহামদিকা ওৱা তাবাৰাকাছ মুকা ওৱা তা'আলা জাদ্দুকা ওৱা লা ইলাহা গায়ৰুকা।

**অৰ্থ** ঃ- হে আল্লাহ! পৰিত্ৰতা তোমাৰেই আৰু তোমাৰেই প্ৰশংসা আৰু পৰম বৰকত ও কল্যাণময় তোমাৰ নাম, আৰু তোমাৰ মৰ্যদা বহু উচ্চ আৰু তুমি অবিহনে কোনো উপাস্য নাই। (তিৰমিজী, কিতাবুছালাত, মাইয়া কুলু ইনদা ইফতাহিছ ছালাত, ছুনানে নিছাঈ, কিতাবুল ইফতাহ বাবুছ জিকৰ বায়নাছ

ছালাত ওয়া বায়নাল কিৰ-আত)

হাদীছৰ পৰা জনা যায় যে- কেতিয়াবা কেতিয়াবা নবী কৰিম (ছাঃ) এই গুণ-কীৰ্ত্তনৰ পৰিৱৰ্তে বেলেগ আয়াত পাঠ কৰিছে কিন্তু খুবেই জনাজাত আৰু প্ৰায় ভাগেই অৰ্থাৎ অধিক নমাজতেই এইটো পাঠ কৰিছিল। উপযুক্ত গুণ-কীৰ্তনৰ পিছত মনে মনে অৰ্থাৎ নিঃশব্দে নিম্নোক্ত **তাউজ-তাছমিয়া** পাঠ কৰিব লাগে।

أَعُوذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ

**উচ্চাৰণ** ঃ-আউজুবিল্লাহি মিনাশ শ্বায়তানিৰ ৰাজিম।
**অৰ্থ** ঃ- বিতাড়ীত হোৰা চয়তানৰ পৰা মই আল্লাহৰ আশ্ৰয় বিচাৰোঁ। তাউজ পাঠ কৰাৰ পিছত ইমাম চাহাবে উচ্চস্বৰে বা নিঃশব্দৰে বিছমিল্লাহ বা তাছমিয়া পাঠ কৰে। লগে লগে জমাতৰ মুক্তাদি সকলে নিঃশব্দৰে এইটো পাঠ কৰিব লাগে।

بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ۝١

**উচ্চাৰণ** ঃ-বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম।
**অৰ্থ** ঃ- পৰম কৰুণাময়,পৰম দানশীল আল্লাহৰ নামত।

হাদীছৰ পৰা জনা যায় যে নবী কৰিম (ছাঃ)কোনো কোনো সময়ত বিছমিল্লাহ (তাছমিয়া) জোৰকৈ অৰ্থাৎ শব্দ কৰি কৈছিল আকৌ কোনো কোনো সময়ত মনে মনে শব্দ নোহোৱাকৈ কৈছিল। মুছলমান সকলৰ ভিতৰত আৰব দেশ বিলাকৰ মানুহে এয়া জোৰকৈ পাঠ কৰে কিন্তু হানাফী সকলে অন্যান্য মুছলমান সকলতকৈ বেছি সংখ্যকে নিঃশব্দে পাঠ কৰে।

ইয়াৰ পিছত ইমাম চাহাবে চুৰা ফাতিহা পাঠ কৰে। ফজৰ, মগৰিব আৰু ইশাৰ নমাজত চুৰা ফাতিহা আৰু অন্য চুৰা মিলাই আয়াতৰ সৈতে অৰ্থাৎ শব্দ কৰি পাঠ কৰা হয়। লগতে মুক্তাদি সকলে মনে মনে শুনি

অনুসৰণ কৰে।আকৌ জহুৰ আৰু আছ্‌ৰৰ নমাজত এই ধৰণে কিৰাত নহয়,নিঃশব্দে পাঠ কৰা হয় আৰু অন্যান্য নমাজী সকলে ইমামৰ অনুসৰণত কেৱল চুৰা ফাতিহা পাঠ কৰে।

ইমাম চাহাবে জোৰকৈ (কিৰাতৰ সৈতে) চুৰা ফাতিহা পাঠ কৰা উচিত। চুৰা ফাতিহা পাঠ কৰা সময়ত আয়াত সমূহৰ মাজে মাজে সামান্য বিৰতিৰ সৈতে আয়াতৰ পিছ্‌ত আয়াত পাঠ কৰা হয়।

চুৰা ফাতিহা ঃ-

اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۝٢ الرَّحْمٰنِ الرَّحِيْمِ ۝٣

مٰلِكِ يَوْمِ الدِّيْنِ ۝٤ اِيَّاكَ نَعْبُدُ وَ اِيَّاكَ نَسْتَعِيْنُ ۝٥

اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۝٦ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ

غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ۝٧ (1:2-7)

**উচ্চাৰণ ঃ-** আলহামদুলিল্লাহিৰাববিল আলামিন। আৰৰাহমানিৰ ৰাহিম। মালিকি ইয়াউমিদ্দিন। ইয়্যাকানাবুদু ওৱা ইয়্যাকানাছতাইন। ইহদিনাছ ছিৰাতাল মুছতাকিম।ছিৰাতাল্লাজিনা আনআমতা আলাইহিম। গাইৰিলমাগজুবি আলাইহিম ওৱালাজ্জাল্লিন। আমিন

**অৰ্থ ঃ-** সকলো প্ৰশংসা বিশ্ব ব্ৰাহ্মাণ্ডৰ প্ৰতিপালক আল্লাহৰ।পৰম কৰুণাময় পৰম দানশীল। শেষ বিচাৰৰ দিনৰ গৰাকী। আমি তোমাৰেই মাথোন আৰাধনা কৰো,আৰু তোমাৰেই মাথোন সহায় বিচাৰোঁ। আমাক সজ বাটেদি লৈ যোৱা। যিসকলৰ প্ৰতি অনুগ্ৰহ কৰিছা, তেওঁলোকৰ বাটেদি; যিসকলৰ ওপৰত তোমাৰ ক্ৰোধ প্ৰকাশ হৈছে আৰু যিসকল বিপথে গৈছে সিহঁতৰ বাটেদি নহয়।

চুৰা ফাতিহা পাঠৰ শেষত মুক্তাদী সকলে আমিন কয়। ইয়াৰ অৰ্থ হ'ল,হে আল্লাহ (আমাৰ দোৱা) গ্ৰহণ কৰা। ইছলামৰ বিভিন্ন ফিৰকা বা দল যেনে মালেকী,শ্বাফী আৰু হাম্বলী মতাৱলম্বী সকলে আমীন উচ্চস্বৰত কয়। কিন্তু হানাফি ফিৰকা বা দলৰ লোকসকলে মনে মনে নিঃশব্দে আমীন কয়।

উভয় প্ৰকাৰৰ পদ্ধতিয়েই শুদ্ধ। ছালাত বা নমাজ শুদ্ধ বা অশুদ্ধ কৰাৰ ক্ষেত্ৰত ইয়াৰ কোনো ধৰণৰ ভূমিকা নাই এজনে যি উভয় পদ্ধতিৰ যিকোনো পদ্ধতি অৱলম্বন কৰিব পাৰে অৰ্থাৎ আমিন জোৰকৈ অথবা মনে মনে কোৱা এই ক্ষেত্ৰত কোনোবাই কাকো বাধা প্ৰদান কৰিব নোৱাৰে। যথা সম্ভৱ অন্য নমাজী সকলৰ কোনো ধৰণৰ অসুবিধা নহয়। ইয়াৰ পিছত ইমাম চাহাবে পৱিত্ৰ কোৰাণ কৰিমৰ কিছু অংশ তিলাওত কৰিব,সেয়া কমপক্ষে তিনি আয়াত অথবা এটা সৰু চুৰা যেনে চুৰা এখলাচ ঃ-

بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ۝

قُلْ هُوَ اللّٰهُ اَحَدٌ ۝ اَللّٰهُ الصَّمَدُ ۝ لَمْ يَلِدْ ۝

وَلَمْ يُوْلَدْ ۝ وَلَمْ يَكُنْ لَّهٗ كُفُوًا اَحَدٌ ۝

**উচ্চাৰণ** ঃ-বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম। কুল হুৱাল্লাহু আহাদ। আল্লাহুছ ছামাদ। লাম ইয়ালিদ ওৱা লাম ইউলাদ। ওৱা লাম ইয়া কুল্লাহু কুফুআন আহাদ।

**অৰ্থঃ**- পৰম কৰুণাময় পৰম দানশীল আল্লাহৰ নামত। কোৱা,সেইজনা হৈছে আল্লাহ এক আল্লাহ। আল্লাহ স্বনিৰ্ভৰশীল আৰু সকলোৰে কাকুতি-মিনতিৰ পাত্ৰ। সেইজনাই জন্ম নিদিয়ে, সেইজনাকো কোনেও জন্ম দিয়া নাই। আৰু সেইজনাৰ দৰে আন কোনো নাই।

بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ۝١

قُلْ اَعُوْذُ بِرَبِّ الْفَلَقِ ۝٢

مِنْ شَرِّ مَا خَلَقَ ۝٣

وَمِنْ شَرِّ غَاسِقٍ اِذَا وَقَبَ ۝٤

وَمِنْ شَرِّ النَّفّٰثٰتِ فِى الْعُقَدِ ۝٥

وَمِنْ شَرِّ حَاسِدٍ اِذَا حَسَدَ ۝٦ ع

**উচ্চাৰণ ঃ-** বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম। কুল আউজুবিৰাববিল ফালাক। মিন শ্বাৰৰি মা খালাক। ওৱা মিন শ্বাৰৰি গাছিকিন ইজা ওৱাকাব। ওৱা মিন শ্বাৰৰিন নাফাছাতি ফিল ওকাদ । ওৱা মিন শ্বাৰৰি হাছিদিন ইজা হাছাদ।

**অৰ্থঃ-** পৰম কৰুণাময় পৰম দানশীল আল্লাহৰ নামত।কোৱা, মই আশ্ৰয় বিচাৰোঁ সৃষ্টিৰ প্ৰভুজনাত। সেইজনাৰ সৃষ্টিৰ অসততাৰ পৰা। আৰু অসততাৰ অন্ধকাৰৰ পৰা যেতিয়া ই বিস্তৃত হৈ পৰে। আৰু অসততাৰ পৰা সেই সকলক, যি পাৰস্পৰিক ভাল সমন্ধৰ বন্ধন ভাঙিবলৈ চেষ্টা কৰে। আৰু অসততাৰ পৰা হিংসাকুৰীয়া জনৰ যি হিংসা কৰে।

**চুৰা আন-নাছ ঃ-**

بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ①

قُلْ اَعُوْذُ بِرَبِّ النَّاسِ ②

مَلِكِ النَّاسِ ③

اِلٰهِ النَّاسِ ④

مِنْ شَرِّ الْوَسْوَاسِ الْخَنَّاسِ ⑤

الَّذِيْ يُوَسْوِسُ فِيْ صُدُوْرِ النَّاسِ ⑥

مِنَ الْجِنَّةِ وَالنَّاسِ ⑦

**উচ্চাৰণ ঃ-**বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম। কুল আউজুবিৰাববিন নাছ।মালিকিন নাছ। ইলাহিন নাছ। মিন শ্বাৰৰিল ওৱাছ ওৱাছিল খান্নাছ। আল্লাজি ইউওৱাছৱিছু ফি ছুদুৰিন্নাছ। মিনাল জিন্নাতি ওৱান্নাছ।

**অৰ্থ ঃ-** পৰম কৰুণাময় পৰম দানশীল আল্লাহৰ নামত। কোৱা, মই আশ্ৰয় বিচাৰোঁ মানৱ জাতিৰ প্ৰভুত। মানৱ জাতিৰ ৰজাত। মানৱ জাতিৰ আল্লাহত।লুকাই লুকাই,ফুচফুচাই ফুৰা সকলৰ অসৎ ফুচফুচনিৰ পৰা। যি মানৱৰ অন্তৰলৈ ফুচফুচায়। জিন আৰু মানৱৰ মাজৰ পৰা।

উদাহৰণ স্বৰূপে আমি ওপৰত কোৰাণ কৰিমৰ পৰা কেইটামান চুৰা উপস্থাপন কৰিছোঁ। কিন্তু ইমাম চাহাবে নমাজত চুৰা ফাতিহাৰ পিছত কোৰাণ কৰিমৰ যিকোনো অংশ পাঠ কৰিব পাৰে।

নমাজত ইমাম চাহাবে কোৰাণ কৰিমৰ আয়াত সমূহ তিলাওত কৰাৰ সময়ত মুক্তাদি সকলে মনে মনে থাকি শুনিব লাগে পৱিত্ৰ কোৰাণ কৰিমত উল্লেখ আছে ঃ-

وَإِذَا قُرِئَ الْقُرْآنُ فَاسْتَمِعُوا لَهُ وَأَنصِتُوا
لَعَلَّكُمْ تُرْحَمُونَ ۝

(7:205)

**উচ্চাৰণ** ঃ-ওৰা ইজা কুৰিয়াল কুৰাআনু ফাছতামিয়ু লাহু ওৰা আনছিতু লাআল্লাকুম তুৰহামুন। (৭ঃ ২০৫)

**অৰ্থ** ঃ- আৰু যেতিয়া কোৰাণ পাঠ কৰা হয় তেতিয়া তাক কাণ পাতি শুনিবা আৰু নীৰৱ থাকিবা, তোমালোকৰ প্ৰতি যেন কৰুণা প্ৰদৰ্শন কৰা হয়।

নবী কৰিম (ছাঃ) য়ে চাহাবা সকলক কৈছিল নমাজত চুৰা ফাতিহা অবিহনে ইমামৰ লগত সমানে কোৰাণৰ বেলেগ আয়াত তিলাওত নকৰিব। চুৰা ফাতিহা নমাজৰ অবিচ্ছেদ অংশ সেই হেতুকে প্ৰত্যেকেই পাঠ কৰা জৰুৰী।

তিলাওত শেষ হোৱাৰ পিছত ইমাম চাহাব থিয় হৈ থকাৰ পৰা আল্লাহু আকবাৰ ধ্বনিৰ সৈতে মূৰ হালি বিনত অৱস্থাত হাত দুখন দুই আঁঠুৰ ওপৰত চপাই লোৱাকে ৰুকু বোলে। মুক্তাদি সকলে ইমামক অনুসৰণ কৰি ৰুকু কৰিব লাগে। এই অৱস্থাত (ৰুকু অৱস্থাত) প্ৰত্যেকজন নমাজীৰ সোঁ হাত সোঁ ভৰিৰ আঁঠুৰ ওপৰত বাওঁ হাত বাওঁ ভৰিৰ আঁঠুৰ ওপৰত ৰাখিব লাগে।





ৰুকুৰ বিনয়ী অৱস্থাত নিম্নলিখিত তছবিহ মনে মনে ৩ বাৰ নাইবা অধিক বাৰ বেযোৰ সংখ্যাত পাঠ কৰিব।

سُبْحَانَ رَبِّيَ الْعَظِيْمِ

**উচ্চাৰণ** ঃ- ছুবহানা ৰাববিয়াল আজিম।
**অৰ্থ** ঃ- পৱিত্ৰ মোৰ প্ৰভু প্ৰতিপালক অতি মহান।



উপযুক্ত বাক্য পাঠ কৰাৰ পিছত ইমাম চাহাব থিয় হ'ব দুই হাত দুয়ো কাষত পোনকৈ ৰাখিব। যেতিয়া থিয় হ'বলৈ ধৰিব উচ্চস্বৰত **তাছমি** পাঠ কৰিব। ইয়াৰ দ্বাৰা মুক্তাদি সকলে বুজি পাব যে ৰুকু শেষ কৰি থিয় হ'ব ধৰিছে **তাছমি** তলত উল্লেখ কৰা হ'ল।

سَمِعَ اللّٰهُ لِمَنْ حَمِدَهٗ

**উচ্চাৰণ** ঃ- ছামি আল্লাহু লিমান হামিদাহ।

**অৰ্থ** ঃ-আল্লাহ সেইজনাৰ কথা শুনে যিজনে সেইজনাৰ (আল্লাহৰ) প্ৰশংসা কৰে।
ইমামৰ পিছত থকা মুক্তাদি সকলে নিম্নোক্ত তাহমিদ পাঠ কৰিব।

رَبَّنَا وَلَكَ الْحَمْدُ حَمْدًا كَثِيْرًا طَيِّبًا مُبَارَكًا فِيْهِ

**উচ্চাৰণ ঃ-** ৰাববানা ওৱা লাকাল হামদ, হামদান কাছিৰান তায়িবান মুবাৰাকান ফিহি।

**অৰ্থ ঃ-** হে মোৰ প্ৰভু ! তোমাৰ বাবেই প্ৰশংসা,বহু প্ৰশংসা,গুণগান,অধিক পৱিত্ৰতা য'ত কেৱল কল্যাণ নিহিত আছে।

এই তাহমিদ থিয় হৈ থকা অৱস্থাৰ মাজত পাঠ কৰিব লাগে। ইমাম চাহাবে পুনৰ আল্লাহু আকবাৰ ধ্বনি উচ্চাৰণ কৰি ছিজদালৈ যাব। মুক্তাদি সকলে অনুৰূপ ভাৱে ছিজদালৈ যাব, ছিজদা অৱস্থাত প্ৰথমে আঁঠু দুখন মাটিত পেলাই হাত দুখন মাটিত মনিবন্ধন লৈকে পাৰি দি মূৰ ভূমিত স্পৰ্শ কৰিব লাগিব। তলত দিয়া ছবিৰ দৰে -



এই অৱস্থাত নমাজীৰ আঁঠু, হাত,নাক,আৰু কপাল ভূমি চুই বা স্পৰ্শ কৰিব লাগিব। বাহু দুখন ভূমিৰ পৰা আৰু বেলেগ নমাজীৰ পৰা আঁতৰত ৰাখিব।ৰছুলে কৰিম (ছাঃ)য়ে কৈছে, যেতিয়া তুমি ছিজদাত থাকিবা তেতিয়া তোমাৰ শৰীৰৰ অংগ সমূহ যথাৰ্থ ভাৱে ভূমিত স্থাপন কৰিবা কিন্তু কোনো পদ্ধেই তোমাৰ বাহু দুখন ভূমিত পাৰি (বিছাই) নিদিবা যেনেকৈ কুকুৰে বহাৰ সময়ত তাৰ ভৰি দুখন আগফালে মাটিত পাৰি দিয়ে।(মছনদ আহমদ বিন হাম্বল পৃষ্ঠা ১৭৯,আল মাকতাব আল ইছলামী ছপাখানা,প্ৰথম প্ৰকাশ বৈৰুত) ছিজদাৰত অৱস্থাত নমাজীৰ হাতৰ আঙুলি সমূহ একত্ৰিতহৈ কাবাৰ ফালে পোনকৈ থাকিব। ভৰি দুখনৰ পতা থিয় হৈ থাকিব,আৰু ভৰিৰ আঙুলি ভাজ হৈ কাবা মুখী হ'ব।

ছিজদা অৱস্থাত কমপক্ষে তিনিবাৰ তলত উল্লেখিত তছবিহ্ পাঠ কৰিব লাগিব। যদি কোনোবাই এই তছবিহ তিনিবাৰতকৈ অধিক পাঠ কৰিব বিচাৰে তেন্তে বেযোৰ সংখ্যাত পাঠ কৰিব পাৰিব।

سُبْحَانَ رَبِّيَ الْأَعْلٰى

**উচ্চাৰণ** ঃ-ছুবহানা ৰাববিয়াল আলা।

**অৰ্থ** ঃ-পৱিত্ৰ মোৰ প্ৰতিপালক অতিকৈ উচ্চ।

ছিজদা হ'ল- পৰম বিনয়,নম্ৰ, কোমলতাৰ সমৰ্পিত আৰু অসহায় অৱস্থাৰ প্ৰতীক। ইয়াতেই প্ৰত্যেক জন মুছলমান তাৰ সৰ্বশক্তিমান আল্লাহ তায়লাৰ ওচৰত নিজৰ হৃদয়ক সমৰ্পন কৰি দয়া আৰু ক্ষমা ভিক্ষা কৰা।

এইটো মানত ৰাখিবলগীয়া বিষয় যে নবী কৰিম (ছাঃ) ৰুকু আৰু ছিজদাত থকা সময়ত কোৰাণৰ আয়াত পাঠ কৰিবলৈ নিষেধ কৰিছে। (ছহী মুছলিম কিতবুছ ছালাত বাব আননাহি আন কিৰাতিল কোৰাণ ফিৰ ৰুকুই ওৱাছ ছুজুদ)

ইয়াৰ পিছত ইমাম চাহাবে আল্লাহু আকবাৰ উচ্চস্বৰত ক'ব লগতে নিজৰ মূৰ ছিজদাৰ পৰা তুলি ল'ব।লগে লগে মুক্তাদি সকলেও নিজৰ নিজৰ মূৰ ভূমিৰ পৰা উঠাই পৰ্যায়ক্ৰমে হাত দুখন উঠাই উৰুৰ ওপৰত ৰাখি বহি থকাৰ অৱস্থালৈ যাব, ইয়াকেই বৈঠক বুলি কোৱা হয়। যেতিয়া এনেকৈ বহে তেতিয়া নমাজী তাৰ বাওঁ ভৰিৰ পতা পাৰি (বিছাই) দি তাৰ ওপৰত বহিব আৰু সোঁ ভৰিৰ আঙুলি ভাজলগাই কাবামুখী কৰি লৈ গোড়ালী আৰু পতা থিয় কৰাই ৰাখিব। এনেকুৱা অৱস্থাত হাত দুখন আঁঠুৰ ওচৰা-ওচৰি উৰুৰ ওপৰত আঙুলিবোৰ কাবা মুখীকৈ ৰাখিব আৰু তলত উল্লেখিত দোৱা পাঠ কৰিব। এইটো হ'ল দুই ছিজদাৰ মাজৰ দোৱা।

اَللّٰهُمَّ اغْفِرْلِيْ وَارْحَمْنِيْ وَاهْدِنِيْ وَعَافِنِيْ

وَاجْبُرْنِيْ وَارْزُقْنِيْ وَارْفَعْنِيْ

**উচ্চাৰণ** ঃ-আল্লাহুম্মাগ ফিৰলি ওৱাৰহামনি ওৱাহদিনি ওৱা আফিনি

ওৱাজবুৰনি ওৱাৰজুকনি ওৱাৰফানি।

**অৰ্থ** ঃ-হে আল্লাহ ! মোক ক্ষমা কৰা মোৰ প্ৰতি দয়া কৰা আৰু মোক সঠিক বাটত পৰিচালনা কৰা আৰু মোক সুস্থ ৰখা আৰু মোৰ বিশৃংখলতা দূৰ কৰি দিয়া আৰু মোক জীৱন ধাৰণৰ উপকৰণ সমূহ দান কৰা আৰু মোক (আধ্যাত্মিক ভাৱে) তোমালৈ উন্নীত কৰা।

উক্ত বৈঠকত মনে মনে দোৱাটো পাঠ কৰাৰ পিছত ইমাম চাহাবে আল্লাহু আকবাৰ উচ্চস্বৰে কোৱাৰ লগে লগেই দ্বিতীয়বাৰ ছিজদালৈ যাব। মুক্তাদি সকলেও ইমামৰ অনুসৰণ কৰিব অৰ্থাৎ ছিজদাহ কৰিব। এই দ্বিতীয় ছিজদাৰ সময়তো ছুবহানা ৰাববিয়াল আলা সকলোৱে তিনি বাৰ বা তাতকৈ অধিক বেযোৰ সংখ্যাত পাঠ কৰিব। এই ধৰণৰ নমাজৰ প্ৰত্যেক ৰাকাতত দুটাকৈ ছিজদা কৰিব।দ্বিতীয় ছিজদা সমাপ্তক এক ৰাকাত নমাজ হোৱা বুজায়। ইয়াৰ পিছত ইমাম চাহাবে আল্লাহু আকবাৰ উচ্চস্বৰে কৈ থিয় হ’ব,লগতে মুক্তাদি সকলেও ইমামৰ দৰেই শাৰীত থিয় হ’ব। ইমাম চাহাবে প্ৰথম ৰাকাতৰ দৰে দ্বিতীয় ৰাকাতৰ নমাজ আদায় কৰিব।



কিন্তু দ্বিতীয় ৰাকাত নমাজৰ প্ৰথমতে ছানা বা তাউজ আদি পাঠ কৰিব নালাগিব। ছানা আৰু তাউজ প্ৰত্যেক নমাজৰ প্ৰথম ৰাকাতত পাঠ কৰিব লাগে। ইমাম চাহাবে চুৰা ফাতিহা পাঠৰ পিছত পৱিত্ৰ কোৰাণ কৰিমৰ কিছুমান আয়াত পাঠ কৰি প্ৰথম ৰাকাতৰ দৰে দ্বিতীয় ৰাকাত নমাজ আদায় কৰিব। দ্বিতীয় ৰাকাতৰ শেষ ছিজদাৰ পিছত ইমাম চাহাবৰ সৈতে মুক্তাদি সকলেও বহি যাব লাগে।

এই বহি যোৱা সময়খিনিক **কাদাহ** বোলে। এই কাদাহ অৱস্থাত নিঃশব্দেৰে ( تَشَهُّد ) তাশ্বাহ্হুদ পাঠ কৰিব লাগে। যাক আমি আত্তাহিয়াতু বুলিও কওঁ। তাশ্বাহুদ নিম্নৰূপ ঃ-

اَلتَّحِيَّاتُ لِلّٰهِ وَالصَّلَوٰتُ وَالطَّيِّبَاتُ اَلسَّلَامُ عَلَيْكَ
اَيُّهَا النَّبِيُّ وَرَحْمَةُ اللّٰهِ وَبَرَكَاتُهٗ اَلسَّلَامُ عَلَيْنَا

وَعَلٰى عِبَادِ اللّٰهِ الصّٰلِحِيْنَ۔ اَشْهَدُ اَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ وَ
وَاَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ۔

**উচ্চাৰণ** ঃ-আত্তাহিয়াতু লিল্লাহি ওৱাছছালাওৱাতু ওৱাত্তায়িবাতু আচ্ছালামু আলাইকা আয়ুহান্নাবিয়ু ওৱা ৰাহমাতুল্লাহি ওৱা বাৰাকাতুহু,আচ্ছালামু আলাইনা ওৱা আলা ইবাদিল্লাহিছ ছালিহিন, আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওৱাআশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওৱা ৰাছুলুহ।

**অৰ্থ** ঃ-সকলো মৌলিক,দৈহিক আৰু আৰ্থিক এবাদত আল্লাহৰ বাবেই; হে নবী কৰিম (ছাঃ)। তোমাৰ ওপৰত শান্তি আৰু আল্লাহ তায়লাৰ কৰুণা আৰু কল্যাণৰাজিসমূহ। শান্তি আমাৰ ওপৰত আৰু আল্লাহৰ পুণ্যবান সকলৰ ওপৰত। মই সাক্ষী দিওঁ যে আল্লাহৰ বাহিৰে অন্য কোনো উপাস্য নাই আৰু মই সাক্ষী দিওঁ যে মহম্মদ (ছাঃ)তাৰ দাস আৰু প্ৰেৰিত ৰছুল।



এইটো লক্ষ্য কৰিবলগীয়া যে যেতিয়া এজন নমাজী তাশ্বাহ্হুদ (আত্তাহিয়াতু) পাঠ কৰে আৰু আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু বাক্যাংশ উচ্চাৰণ কৰে তেতিয়া তাৰ সোঁ হাতৰ তৰ্জনী আঙুলি উঠোৱাই ইঙ্গিত এটা বহন কৰে আৰু বাক্যাংশটোৰ ইলাহা ইল্লাল্লাহুৰ উচ্চাৰণৰ লগে লগে আঙুলি নমাই ল'ব লাগে। হাদীছৰ গ্ৰন্থ সমূহত এইটো উল্লেখ আছে যে নবী কৰিম (ছাঃ) সোঁ হাতখন আঁঠুৰ ওপৰত ৰখা অৱস্থাত বুঢ়া আঙুলিৰ বাহিৰে বাকী আঙুলি কেইটা একেলগে চপাই ৰাখিছিল আৰু তৰ্জনী আঙুলিটো ওপৰলৈ উঠাই আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু বাক্যাংশ পাঠ শেষ কৰাৰ লগে লগেই আগৰ স্থানলৈ নমাই লৈছিল। বাওঁ হাতৰ আঙুলি বাওঁ আঠুৰ কাষত উৰুৰ ওপৰত চপাই পোনকৈ ৰাখিছিল। তাশ্বাহ্হুদ (আত্তাহিয়াতু) পাঠ কৰাৰ পিছত নবী কৰিম (ছাঃ)ৰ বাবে কৰুণাৰ কামনা কৰা হয়। যাক দৰুদ বোলে। লগতে আৰু কিছুমান দোৱা পাঠ কৰা হয়।

## (دروُد شریف) দৰুদ শ্বৰীফ

اَللّٰهُمَّ صَلِّ عَلٰى مُحَمَّدٍ وَّعَلٰى اٰلِ مُحَمَّدٍ كَمَا صَلَّيْتَ عَلٰى اِبْرَاهِيْمَ وَعَلٰى اٰلِ اِبْرَاهِيْمَ اِنَّكَ حَمِيْدٌ مَّجِيْدٌ۔ اَللّٰهُمَّ بَارِكْ عَلٰى مُحَمَّدٍ وَّعَلٰى اٰلِ مُحَمَّدٍ كَمَا بَارَكْتَ عَلٰى اِبْرَاهِيْمَ وَعَلٰى اٰلِ اِبْرَاهِيْمَ اِنَّكَ حَمِيْدٌ مَّجِيْدٌ۔

**উচ্চাৰণ** ঃ-আল্লাহুম্মা ছাল্লি আলা মুহাম্মাদিও ওৱা আলা আলি মুহাম্মাদিন কামা ছাল্লায়তা আলা ইব্ৰাহিমা ওৱা আলা আলি ইব্ৰাহিমা ইন্নাকা হামিদুম মাজিদ, আল্লাহুম্মা বাৰিক আলা মুহাম্মাদিন ওৱা আলা আলি মুহাম্মাদিন কামা বাৰাকতা আলা ইব্ৰাহিমা ওৱা আলা আলি ইব্ৰাহিমা ইন্নাকা হামিদুম মাজিদ।

**অৰ্থ** ঃ- হে আল্লাহ! তুমি মহম্মদ (ছাঃ)আৰু তাৰ বংশধৰ সকলৰ ওপৰত কৰুণা বৰ্ষণ কৰা যেনেকৈ তুমি ইব্ৰাহিমৰ আৰু তাৰ বংশধৰ সকলৰ ওপৰত কৰুণা দান কৰিছিলা, নিশ্চয় তুমি প্ৰশংসিত মহা মৰ্যদাবান।

হে আল্লাহ ! তুমি মহম্মদ (ছাঃ)ৰ আৰু তাৰ বংশধৰ সকলৰ ওপৰত তোমাৰ অজস্ৰ কল্যাণ দান কৰা, যেনেকৈ তুমি ইব্ৰাহিম (আঃ) আৰু তাৰ বংশধৰ সকলৰ ওপৰত কল্যাণ দান কৰিছিলা, নিশ্চয় তুমি প্ৰশংসিত মহা মৰ্যদাবান।

দৰুদ পাঠ কৰাৰ পিছ্‌ত আৰু কিছুমান সৰু সৰু দোৱা পাঠ কৰিব লাগে যিবিলাক তলত উল্লেখ কৰা হ'ল ঃ-

١-رَبَّنَا اٰتِنَا فِى الدُّنْيَا حَسَنَةً وَّفِى الْاٰخِرَةِ حَسَنَةً وَّقِنَا عَذَابَ النَّارِ۔

**উচ্চাৰণ** ঃ- ৰাববানা আতিনা ফিদ্দুনিয়া হাছানাতাও ওৱা ফিল আখিৰাতি হাছানাতাও ওৱা কিনা আজাবান নাৰ।

**অৰ্থ** ঃ- হে মোৰ প্ৰভুৰ প্ৰতিপালক ! মোক পাৰ্থিৱ আৰু আখিৰাতৰ সকলো মঙ্গল দান কৰা আৰু মোক অগ্নিৰ শাস্তিৰ পৰা ৰক্ষা কৰা।

৮-رَبِّ اجْعَلْنِيْ مُقِيْمَ الصَّلٰوةِ وَمِنْ ذُرِّيَّتِيْ رَبَّنَا وَتَقَبَّلْ دُعَآءِ۔
رَبَّنَا اغْفِرْلِيْ وَلِوَالِدَيَّ وَلِلْمُؤْمِنِيْنَ يَوْمَ يَقُوْمُ الْحِسَابُ۔

**উচ্চাৰণ** ঃ-ৰাববিজ আলনি মুকিমাছ ছালাতি ওৰা মিন জুৰৰিয়াতি ৰাববানা ওৰা তাকাববাল দুৰা।

ৰাববানাগফিৰলি ওৰালিওৰালিদায়য়্যা ওৰা লিলমুমিনিনা ইয়াওমা ইয়াকুমুল হিছাব।

**অৰ্থ** ঃ- হে মোৰ প্ৰভু প্ৰতিপালক ! মোক তুমি নমাজ প্ৰতিষ্ঠাকাৰী বনোৱা লগতে মোৰ বংশধৰ সকলকো। হে মোৰ প্ৰভু প্ৰতিপালক ! (মোৰ ওপৰত কৰুণা বৰ্ষণ কৰা) আৰু দোৱা গ্ৰহণ কৰা। হে মোৰ প্ৰভু প্ৰতিপালক। যিদিনা হিচাপ-নিকাচ আৰম্ভ হ'ব সেই দিনা মোক আৰু পিতৃ-মাতৃ আৰু মোমিন সকলক ক্ষমা কৰা।

এক বা ততোধিক দোৱা পাঠ কৰাৰ পিছত ইমাম চাহাবে নমাজ সমাপ্ত হোৱাৰ চিহ্ন স্বৰূপে নিজৰ মুখমণ্ডল প্ৰথমে সোঁ ফালে পিছত বাওঁফালে ঘূৰাই ক'ব আচ্ছালামু আলাইকুম ওৰা ৰাহমাতুল্লাহি ওৰা বাৰাকাতুহ অৰ্থাৎ তোমালোকৰ ওপৰত শান্তি আৰু কৰুণা বৰ্ষিত হওঁক।আচ্ছালামু আলাইকুম ওৰা ৰাহমাতুল্লাহি ওৰা বাৰাকাতুহ পাঠ কৰা নমাজ শেষ হোৱাৰ ইঙ্গিত দিব।



ইমামৰ পিছত থকা মুক্তাদি সকলেও ইমামৰ দৰে মুখমণ্ডল ঘূৰাই (সোঁ ফালে,বাওঁফালে) নিম্ন লিখিত বাক্য পাঠ কৰিব লাগে,

اَلسَّلَامُ عَلَيْكُمْ وَرَحْمَةُ اللهِ۔

**উচ্চাৰণ** ঃ- আচ্ছালামু আলাইকুম ওৱা ৰাহমাতুল্লাহ।
**অৰ্থ** ঃ- তোমাৰ ওপৰত শান্তি বৰ্ষিত হওঁক।

যদি নমাজ দুই ৰাকাত নহৈ তিনি বা চাৰি ৰাকাত হয় তেন্তে দ্বিতীয় ৰাকাতৰ পিছত কাদাহ বা বহা অৱস্থাটোক সংক্ষেপ কৰি নমাজীয়ে কেৱল তাশ্বাহ্হুদ (আত্তাহিয়াতু) পাঠ কৰিব লাগে।

তাছাহুদ পাঠ কৰাৰ পিছত ইমাম চাহাব তৃতীয় ৰাকাত আৰম্ভ কৰাৰ চিহ্ন হিচাপে আল্লাহু আকবাৰ উচ্চস্বৰে কৈ (কিয়াম)বা থিয় দিব আৰু দ্বিতীয় ৰাকাতৰ দৰে উক্ত তৃতীয় ৰাকাত নমাজ পঢ়া শেষ কৰিব। সকলো মুক্তাদি ইমামক অনুসৰণ কৰিব। যদি নমাজ তিনি ৰাকাত হয়। যেনে মাগৰিবৰ নমাজ; তেতিয়া তৃতীয় ৰাকাত শেষ ছিজদাৰ পিছত ইমাম চাহাব কাদাহ অৱস্থাত বহি তাশ্বাহ্হুদ,দৰুদ শ্বৰিফ আৰু অন্যান্য কিছুমান দোৱা নিঃশব্দৰে পাঠ কৰিব আৰু আচ্ছালামু আলাইকুম ওৱা ৰাহমাতুল্লাহ শব্দেৰে উচ্চস্বৰে কৈ ছালাম ফিৰাই অৰ্থাৎ মুখমণ্ডল এবাৰ সোঁ ফালে আৰু এবাৰ বাওঁ ফালে ঘূৰাই নমাজ শেষ কৰিব।সকলো নমাজী ইমামক অনুসৰণ কৰিব।আৰু তেখেতৰ দৰে সকলোৱে মনে মনে শব্দ নোহোৱাকৈ পাঠ কৰিব।

যদি চাৰি ৰাকাত নমাজ হয়; যেনে জহুৰ,আছৰ, ইশ্বাৰ ওৱাক্তৰ নমাজৰ ক্ষেত্ৰত ইমাম চাহাবে প্ৰথম দুই ৰাকাত নমাজ পঢ়ি কাদাহ অৱস্থাত তাশ্বাহ্হুদ অৰ্থাৎ আত্তাহিয়াতু পাঠ কৰি তৃতীয় আৰু চতুৰ্থ ৰাকাত নমাজ আদায় কৰিবলৈ আল্লাহু আকবাৰ উচ্চস্বৰে পাঠ কৰি পোনে পোনে থিয় হ'ব। মুক্তাদি সকলেও ইমাম চাহাবক অনুসৰণ কৰি থিয় হ'ব। ইয়াৰ পিছত দুই ৰাকাত নমাজ পঢ়িব অৰ্থাৎ চতুৰ্থ ৰাকাত নমাজৰ পিছত ইমাম চাহাব কাদাহ বা বহাৰ অৱস্থালৈ যাব আৰু বহি তাশ্বাহ্হুদ লগতে দৰুদ শ্বৰীফ আৰু অন্যান্য দোৱা পাঠ কৰিব পাৰে। ইয়াৰ পিছত ইমাম চাহাবে সোঁ ফালে মুখমণ্ডল ঘূৰাই (আগত উল্লেখ কৰা দৰে) আচ্ছালামু আলাইকুম ওৱা ৰাহমাতুল্লাহ বাক্য পাঠ কৰি নমাজ শেষ কৰিব। এই ক্ষেত্ৰত তলত উল্লেখ কৰা বিষয়সমূহ মনত ৰাখিবলগীয়া ঃ-

১) সকলো নমাজৰ ক্ষেত্ৰতেই কেৱলমাত্ৰ শেষ কাদাহ বা বহাৰ অৱস্থাত

তাশ্বাহ্হুদ,দৰুদ শ্বৰীফ আৰু অন্যান্য দোৱাবোৰ পাঠ কৰিব লাগিব। যদি শেষ কাদাহ নহয় তেন্তে সেই ক্ষেত্ৰত কেৱল তাশ্বাহ্হুদ (আত্তাহিয়াতু) পাঠ কৰাৰ পিছত ইমাম চাহাবে আল্লাহু আকবাৰ উচ্চস্বৰে পাঠ কৰি পোনে পোনে থিয় হৈ যাব আৰু বাকী থকা নমাজ আদায় কৰিব।

২) যদি নমাজ দুই ৰাকাত হয়; তেন্তে দ্বিতীয় ৰাকাতৰ শেষত কাদাহ তাশ্বাহ্হুদ দৰুদ শ্বৰীফ আৰু দোৱা আদি পাঠ কৰি নমাজ শেষ কৰিব লাগিব।

**অকলে অকলে নমাজ ঃ-**

যদি কোনোবাই বা-জমাত নমাজ পঢ়াৰ সুযোগ নাপায় তেন্তে সেই ক্ষেত্ৰত অকলে হ্লেও নমাজ পঢ়ি ল'ব লাগিব। নমাজ অকলে অকলে আদায় কৰাৰ সময়ত বা-জমাত নমাজৰ দৰেই আদায় কৰিব লাগিব। কিন্তু ইমাম চাহাব যেনেকৈ পাঠ কৰিব লগীয়া শব্দবোৰ উচ্চস্বৰে আবৃত্তি কৰে তেনেকৈ অকলে নমাজ আদায় কৰোতাই উচ্চস্বৰে পাঠ নকৰি নিঃশব্দে বা মনে মনে পাঠ কৰিব লাগে। উদাহৰণ স্বৰূপে যেতিয়া তেওঁ চুৰা ফাতিহা বা আল্লাহু আকবৰ, ছামি আল্লাহুলিমান হামিদাহ আৰু শেষত আচ্ছালামু আলাইকুম ওৱা ৰাহমাতুল্লাহ আদি পাঠ কৰোঁতে শব্দ নোহোৱাকৈ উচ্চাৰণ কৰিব লাগে।

**বা-জমাত নমাজ ঃ-**

প্ৰত্যেক মুছলমান ব্যক্তিয়েই তাৰ ফৰজ নমাজ সমূহ বা-জমাত পঢ়িব লাগে বা-জমাত নমাজ আদায় কৰাৰ সুবিধাৰ্থেই বা এই উদ্দেশ্য আগত ৰাখিয়েই মছজিদ নিৰ্মাণ কৰা হয়। হাদীছ শ্বৰীফৰ পৰা জনা যায় যে অকলে অকলে নমাজ আদায় কৰাতকৈ বা-জমাত নমাজ আদায় কৰিলে ২৭ গুণ বেছি ছোৱাব পোৱা যায়।

ইমাম নিৰ্বাচন কৰাৰ ক্ষেত্ৰত জমাতে সদায় মনত ৰাখিব লাগিব যে যি জনে ইমাম হ'ব তেওঁ যেন সিহঁতৰ জনা মতে পুণ্যবান,নেক আৰু সিহঁতৰ মাজত অধিক কোৰাণ কৰিম জনা ব্যক্তি হয়। নিয়ম মতে ধৰ্মীয়

কতৃপক্ষ যেনে- খলিফা  ইমাম হ'ব পাৰে।এই ক্ষেত্ৰত যিয়েই নিৰ্বাচিত বা নিযুক্ত হওক ইমাম হিচাপে তাক অৱশ্যই নমাজত অনুসৰণ কৰিব লাগে। যদিওবা তেওঁ কাৰোবাৰ মতে অযোগ্যও হয়।

যদি কোনো নমাজৰ নিৰ্দিষ্ট সময়ত দুইজন বা তাতকৈ অধিক মানুহ মছজিদৰ বাহিৰে কোনো স্থানত একেলগ হয় তেন্তে সিহঁতে সেই ফৰজ নমাজ অকলে অকলে আদায় কৰাৰ অনুমতি নাই। সিহঁতে বা-জমাত নমাজ আদায় কৰা উচিত। যেতিয়া দুইজন মাত্ৰ পুৰুষ একেলগে নমাজ পঢ়িবলৈ আহে তেতিয়া এজনে আনজনৰ ইমামতিত নমাজ আদায় কৰিব লাগে সিহঁত দুজনে একেবাৰে ওচৰা-ওচৰিকৈ থিয় হ'ব আৰু বাওঁ ফালে থিয় হোৱা ব্যক্তিজনে ইমামতি কৰিব।যেতিয়া কোনো ব্যক্তিয়ে ঘৰত অকলে নমাজ আদায় কৰিবলৈ থিয় হয় আৰু পৰিয়ালৰ কোনো মহিলা সদস্য তাৰ লগত জমাতত নমাজ পঢ়িবলৈ যোগদান কৰে তেন্তে  সেইজনী মহিলা,পুৰুষ জনৰ বাওঁফালে থিয় হৈ নমাজ পঢ়িব পাৰিব। যদি পুৰুষ মানুহ বা-জমাত নমাজ পঢ়ি থকা অৱস্থাত কোনোবাই নমাজ আদায় কৰিবলৈ আহে তেন্তে সেই ব্যক্তি সকলে ইমাম চাহাবক মাজত পেলাই শাৰীত থিয় দিব লাগে।সাধাৰণতে যেতিয়া তিনি বা অধিক নমাজীয়ে বা-জমাত নমাজ আদায় কৰিবলৈ লয় তেতিয়া ইমাম চাহাব মুক্তাদি সকলৰ শাৰীৰ সন্মুখত অকলে থিয় হ'ব লগতে সকলোৱে কাবা মুখী হৈ থিয় হ'ব। বিশেষ বিশেষ ক্ষেত্ৰত ইমাম চাহাব শাৰীৰ মাজত অৱস্থান কৰি নমাজ পঢ়াব পাৰে।

কিছুমান ফিকাহবিদ (শাস্ত্ৰবিদ) সকলৰ মতে ইমামৰ পিছত শাৰী পাতি থকা মুক্তাদি সকলৰ একেবাৰে শেষ শাৰীত কমপক্ষে দুইজন নমাজী থাকিব লাগিব।

অন্যান্য ফিকাহবিদ সকলে এই সম্পৰ্কে অনিহা প্ৰকাশ কৰিছে। কিয়নো সন্মুখৰ পৰা লাহেকৈ টানি পিছুৱাই কেৱল তাৰেই নমাজত ব্যাঘাত নপৰে আনকি কাষত থকা বেলেগ মুক্তাদিৰ নমাজতো ব্যাঘাত জন্মে।

**ইয়াত আৰু কিছুমান স্মৰণীয় বিষয় ঃ-**

(১) নবী কৰিম (ছাঃ)ৰ এটা হাদীছ অনুযায়ী সন্মুখৰ শাৰীত থিয় হোৱা নমাজী অৰ্থাৎ মুক্তাদি সকলে সিহঁতৰ পিছত শাৰী পতা নমাজী সকলতকৈ অধিক ছোৱাব লাভ কৰিব। কিয়নো যি সকলে আগত নমাজৰ স্থানত উপস্থিত হয় সেইসকলে নমাজৰ অপেক্ষাত থাকে আৰু জিকৰে ইলাহিত (আল্লাহৰ স্মৰণত) মগ্ন থাকি সময় অতিবাহিত কৰে। নিশ্চিত ভাৱেই এইটো স্পষ্ট যে পলমকৈ অহা লোকসকলতকৈ আগত উপস্থিত থকা ব্যক্তিসকলে আল্লাহৰ স্মৰণত বেছি সময় অতিবাহিত কৰে।

আকৌ নবী কৰিম (ছাঃ)য়ে নিৰ্দেশ দিছে যে ইমামৰ পিছত থকা প্ৰথম শাৰী পূৰ্ণ নোহোৱালৈকে যেন দ্বিতীয় শাৰী আৰম্ভ কৰা নহয়। গতিকে এইটো স্পষ্ট যে যিসকলে আগত আহে আৰু সন্মুখৰ শাৰীত স্থান লয় আৰু আল্লাহৰ স্মৰণত সময় কটায় সেই নমাজী সকলে বেছি ছোৱাব লাভ কৰিব সেই সকল নমাজীতকৈ যি সকলে তকবীৰ দিয়াৰ সময়ত বা আৰু পিছত আহি নমাজত যোগদান কৰে।

(২) নমাজ আৰম্ভ হোৱাৰ পিছত অহা ব্যক্তিসকলে জামাতক যি অৱস্থাত পাব সেই অৱস্থাতেই নমাজত যোগদান কৰিব লাগে। উদাহৰণ স্বৰূপ- যদি সিহঁতে ইমামৰ সৈতে সকলো নমাজীক থিয় হোৱা অৱস্থাত পায় তেন্তে নিয়মানুসাৰে নিয়ত কৰি থিয় হোৱা অৱস্থাতেই নমাজ আৰম্ভ কৰিব লাগিব। যদি তেওঁ জমাত ছিজদাৰত অৱস্থাত আহি পায় তেন্তে (নিয়মানুসাৰে নিয়ত বান্ধি) লগে লগে ছিজদাত যোগদান কৰিব। যেতিয়া ইমাম চাহাবে ছালাম অৰ্থাৎ আচ্ছালামু আলাইকুম ওৱা ৰহমাতুল্লাহ উচ্চস্বৰে কৈ সোঁ ফালে আৰু বাওঁফালে মুখমণ্ডল ঘূৰাই নমাজ শেষ কৰিব তেতিয়া পিছত আহি যোগদান কৰা লোকে ইমামৰ লগত ছালাম ফিৰাৰ সময়ত নিজৰ বাকী ৰৈ যোৱা ৰাকাত অকলে অকলে আদায় কৰি নমাজ শেষ কৰিব লাগিব।

(৩) এক ওৱাক্ত নমাজ কেইবাটাও অংশত বিভক্ত। ইয়াৰ এটা অংশ ৰাকাত নামেৰে নামাকৰণ বা পৰিচিত।ফৰজ নমাজসমূহ দুই ৰাকাতৰ পৰা চাৰি ৰাকাত নমাজ আছে। প্ৰত্যেকটো ৰাকাত নিম্ন লিখিত প্ৰয়োজনীয় অংশেৰে গঠিত।

ক) থিয় দিয়া যাক কিয়াম বোলে।

খ) দুয়োখন হাত দুখন ভৰিৰ গাঁঠিৰ ওপৰত হেচা মাৰি চপাই ৰাখি নতজানু হোৱা যাক ৰুকু বোলে।

গ) ৰুকুৰ শেষত হাত দুখন তলপিনে ৰাখি পোন হৈ থিয় হোৱা যাক কাউমা বোলে।

ঘ) সাষ্টাঙ্গে প্ৰণিপাত কৰা যাক ছিজদা বোলে। প্ৰতি ৰাকাতত দুটাকৈ ছিজদা আছে।

ঙ) জিলছা দুই ছিজদাৰ মাজৰ একেবাৰে সংক্ষিপ্ত বহাৰ সময়।

চ) কাদাহ দুই ছিজদাৰ পিছত বহি আত্তাহিয়াতু পাঠ কৰা সময় খিনিক কাদাহ বোলে। পলমকৈ যোগদানকাৰী নমাজী যদি ৰুকুলৈ যোৱাৰ আগত বা ৰুকু কালীন অৱস্থাত নমাজত যোগ দিয়ে তেন্তে ধৰি ল'ব লাগিব যে তেওঁৰ সেই ৰাকাত নমাজ সম্পূৰ্ণ হৈছে। উক্ত ৰাকাত তেওঁৰ পুনৰ নমাজৰ শেষত পঢ়িব নালাগে।যদি কোনোবাই পলমকৈ অহা বাবে নমাজৰ ৰুকু পাৰ হৈ যোৱাৰ পিছত ছিজদা অৱস্থালৈ যায় তেন্তে তেওঁ সেই ৰাকাত ইমাম চাহাবৰ উভয় ফালে ছালাম ফিৰাই নমাজ শেষ কৰাৰ লগে লগেই উঠি থিয়হৈ এৰি যোৱা নমাজৰ ৰাকাত অকলে অকলে আদায় কৰিব লাগিব।

৪) এবাৰ বা-জমাত নমাজ আৰম্ভ হৈ গলে কোনোবাই ছুন্নত বা নফল নমাজ পঢ়ি থকা উচিত নহয়। যদি কোনোবাই ইমামৰ ফৰজ নমাজ আৰম্ভ কৰাৰ আগতেই বা-জমাত নমাজৰ শাৰীত থিয় দি ছুন্নত নমাজ পঢ়িবলৈ লয় তেন্তে সোনকালে তেওঁ নমাজ এৰি বা-জমাত নমাজত যোগ দিব লাগিব। যদি কোনোবাই ফৰজ নমাজৰ শাৰীৰ পৰা দূৰত ছুন্নত বা নফল নমাজ পঢ়ি থাকে আৰু আৰু ইফালে বা-জমাত নমাজ আৰম্ভ হৈ যায় তেন্তে তেওঁ যদি অনুমান কৰিব পাৰে তেওঁ পঢ়ি থকা নমাজ শেষ কৰি বা-জমাত নমাজৰ প্ৰথম

ৰাকাতত যোগ দিব পাৰিব তেন্তে অতি সোনকালে নমাজ শেষ কৰি নাইবা তেওঁৰ সেই নমাজ পৰিত্যাগ কৰি বা-জমাত ফৰজ নমাজত যোগ দিব লাগিব।

৫) বা-জমাত নমাজ আৰম্ভ হৈ গলে কোনোবাই দৌৰি আহি খৰ-খেদাকৈ সেই বা-জমাত নমাজত যোগদান কৰা নিষেধ।

৬) মহিলাসকলৰ মৰ্যদা আৰু সতীত্বৰ প্ৰতি সন্মান প্ৰদৰ্শনাৰ্থে সিহঁতক পুৰুষ সকলৰ সন্মুখত থিয় হৈ নমাজ আদায় নকৰিবলৈ পৰামৰ্শ দিয়া হৈছে। এই কাৰণে মহিলাসকলৰ শাৰী যেন সদায় পুৰুষ সকলৰ শাৰীৰ পিছ্‌ত থাকে। এই ধৰণে কোনো দ্বিদাবোধ নকৰি মহিলা সকলক পুৰুষৰ একেবাৰে পিছ্‌ত শাৰীবদ্ধহৈ নিৰ্বিঘ্নে নমাজ আদায় কৰাৰ পূৰ্ণ স্বাধীনতা দিয়া হৈছে। মহিলা সকলৰ বাবে পৃথক হিচাপে নিৰ্দিষ্ট স্থান এটা চাৰিওফালে বেৰি আদিৰ ব্যৱস্থা কৰি নমাজ পঢ়িবলৈ দিয়াটো বেছি পছন্দনীয়। উপযুক্ত নিয়মাৱলীৰ পৰা প্ৰতীয়মান হয় যে মহিলাৰ ফালৰ পৰা কোনোবাই পুৰুষৰ বা-জমাত নমাজৰ ইমামতি কৰিব নোৱাৰে। কিন্তু কোনো মহিলাই মহিলা সকলৰ বা-জমাত নমাজৰ ইমামতি কৰিব পাৰে। ইয়াৰ অৰ্থ এই যে এজনী মহিলা বালক -বালিকা সমন্বয়ে গঠিত বা-জমাত নমাজৰ ইমাম হৈ নমাজ পঢ়োৱাব পাৰে। কিন্তু প্ৰাপ্তবয়স্ক পুৰুষ সকলৰ ইমামতি কৰাৰ অনুমতি নাই।

৭) মহিলা সকলৰ বা-জমাত নমাজৰ বাবে আজান দিব নালাগে। এজন পুৰুষ ইমামৰ দৰে সন্মুখত থিয় হৈ মহিলা সকলে ইমামতি কৰিব নালাগে। মহিলা ইমাম মহিলা নমাজীসকলৰ প্ৰথম শাৰীৰ মাজত থিয় দিব লাগে এইটো সাধাৰণ প্ৰক্ৰিয়া।

৮) বা-জমাত নমাজ পঢ়াৰ সময়ত যদি ইমাম চাহাবে কোনো ধৰণৰ ভুল কৰি পেলায় তেন্তে তাক জনাই দিয়াৰ বাবে নিম্নোক্ত পদ্ধতি অৱলম্বন কৰিব পাৰি।

ক) পৱিত্ৰ কোৰাণ কৰিমৰ আয়াত পাঠ কৰোঁতে ভুল হয় অথবা ইমাম চাহাবে পৱিত্ৰ কোৰাণ পাঠ কৰি থাকোঁতে মাজৰ পৰা কোনোবা আয়াত পাহৰি যায় তেন্তে সেই ক্ষেত্ৰত বা-জমাত নমাজত থকা মুক্তাদি সকলৰ

মাজৰ পৰা কোনোবাই (যাৰ মুখস্থ আছে) সেই আয়াত শুদ্ধকৈ উচ্চস্বৰে পাঠ কৰি ইমাম চাহাবক মনত পেলাই দিব পাৰে।

খ) যদি ইমাম চাহাব কোনো ধৰণৰ ভুল কৰে তেন্তে মুক্তাদি সকলৰ পৰা ছুবহানাল্লাহ (অৰ্থ আল্লাহ পাক দোষ ত্ৰুটিমুক্ত),এই শব্দৰ দ্বাৰা ইমামক সঙ্কেত দিয়া হয় যে যথা সম্ভৱ তেওঁ ভুল কৰিছে। এই সঙ্কেতৰ পৰা ইমাম চাহাবে নিজৰ ভুল সংশোধন কৰি লোৱা উচিত। যদি ইমাম চাহাবে নিজৰ ভুল ধৰিব নোৱাৰি সংশোধন নকৰে তেন্তে মুক্তাদি সকলে তেওঁক অনুসৰণ কৰিব লাগিব আৰু নমাজ চলি থকা সময়ত কোনেও তেওঁৰ লগত মতভেদ কৰাৰ অধিকাৰ নাই। ইমাম চাহাবে ভুল কৰিলেও মুক্তাদি সকলে অনুসৰণ কৰিব লাগিব। অৱশ্যে নমাজৰ শেষত তাৰ ভুল সম্পৰ্কে উল্লেখ কৰিব লাগিব। যদি সময় থাকে তেন্তে অৰ্থাৎ লগে লগে ইমাম চাহাবে ভুল সংশোধনাৰ্থে জমাতক লৈ অতিৰিক্ত দুটা ছিজদা সম্পূৰ্ণ কৰিব পাৰে আৰু আচ্ছালামু আলাইকুম ওৱা ৰাহমাতুল্লাহ উচ্চস্বৰে পাঠ কৰি সোঁ ফালে বাওঁফালে ছালাম ফিৰাব পাৰে এই ছিজদাক ছিজদাহ ছহু বা শুধৰণী ছিজদা বুলি কোৱা হয়।

৯) এজনী মহিলাই যদি ইমাম চাহাবৰ ত্ৰুটি নিৰ্দেশ কৰিব বিচাৰে তেন্তে তাই উচ্চস্বৰে ছুবহানাল্লাহ কোৱাৰ পৰিৱৰ্তে হাত চাপৰি মাৰি ভুল হোৱাৰ সংকেত দিব পাৰে। মহিলা সকলৰ হাত চাপৰিৰ শব্দই ইমাম চাহাবক সতৰ্ক কৰিব যে তেওঁ কিবা ভুল কৰিছে। আকৌ এজনী মহিলা ইমামৰ ভুল ত্ৰুটিৰ ক্ষেত্ৰত পিছ্‌ত থকা মুক্তাদিৰ ফালৰ পৰা কোনোবাজনীয়ে তাইৰ মনযোগ আকৰ্ষণ কৰিব, সঠিক আয়াত উচ্চাৰণ কৰি নাইবা ছুবহানাল্লাহ উচ্চস্বৰে পাঠ কৰিব তেনে পৰিস্থিতিৰ অনুমতি দিয়ে।

১০) ইমাম চাহাবে বা-জমাত নমাজ ইমান দীঘলীয়া কৰিব নালাগে যাৰ ফলত মুক্তাদি সকল ক্লান্ত হৈ যায়। ইমামৰ মনত ৰাখিব লাগিব যে নমাজত বৃদ্ধ দুৰ্বল আদি লোক থাকিব পাৰে নাইবা কোনো জৰুৰী কাম কৰিবলগা মানুহও থাকিব পাৰে।

## নমাজ শেষ কৰি আল্লাহৰ স্মৰণ

নমাজ শেষ কৰাৰ লগে লগে আল্লাহৰ স্মৰণত তছ্‌বিহ্ অৰ্থাৎ জিকৰে ইলাহি ও তাহমীদ (আল্লাহৰ প্ৰশংসা কীৰ্ত্তন) আদিৰ নিৰ্দেশ পৱিত্ৰ কোৰাণ কৰিমত উল্লেখ পোৱা যায়-

فَإِذَا قَضَيْتُمُ الصَّلٰوةَ فَاذْكُرُوا اللّٰهَ (4:104)

**উচ্চাৰণ** ঃ-ফাইজা কাজায়তুমুছ ছালাতা ফাজকুৰুল্লাহ।

**অৰ্থ** ঃ-যেতিয়া তোমালোকে নমাজ শেষ কৰি লোৱা তেতিয়া আল্লাহ্ তায়লাক স্মৰণ কৰা।(চুৰা আন-নিছা আয়াত ১০৪)

কিছুমান চাহাবা সকলৰ অনুৰোধক্ৰমে আঁহজৰত (ছাঃ) আল্লাহ্ তায়লাৰ মহাত্মা ঘোষণাৰ নিমিত্তে নিম্ন লিখিত দোৱা সমূহ পাঠ কৰাৰ নিৰ্দেশ দিছে।

**ছুবহানাল্লাহ** (আল্লাহ্ পৱিত্ৰ,সকলো ক্ৰটিমুক্ত) ৩৩ বাৰ পাঠ কৰিব লাগে।

**আলহামদুলিল্লাহ** (সকলো প্ৰশংসা আল্লাহ তায়লাৰ) ৩৩ বাৰ পাঠ কৰিব লাগে।

**আল্লাহু আকবৰ** (আল্লাহ্ সৰ্বশ্ৰেষ্ঠ) ৩৪ বাৰ পাঠ কৰি লাগে।

**নমাজৰ প্ৰকাৰসমূহ আৰু ৰাকাতৰ সংখ্যাঃ-**

চাৰি প্ৰকাৰৰ নমাজ আছে। যেনে-

(১) ফৰজ, (২) ওৱাজিব, (৩) ছুন্নত আৰু (৪) নফল-

### ফৰজ নমাজ

**ফৰজ** এইটো এটা আৰবী শব্দ, ইয়াৰ অৰ্থ হ'ল-বাধ্যতামূলক কৰিবলগীয়া। প্ৰত্যেক দিন ফৰজ নমাজ পাঁচ ওৱাক্ত বা পাঁচ বাৰ।

| নমাজৰ নাম | ৰাকাতৰ সংখ্যা |
|---|---|
| ফজৰ | ২ ৰাকাত |
| জহুৰ | ৪ ৰাকাত |
| আছৰ | ৪ ৰাকাত |
| মগৰিব | ৩ ৰাকাত |

ইশ্বা ৪ ৰাকাত

নিজৰ ইচ্ছাত কোনো ফৰজ নমাজ পৰিত্যাগ কৰা পাপ। কিন্তু যদি ভুলবশতঃ নাইবা কোনো অৱস্থাৰ হেঁচাত বাধ্য হৈ নমাজ আদায় কৰা নহয় তেন্তে নমাজৰ কথা মনত পৰাৰ লগে লগে সুবিধা বুজি নমাজ আদায় কৰিলে ভুলৰ শুধৰণী হয়।

## ওৱাজিব নমাজ

নিম্ন লিখিত নমাজ সমূহক ওৱাজিব (অতি প্ৰয়োজনীয়) নমাজ বোলে।

(১) তিনি ৰাকাত ৱিতৰ নমাজ।

(২) দুই ৰাকাত ঈদুল ফিতৰৰ আৰু দুই ৰাকাত ঈদুল আজহাৰ নমাজ।

(৩) কাবা গৃহ তওৱাফ (প্ৰদক্ষিণ) কৰি দুই ৰাকাত নমাজ আদায় কৰা।

যদি কোনো ব্যক্তিয়ে নিজৰ ইচ্ছা অনুযায়ী এই নমাজ সমূহ পৰিত্যাগ কৰে তেন্তে সি পাপ কৰিলে বুলি ধৰি লোৱা হয়। যদি তেওঁ অনিচ্ছাকৃত ভাৱে বা ভুলবশতঃ ওৱাজিব নমাজ আদায় নকৰে তেন্তে পিছত এই নমাজ আদায় কৰাৰ প্ৰয়োজন নাই। অৰ্থাৎ কাজা পঢ়িব নালাগে। কাজা শব্দৰ অৰ্থ বাদ পৰি যোৱা কোনো নমাজ আদায় কৰা।

## ছুন্নত নমাজ

আঁহজৰত (ছাঃ) ফৰজ নমাজৰ পূৰ্বে আৰু পিছত অতিৰিক্ত কিছুমান নমাজ পঢ়িছিল। সেইবিলাকেই ছুন্নত নমাজ। ফিকাহ শাস্ত্ৰবিদ সকলোৱে পঢ়া বৰ দৰকাৰ। নিজৰ ইচ্ছাত ছুন্নত নমাজ এৰি দিয়া আল্লাহ তায়লাৰ দৃষ্টিত অপছন্দনীয়। ছুন্নত নামজ হ'ল।

(১) ফজৰ ওৱাক্তত ফৰজ নমাজৰ আগত দুই ৰাকাত ছুন্নত পঢ়া। কিন্তু যদি কোনো ব্যক্তিয়ে কোনো কিবা কাৰণত দুই ৰাকাত ছুন্নত আদায় নকৰি বা-জমাত (ফৰজ) নমাজত যোগ দিয়ে তেন্তে বা-জমাত নমাজ শেষ হোৱাৰ পিছত দুই ৰাকাত ছুন্নত আদায় কৰি ল'ব পাৰে।

(২) জহুৰৰ ফৰজ নমাজৰ আগত ৪ ৰাকাত আৰু পিছত দুই ৰাকাত। কিন্তু যদি কোনোবাই কিবা কাৰণ বশতঃ পূৰ্বৰ ৪ ৰাকাত ছুন্নত আদায় কৰিব নোৱাৰা হয় তেন্তে বা-জমাত নমাজ পঢ়া শেষ হলে এয়া পঢ়ি ল'ব লাগে।

(৩) মগৰিবৰ ফৰজ নমাজৰ পিছত ২ ৰাকাত ছুন্নত পঢ়িব লাগে।
(৪) ইশ্বাৰ ৪ ৰাকাত ফৰজ নমাজৰ পিছত ২ ৰাকাত ছুন্নত পঢ়িব লাগে।

## নফল (অতিৰিক্ত) নমাজ

ফৰজ আৰু ছুন্নতৰ বাদেও আৰু কিছুমান অতিৰিক্ত নমাজ পঢ়ি থকা হয়। এই বিলাক হ'ল নফল নমাজ। এই বিলাক হ'ল ঐচ্ছিক নমাজ। যি সকলে ইচ্ছা অনুযায়ী নফল নমাজ সদায় পঢ়ে সেই সকলে আল্লাহ তায়লাৰ সন্তুষ্টি লাভ কৰিব পাৰে। নফল নমাজ বিলাক নিম্নৰূপ ঃ-

(১) তাহাজ্জুদৰ নামজ ৮ ৰাকাত।
(২) জহুৰৰ নমাজৰ ২ ৰাকাত ছুন্নতৰ নমাজৰ পিছত ২ ৰাকাত নফল।
(৩) আছৰৰ ফৰজ নমাজৰ আগত ৪ ৰাকাত নফল।
(৪) মগৰিবৰ ২ (দুই)' ৰাকাত ছুন্নত নমাজৰ পিছত ২ (দুই) ৰাকাত নফল।
(৫) ৪ ৰাকাত ইছৰাকৰ নমাজ।
(৬) যেতিয়া মছজিদত প্ৰৱেশ কৰা হয় তেতিয়া দুই ৰাকাত।
(৭) আল্লাহ তায়লাৰ কৰুণা লাভৰ কামনাৰে ২ ৰাকাত।
(৮) ছালাতুল হাজাত হিচাপে ২ ৰাকাত।

কোনো ব্যক্তিয়ে যিমান ইচ্ছা নফল নমাজ আদায় কৰিব পাৰে। কিন্তু নিষিদ্ধ সময়ত কোনো নমাজেই পঢ়া উচিত নহয়। যেনে- আছৰ আৰু মগৰিবৰ নমাজৰ মাজত যিখিনি সময় সেই সময়ত নফল নমাজ পঢ়া উচিত নহয়।মছজিদতকৈ ঘৰত (বাসভৱনত) নফল নমাজ পঢ়া উত্তম। কেৱল মাত্ৰ ওপৰত উল্লেখিত নমাজ সমূহ ব্যতিক্ৰমে যিবিলাক মছজিদত পঢ়াৰ যোগ্য। এইটো ব্যক্তিৰ পছন্দৰ ওপৰত নিৰ্ভৰশীল। এই ক্ষেত্ৰত কোনো ধৰণৰ বাধ্যবাধকতা নাই।

## জুমাৰ (শুক্ৰবাৰৰ) নমাজ

ছালাতুল জুমআ বা শুক্ৰবাৰৰ নামজ বা-জমাত পঢ়া হয়। জুমাৰ নমাজ

জহুৰৰ নমাজৰ স্থলত পঢ়া হৈ থাকে। প্ৰত্যেক সপ্তাহৰ শুক্ৰবাৰে মুছলমান সকলে গোচল কৰি পৰিষ্কাৰ পৰিছন্ন কাপোৰ পৰিধান কৰি সুগন্ধি ব্যৱহাৰ কৰি জুমাৰ নমাজ আদায় কৰাৰ বাবে মছজিদত একগোট হয়। জুমাৰ নমাজৰ কল্যাণ সম্পৰ্কে পৱিত্ৰ কোৰাণ আৰু ছুন্নতৰ মাজত বহু মূল্যবান কথা লিপিবদ্ধ আছে। যদি কোনো মুছলমান শুক্ৰবাৰৰ দিনটোত ইবাদত কৰে আৰু আল্লাহৰ স্মৰণত অতিবাহিত কৰে তেন্তে আল্লাহ্ তায়লা তাক বহু পুৰস্কাৰ প্ৰদান কৰে।

এটা সৰু নগৰ চহৰ লগতে গাওঁ এখনৰ সকলো মুছলমান জুমাৰ নমাজ উপলক্ষে এটা স্থানত সমবেত হয়। ডাঙৰ ডাঙৰ নগৰত মুছলমান সকলৰ সুবিধাৰ্থে একাধিক স্থানত জুমাৰ নমাজ আদায় কৰিব পৰা যায়। বেলেগ বেলেগ স্থানত (বহু জনসংখ্যাৰ বাবে) একগোট হৈ ব্যক্তিগত নাইবা জমাতী সমস্যা সমাধানৰ পথ অৱলম্বন কৰিব পাৰে। সপ্তাহত এবাৰ এটা স্থানত সকলোৱে একগোট হোৱাৰ মাধ্যমেৰে মুছলমান সকলৰ মাজত একতা সহযোগীতা,ভ্ৰাতৃত্ববোধ আদিৰ সম্বন্ধ ঘটে। জুমাৰ নমাজ ইছলামী সাম্যবাদৰ এটা প্ৰদৰ্শনীও বুলি ক'ব পাৰি। এইটোৱে যেনেকৈ ইমাম চাহাবক সমাধানৰ উপদেশ দিয়াৰ সুবিধা প্ৰদান কৰে তেনেকৈ আনফালে ইমামৰ খোতবা (ভাষণ) ৰ দ্বাৰা সিহঁতক ইছলামী শিক্ষা সম্পৰ্কে পথ-নিৰ্দেশ কৰিব পাৰে। প্ৰত্যেক প্ৰাপ্তবয়স্ক মুছলমানৰ বাবে জুমাৰ নমাজ পঢ়া ফৰজ। কিন্তু ৰুগ্ন,অন্ধ,পঙ্গু ,মুছাফিৰ (ভ্ৰমণকাৰী) আৰু মহিলাসকলৰ মছজিদত আহি নমাজ পঢ়াৰ বাধ্যবাধকতাৰ পৰা ৰেহাই দিয়া হৈছে। যদি তেওঁলোকে মছজিদত আহি জুমাৰ নমাজত যোগদান কৰিব নোৱাৰে তেন্তে সিহঁতে জহুৰৰ নমাজ পঢ়িব লাগিব। জহুৰৰ নমাজৰ পৰিৱৰ্তে জুমাৰ নমাজ পঢ়া হয়। জুমাৰ নমাজৰ বাবে দুটা আজান আছে। যেতিয়া সূৰ্য্য মধ্যাকাশৰ পৰা সামান্য পশ্চিমাশত হেলনীয়া হৈ অৱস্থান কৰে তেতিয়া প্ৰথম আজান আৰু যেতিয়া ইমাম চাহাবে জমাতৰ সন্মুখত খোতবা প্ৰদান কৰিবলৈ থিয় দিব তেতিয়া দ্বিতীয় আজান দিব লাগে।

সাধাৰণতে জুমাৰ খোতবা দুটা অংশত বিভক্ত।প্ৰথম অংশত ইমামে তাশ্বাহুদ

তাউজ আৰু চুৰা ফাতিহা পাঠৰ পিছত আল্লাহ তায়লাৰ নির্দেশাৱলী পালন আৰু এজন উত্তম মুছলমান হিচাপে কৰিবলগীয়া বিষয় সমূহৰ ওপৰত জমাতক উপদেশ দিব পাৰে। অন্যান্য গুৰুত্বপূর্ণ বিষয়েও খোতবা দিব পাৰে। খোতবাৰ প্ৰথম অংশ যিকোনো সুবিধাজনক ভাষাত প্ৰদান কৰিব পাৰে।

খোতবাৰ প্ৰথম অংশ শেষ হোৱাৰ পিছত ইমাম চাহাব সামান্য সময়ৰ বাবে বহি ল'ব লাগে। দ্বিতীয়বাৰ থিয় দিব আৰু দ্বিতীয় অংশ আৰবীত যি ধৰাবন্ধা আছে সেয়া পাঠ কৰিব। যাক খোতবা ছানি বুলি কোৱা হয়।

**খোতবা ছানি নিম্নৰূপ ঃ-**

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ
وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَ
مَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ ۔ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ ۔ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ ۔
اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَاءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَاءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ ۔
لَعَلَّكُمْ تَذَكَّرُوْنَ ۔ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ
يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

**উচ্চাৰণ ঃ**-আলহামদুলিল্লাহি নাহমাদু ওৱা নাছতিয়িনুহু ওৱা নাছতাগফিৰুহু ওৱা নুমিনুবিহি ওৱা নাতাওৱাক্কালু আলাইহি ওৱা নায়ুজুবিল্লাহি মিন শুৰুৰি আনফুছিনা ওৱা মিন ছায়য়িআতি আমালিনা মায়য়াদিহিল্লাহু ফালা মুজিল্লালাহু

ওৱা মায়উয়ুজলিলহু ফালা হাদিয়া লাহু,ওৱা নাশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু লা শ্বাৰিকালাহু ওৱা নাশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওৱা ৰাছুলুহু। ইবাদিল্লাহি ৰাহিমাকুমুল্লাহ, ইন্নাল্লাহা ইয়ামুৰু বিলআদলি ওৱাল ইহছানি ওৱা ইতায়িজিল কুৰবা ওৱা ইয়ানহা আনিলফাহশ্বায়ি ওৱালমুনকাৰি ওৱাল বাঘি ইয়ায়িজুকুম লাল্লাকুম তাজাক্কাৰুন। উজকুৰুল্লাহা ইয়াজকুৰকুম ওৱাদউহু ইয়াছতাজিব লাকুম ওৱা লাজিকৰুল্লাহি আকবাৰ।

**অৰ্থ** ঃ- সকলো প্ৰশংসা আল্লাহৰ। আমি সেইজনাৰ প্ৰশংসা কৰো আৰু আমি সেইজনাৰ ওচৰত সাহায্য কামনা কৰো, আমি সেইজনাৰ ওচৰতেই ক্ষমা ভিক্ষা কৰো, আমি সেইজনাৰ ওপৰত ঈমান স্থাপন কৰো, আৰু আমি সেইজনাৰ ওপৰত নিৰ্ভৰশীল আৰু আমি আল্লাহ তায়লাৰ আশ্ৰয় প্ৰাৰ্থনা কৰো আমাৰ আত্মাৰ প্ৰলোভনৰ পৰা আৰু আমাৰ কৰ্মৰাজিৰ কুফলৰ পৰা। আল্লাহ তায়লা যাক সজ বাটত পৰিচালিত কৰে তেওঁক কোনেও পথভ্ৰষ্ট কৰিব নোৱাৰে। আৰু আল্লাহ তায়লা যাক পথভ্ৰষ্ট কৰিব বিচাৰে তেওঁক কোনেও সজ বাট প্ৰদৰ্শন কৰিব নোৱাৰে।

আমি সাক্ষ্য দিওঁ যে আল্লাহৰ বাহিৰে কোনো উপাস্য নাই,সেইজনা এক অদ্বিতীয়, তাৰ কোনো অংশীদাৰ নাই আৰু আমি সাক্ষী দিওঁ যে মহম্মদ (ছাঃ)তাৰ প্ৰেৰিত পুৰুষ আৰু ৰছুল। আল্লাহ তায়লাৰ ভৃত্যসকল ও তোমালোকৰ ওপৰত আল্লাহ তায়লাৰ কৰুণা বৰ্ষণ হওঁক। নিশ্চয় আল্লাহ তায়লা আদেশ দিছে ন্যায় প্ৰদৰ্শন কৰিবলৈ। আৰু আল্লাহ তায়লাই নিষেধ কৰিছে অশ্লীলতাৰ পৰা যিটোৱে নিজৰ আত্মাৰ ক্ষতিসাধন কৰে। আৰু আইনৰ কতৃপক্ষৰ বিৰুদ্ধ কৰিবলৈ নিষেধ কৰিছে।

এই সকলোবোৰ তোমালোকৰ বাবে কোৱা হৈছে - যেনিবা তোমালোকে অমনযোগী নোহোৱা। তোমালোকে আল্লাহ তায়লাক স্মৰণ কৰা। তেওঁ তোমালোকক স্মৰণ কৰিব। সেইজনাৰ ওচৰত প্ৰাৰ্থনা কৰা তেওঁ তোমালোকৰ প্ৰাৰ্থনাৰ উত্তৰ দিব আৰু আল্লাহ তায়লাৰ স্মৰণ সৰ্বশ্ৰেষ্ঠ। মনযোগৰ সৈতে মুছলমান সকলে খোতবা শুনা উচিত। খোতবা চলি থকা সময়ত কোনো ধৰণৰ আলোচনা নাইবা শব্দৰে কথা বতৰা পতা নিষেধ। ইমামৰ খোতবা

ছানি পাঠ হৈ যোৱাৰ পিছত ইকামত কোৱা হয়, আৰু ইমাম চাহাবে জুমাৰ দুই ৰাকাত ফৰজ নমাজ বা-জমাত পঢ়ায়।

যদি কোনো ব্যক্তিয়ে খোতবা আৰম্ভ হোৱাৰ পিছত মছজিদত প্ৰৱেশ কৰে তেন্তে তেওঁ জোৰপূৰ্বক শাৰী পাতি থকা নমাজী সকলৰ ওপৰেদি বগাই বগাই সন্মুখলৈ যোৱা উচিত নহয়। যিহেতু খোতবা আৰম্ভ হৈছে সেই বাবে তেওঁ ইচ্ছা কৰিলে ২ ৰাকাত ছুন্নত নমাজ সোনকালে আদায় কৰি ল'ব পাৰে। জুমাৰ বা-জমাত ফৰজ নমাজ আৰম্ভ হোৱাৰ সময়ত অৰ্থাৎ পিছত যদি কোনো ব্যক্তিয়ে নমাজত যোগদান কৰে তেন্তে ইমাম চাহাবে নমাজ শেষ কৰাৰ পিছত তেওঁ নিজৰ বাকী ৰৈ থকা নমাজ অকলে আদায় কৰিব লাগে। যদি কোনো ব্যক্তিয়ে বা-জমাত নমাজ একেবাৰেই নাপায় তেন্তে তেওঁ ইয়াৰ পৰিৱৰ্তে জহুৰৰ চাৰি ৰাকাত ফৰজ নমাজ পঢ়িব লাগিব।

## ঈদুল ফিতৰ আৰু ঈদুল আযহাৰ উৎসৱ

১০ জিলহজ্জা তাৰিখত হজৰত ইব্ৰাহিম (আঃ)আৰু তেখেতৰ পুত্ৰ হজৰত ইছমাইল (আঃ)ৰ আনুগত্যক স্মৰণ কৰি ঈদুল আযহাৰ উৎসৱ পালন কৰা হয়। আল্লাহ তায়লা সিহঁত উভয়ৰে আন্তৰিকতা আৰু আনুগত্যক গ্ৰহণ কৰিছিল আৰু এটা দুম্বা হজৰত ইছমাইল (আঃ)ৰ পৰিৱৰ্তে কুৰবাণী কৰিবলৈ নিৰ্দেশ দিছিল। মুছলমান সকলে যেতিয়া হজ কৰিবলৈ মক্কাত একগোট হয় তেতিয়া গোটেই বিশ্বৰ মুছলমানেই নবী ইব্ৰাহিম (আঃ)ৰ অনুসৰণত ঈদুল আযহা উপলক্ষে কুৰবাণী কৰে অৰ্থাৎ পশু কুৰবাণীৰে এই কৰ্ম পুনৰাবৃত্তি কৰে।

ঈদুল ফিতৰ আৰু ঈদুল আযহা উভয় দিনাই সকলো মুছলমান যুৱক,বৃদ্ধ পুৰুষ মহিলা উভয়ে গাওঁ বা চহৰত নিৰ্ধাৰিত স্থানত ২ ৰাকাত বা-জমাত নমাজ আদায় কৰে এইটো হ'ল ওৱাজিব নমাজ। ঈদৰ দিনা সকলোৰে গা-ধুই মুছলমান নৰ-নাৰীয়ে উত্তম কাপোৰ পিন্ধে। বালক বালিকা সকলে সাধাৰণতে নতুন পোছাক পিন্ধে। নবী কৰিম (ছাঃ)ৰ ছুন্নত অনুসৰি এই উৎসৱ উপলক্ষে পুৰুষ-মহিলা নিৰ্বিশেষে সুগন্ধি ব্যৱহাৰ কৰে। সেইদিনা

সকলোৰে ঘৰত ভোজৰ আয়োজন কৰে।

ঈদুল ফিতৰ উপলক্ষে প্ৰত্যেকেই ঈদৰ নমাজৰ আগত ফিতৰানা আদায় দিব লাগে। এই ফিতৰানা দুখীয়া আৰু অভাৱগ্ৰস্ত সকলৰ মাজত বিতৰণ কৰা হয়।যাতে সিহঁতেও স্বাচ্ছন্ধে উৎসৱত যোগদান কৰিব পাৰে।পৰিয়ালৰ প্ৰত্যেকেই সেই বছৰৰ নিৰ্ধাৰিত হাৰত এই ফিতৰানা আদায় দিব লাগে। নৱজাতকৰ ফালৰ পৰাও কোনোবাই (পিতৃ-মাতৃয়ে) ফিতৰানা আদায় দিব লাগে। অৰ্থাৎ শিশু সকলোৰও ফিতাৰানা আদায় দিয়া দৰকাৰ। যিখন ঠাইত ঈদৰ নমাজ পঢ়া হয় তাক ঈদগাহ বা ঈদৰ মাঠ বোলা হয়।

ঈদুল আযহা উপলক্ষে বৰ্ণিত আছে যে নবী কৰিম (ছাঃ)তেখেতৰ কুৰবাণীৰ পশু জবাই কৰাৰ আগত কিবা খোৰা পছন্দ নকৰিছিল। নবী কৰিম (ছাঃ)কুৰবাণী কৰা পশুৰ মাংসেৰে প্ৰথম আহাৰ খোৰা পছন্দ কৰিছিল। সেই বুলি ইয়াৰ আগত খাদ্য খোৰা নিষিদ্ধ নহয়। নবী কৰিম (ছাঃ) যি বাটেৰে ঈদগাহলৈ গৈছিল উভতি আহোতে সেই বাটেৰে নাহি বেলেগ বাটেৰ ঘূৰি আহিছিল। বেলি পূৰফালে অৰ্থাৎ দুপৰীয়া হোৱাৰ আগতেই ঈদৰ নমাজ পঢ়িব লাগে। জুমাৰ নমাজৰ দৰেই ঈদৰ নমাজ বা-জমাত পঢ়িব লাগে। ঈদৰ নমাজত আজান বা ইকামত দিব নালাগে।

ঈদৰ নমাজৰ প্ৰথম ৰাকাতত ইমাম চাহাব তকবীৰে তাহৰিমা আৰু ছানা পাঠ কৰি উচ্চস্বৰে আল্লাহু আকবাৰ কোৱাৰ সৈতে হাত উঠোৱা নমোৱা কৰে প্ৰত্যেক বাৰেই হাত দুখন নমাই দুয়ো কাষত পোনকৈ ৰাখে। ৭ তকবীৰ দিয়াৰ পিছত ইমাম চাহাবে প্ৰচলিত নিয়মানুযায়ী হাত বান্ধি নমাজ আৰম্ভ কৰে। মুক্তাদি সকলেও ইমামৰ দৰে (নিঃশব্দে) আল্লাহু আকবৰ পাঠ কৰি হাত দুখন কাণলৈ উত্তোলন কৰি আকৌ দুয়ো কাষত পোনকৈ ৰাখিব লাগে। আকৌ ইমাম চাহাবক অনুসৰণ কৰি হাত বান্ধি থিয় দিব লাগে। দ্বিতীয় ৰাকাতত ইমাম চাহাব আগৰ দৰে ৭ তকবীৰৰ পৰিৱৰ্তে ৫ তকবীৰ ক'ব।মুক্তাদি সকলে ইমাম চাহাবৰ অনুসৰণ কৰিব।দ্বিতীয় ৰাকাতৰ শেষত তাশ্বাহ্হুদ (আত্তাহিয়াতু) দৰূদ শ্বৰীফ পাঠ কৰি আৰু কিছুমান নিৰ্ধাৰিত দোৱা পাঠ কৰি ইমাম চাহাবে আচ্ছালামু আলাইকুম ওৱা ৰহমাতুল্লাহ উচ্চস্বৰে কৈ ছালাম

ফিৰাব। এনেকৈ ঈদৰ নমাজ শেষ কৰিব।

ঈদৰ নমাজ দুই ৰাকাত আদায় হোৱাৰ পিছত ইমাম চাহাবে খোতবা প্ৰদান কৰিব। জুমাৰ নমাজৰ দৰে ঈদৰ নমাজৰ খোতবা দুই অংশত বিভক্ত ইয়াত পাৰ্থক্য হ'ল জুমাৰ নমাজত খোতবা বা ফৰজ নমাজৰ আগত পাঠ কৰিব লাগে। কিন্তু ঈদৰ নমাজৰ খোতবা নমাজ পঢ়াৰ পিছত দিয়া হয়। খোতবাৰ শেষত ইজতমাই (একত্ৰিত ভাৱে) দোৱা হয়। ঈদুল আযহাৰ ২ ৰাকাত নমাজ আদায় কৰাৰ পিছতেই ইমাম চাহাব আৰু নমাজী সকলে উচ্চস্বৰে আল্লাহ তায়লাৰ প্ৰশংসাৰে তলত উল্লেখিত দোৱা তিনি বাৰ পাঠ কৰে ঃ-

اللهُ اكبر اللهُ اكبر لا اله الا الله والله اكبر الله اكبر ولله الحمد

**উচ্চাৰণ** ঃ-আল্লাহু আকবাৰ আল্লাহু আকবাৰ,লা ইলাহা ইল্লাল্লাহ, ওৱাল্লাহু আকবাৰ, আল্লাহু আকবাৰ ওৱা লিল্লাহিল হামদ।

**অৰ্থ** ঃ-আল্লাহ সৰ্বশ্ৰেষ্ঠ আল্লাহ সৰ্বশ্ৰেষ্ঠ। আল্লাহৰ বাহিৰে কোনো উপাস্য নাই, আৰু আল্লাহ সৰ্বশ্ৰেষ্ঠ আৰু তাৰ বাবেই সকলো প্ৰশংসা।

অনুৰূপ ভাৱে এই দোৱা ৯ জিলহজ্জা তাৰিখৰ ফজৰৰ নমাজৰ পৰা আৰম্ভ কৰি ১৩ জিলহজ্জা তাৰিখৰ আছৰৰ নমাজ লৈকে উচ্চস্বৰে প্ৰত্যেক নমাজৰ শেষত পাঠ কৰিব লাগে।

## ৱিতৰ নমাজ

ৱিতৰ শব্দৰ অৰ্থ হ'ল বেযোৰ। এই নমাজত ৰাকাতৰ সংখ্যা হ'ল তিনি।ইশ্বাৰ নমাজ পঢ়াৰ পিছত এই নমাজ পঢ়িব লাগে। ৱিতৰ নমাজত তৃতীয় ৰাকাতত ৰুকুৰ পৰা থিয় হৈ দোৱা কুনুত পাঠ কৰিব লাগে।

**দোৱায়ে কুনুত নিম্নৰূপ ঃ-**

اَللّٰهُمَّ اِنَّا نَسْتَعِيْنُكَ وَنَسْتَغْفِرُكَ وَنُؤْمِنُ بِكَ

وَنَتَوَكَّلُ عَلَيْكَ وَنُثْنِيْ عَلَيْكَ الْخَيْرَ وَنَشْكُرُكَ
وَلَا نَكْفُرُكَ وَنَخْلَعُ وَنَتْرُكُ مَنْ يَّفْجُرُكَ ۔ اَللّٰهُمَّ اِيَّاكَ نَعْبُدُ
وَلَكَ نُصَلِّيْ وَنَسْجُدُ وَاِلَيْكَ نَسْعٰى وَنَحْفِدُ
وَنَرْجُوْ رَحْمَتَكَ وَنَخْشٰى عَذَابَكَ اِنَّ عَذَابَكَ بِالْكُفَّارِ مُلْحِقٌ ۔

**উচ্চাৰণ ঃ-** আল্লাহুম্মা ইন্না নাছ্তাঈনুকা ওয়া নাছ্তাগফিৰুকা ওৱানু মিনুবিকা ওৱা নাতাওৱাক্কালু আলায়কা ওৱা নুছনি আলায়কাল খায়ৰা ওৱা নাশ্বকুৰুকা ওৱালা নাকফুৰুকা ওৱা নাখলাও ওৱা নাতৰুকু মাইয়াফজুৰুকা, আল্লাহুম্মা ইয়্যাকানা বুদু ওৱা লাকা নুছাল্লি ওৱা নাছজুদু ওৱা ইলায়কা নাছআ ওৱা নাহফিদু ওৱা নাৰজু ৰাহমাতাকা ওৱা নাখশ্বা আযাবাকা ইন্না আযাবাকা বিল কুফফাৰি মুলহিক।

**অৰ্থ ঃ-** হে আল্লাহ ! নিশ্চয় আমি তোমাৰ সহায় প্ৰাৰ্থনা কৰো আৰু আমি তোমাৰেই ওচৰত ক্ষমা প্ৰাৰ্থনা কৰো আৰু আমি তোমাৰ ওপৰত ঈমান (বিশ্বাস) ৰাখো। আৰু আমি তোমাৰ ওপৰত নিৰ্ভৰশীল, আৰু আমি উত্তমৰূপে তোমাৰ গুণকীৰ্তন কৰো আৰু আমি তোমাৰেই কৃতজ্ঞতা জ্ঞাপন কৰো আৰু আমি তোমাৰ অকৃতজ্ঞতা প্ৰকাশ নকৰো আৰু যিয়ে তোমাৰ অবাধ্য তাক আমি দূৰত ৰাখো আৰু তাৰ লগত কোনো সম্পৰ্ক নাৰাখো, হে আল্লাহ আমি তোমাৰেই ইবাদত কৰো, আৰু তোমাৰ উদ্দেশ্যে নমাজ পঢ়ো আৰু তোমাৰ ওচৰতেই ছিজদা কৰো, আৰু তোমাৰ ফালেই দৌৰি যাওঁ আৰু তোমাৰ ওচৰতেই থিয় হওঁ, আৰু তোমাৰ কৰুণা বিচাৰোঁ আৰু তোমাৰ প্ৰদত্ত শাস্তিক ভয় কৰো। নিশ্চয় তোমাৰ শাস্তি অস্বীকাৰকাৰী সকলৰ ওপৰত বৰ্ষিত হয়।

## নমাজৰ মকৰূহ সমূহ

যিবিলাক কাম অনাকাঙ্খিত আৰু নমাজৰ মৰ্যদা হানিকৰ সেয়াই মকৰূহ। নমাজৰ সময়ত সদায় সচেতন থাকিব লাগে যে তেওঁ তাৰ প্ৰভু প্ৰতিপালকৰ

ওচৰত থিয় দিছে। নমাজৰ মকৰূহসমূহ তলত দিয়া হ'ল ঃ-

১) পিন্ধি থকা কাপোৰ লৰচৰ কৰা বা টনাটনি কৰা।

২) ইফালে সিফালে নাইবা ওপৰৰ ফালে চোৱা।

৩) চকু বন্ধ কৰি ৰখা।

৪) মূৰ নাঢাকি নমাজ পঢ়া।

৫) ছিজদাৰ সময়ত ভৰি আৰু হাতৰ আঙুলি কাবামুখী কৰি নৰখা নাইবা ভৰি দুটা দাঙি মাটিৰ পৰা ওপৰলৈ উঠাই লোৱা।

৬) খাদ্য বস্তু প্ৰস্তুত কৰি খাবলৈ বাঢ়ি দিলে তেনেকৈ থৈ নমাজ আদায় কৰা।

৭) শৌচ,পেচাব ভিতৰত জোৰকৈ ধৰি ৰাখি নমাজ চলাই যোৱা।

৮) সমাধি ক্ষেত্ৰত কবৰৰ ফালে মুখ কৰি নমাজ পঢ়া।

৯) নমাজত অসুবিধা সৃষ্টি হোৱা সাচ-পোছাক পিন্ধি নমাজ পঢ়া।

১০) এটা প্ৰতিকুল পৰিৱেশত নমাজ পঢ়া যেনে- আস্তাবলত,ছাগলীৰ গড়ালত নাইবা কোলাহপূৰ্ণ বজাৰত।

১১) গোটেই শৰীৰৰ ওজন এটা ভৰিৰ ওপৰত ৰাখি অৰ্থাৎ একভৰি হৈ নাইবা এনেকুৱা কৰ্ম কৰি যিটোৱে নমাজৰ মৰ্যদা নষ্ট কৰে।

১২) ছুতৰা অবিহনে এটা মুকলি ময়দান বা পথাৰ আদিত নমাজ পঢ়া। যিকোনো এটা বস্তুৱে এজনে তাৰ সন্মুখত ছিজদাৰ স্থানৰ সীমা নিৰ্ধাৰণ কৰা চিহ্নিত কৰাটোৱে ছুতুৰ বুলি কোৱা হয়।

১৩) নমাজৰ সময়ত কোনোবাই আচ্ছালামু আলাইকুম কলে নমাজীয়ে মূৰ ইফালে সিফালে লৰচৰ কৰা।

১৪) খোৱাৰ পিছত মুখ নুধোৱাকৈ নমাজ পঢ়া।

১৫) নমাজত পাঠ কৰা চুৰা সমূহৰ তৰতিব অৰ্থাৎ ধাৰাবাহিকতা ৰক্ষা নকৰা। প্ৰথম ৰাকাতত কোৰাণ কৰিমৰ যি কোনো চুৰা পাঠ কৰা হয় পৰৱৰ্তী ৰাকাতত তাৰ পূৰ্ববৰ্তী চুৰা পাঠ কৰা হয়।

১৬) ছিজদাৰ সময়ত কপালৰ তলত হাত ৰখা।

১৭) ছিজদাৰ সময়ত উৰুৰ ওপৰত পেট পেলাই ৰাখা।
১৮) ছিজদাৰ সময়ত হাতৰ কিলাকুটি মাটিত পেলাই অৰ্থাৎ পাৰি দিয়া।
১৯) ৰুকু আৰু ছিজদাত কোৰাণ কৰিমৰ আয়াত পাঠ বা তিলাওত কৰা।
২০) ইমামক অনুসৰণ নকৰা অৰ্থাৎ ইমামৰ আগতেই কোনো কাম কৰা।
**টোকা ঃ** ১) নমাজৰ স্থানত কোনো ক্ষতিকাৰক পোক-পৰুৱা দেখিলে সেয়া নমাজীয়ে মাৰি পেলাব পাৰে।
(২) প্ৰথমেই নমাজৰ স্থান ছাফ-চিকুন হোৱাটো প্ৰয়োজন আৰু বায়ু প্ৰদুষণ মুক্ত হোৱা উচিত প্ৰত্যেক মুছলমানেই সেই মুহূৰ্তত যদি নমাজ পঢ়ি থকা নাই তেন্তে তেওঁ নমাজৰ মৰ্যদা ৰক্ষা কৰিব লাগে। কোনোবাই মুখৰ কথাৰে নাইবা কোনো কৰ্মৰ দ্বাৰা নমাজীক কোনো ধৰণৰ বিৰক্তি প্ৰদান কৰা উচিত নহয়। নমাজীৰ সন্মুখৰে অতিক্ৰম কৰা বৈধ নহয়। ইয়াৰ অৰ্থ হ'ল নমাজীৰ সন্মুখত থকা ব্যক্তিয়ে নমাজ পঢ়ি থকা ব্যক্তিজনৰ নমাজ শেষ হোৱালৈকে  অপেক্ষা কৰিব লাগিব।

## যিবিলাক কাম কৰিলে নমাজ বাতিল হৈ যায়

**তলত উল্লেখিত কাম বিলাক কৰিলে বা হৈ গলে নমাজ ভঙ্গ হৈ যায়।**
১) অজু নষ্ট হৈ গলে।
২) নমাজৰ সময়ত কিবা খোৱা বা পান কৰিলে।
৩) নমাজৰ সময়ত কথা কলে বা কাৰোবাৰ প্ৰশ্নৰ উত্তৰ দিলে।
৪) নমাজৰ সময়ত হাঁহিলে।
৫) নমাজ পঢ়া অৱস্থাত ইফাল সিফালে মুখ ঘূৰাই চালে।

### ছিজদা ছহু বা শুধৰণী ছিজদা

যদি কোনো ব্যক্তিয়ে নমাজ বৈধতাৰ ওপৰত সন্দেহ জন্মে, যেনে- নমাজৰ ৰাকাত কম বেছি হোৱাৰ ওপৰত সন্দেহ সৃষ্টি হয় তেনে ক্ষেত্ৰত ছিজদা ছহু কৰা প্ৰযোজ্য।  শেষ কাদাহ বা বৈঠকত তাশ্বাহ্হুদ দৰুদ আৰু অন্যান্য নিৰ্ধাৰিত দোৱা সমূহ পাঠ কৰি দুটা ছিজদা কৰিব লাগে। এই ছিজদাতো

ছুবাহানা ৰাববিয়াল আলা পাঠ কৰিব লাগিব। পুনৰবাৰ ইমাম চাহাব কাদাহ অৱস্থাত বহি আচ্ছালামু আলাইকুম ওৱা ৰহমাতুল্লাহ কোৱাৰ পিছত সোঁ ফালে বাওঁফালে মুখখন ঘূৰাই নমাজ শেষ কৰিব পাৰে। ইমাম চাহাবে ভুলৰ বাবে ছিজদা ছহু বা সংশোধনী ছিজদা কৰিব লাগে। কিন্তু যদি কোনো মুক্তাদি বা অনুসৰণকাৰীয়ে  ভুল কৰে তেন্তে ইমাম চাহাবে শুধৰণী ছিজদা নকৰিব।কিমান ৰাকাত নমাজ পঢ়া হ'ল সেইটো পাহৰি সন্দেহ জন্মিলে এজনে নিশ্চিত হোৱাৰ নীতি পালন কৰিব। উদাহৰণ স্বৰূপ যদি সন্দেহ জন্মিলে যে এজনে তিনি বা চাৰি ৰাকাত নমাজ পঢ়িছে সেই ক্ষেত্ৰত সাৱধানতা বশতঃ চতুৰ্থ ৰাকাত নমাজ আদায় কৰিব যদিও তেওঁ আগতেই এই ৰাকাত পঢ়ি লৈছে।

## বেমাৰ বা অসুস্থ অৱস্থাত নমাজ

ইছলাম ধৰ্মত নমাজ পঢ়াৰ প্ৰতি সকলোতকৈ বেছি গুৰুত্ব প্ৰদান কৰিছে। যদি এজন বেমাৰী ব্যক্তিয়ে থিয় দি নমাজ আদায় কৰিব নোৱাৰে তেন্তে তেওঁ বিছনাত বহি নমাজ আদায় কৰিব পাৰে। যদি তেওঁ বহিও নমাজ পঢ়িব নোৱাৰে তেন্তে তেওঁ বিছনাত শুই শুই নমাজ পঢ়িব পাৰে। যদি এজনে ৰুকু বা ছিজদা কৰিব নোৱাৰে তেন্তে তেওঁ মাত্ৰ ইঙ্গিতৰ সহায়ত নমাজ পঢ়িব পাৰে। যদি কোনোবাই চৰম অসুস্থ হৈ পৰে আৰু হাত ভৰি লৰচৰ কৰিব নোৱাৰে কিন্তু অজ্ঞান হৈ নপৰে তেন্তে তেওঁ মনে মনে ইঙ্গিত কৰি কৰণীয়া বিলাক কৰি নমাজ পঢ়িব পাৰে।

## ভ্ৰমণত থকা অৱস্থাত নমাজ

যদি যানবাহনত অহা-যোৱা কৰাৰ সময়ত কোনো ব্যক্তিয়ে থিয় হৈ নমাজ পঢ়াত অসুবিধা হয় বা তেওঁ সেই বাহনৰ পৰা নামি নমাজ পঢ়িবলৈ সক্ষম নহয় তেন্তে সেই ব্যক্তিজনে বহি বহি নমাজ আদায় কৰিব পাৰে। এনেকুৱা অৱস্থাত কিবলাৰ ফালে মুখ কৰাৰ বাধ্যবাধকতা নাথাকে। যদি সম্ভৱ হয় তেন্তে সেই ব্যক্তি জনে ঘোঁৰা,উট,হাতী,গাড়ী,ৰেল জাহাজ আদি যিফালে গৈ আছে সেই ফালে মুখ কৰি নমাজ পঢ়িব পাৰে। যেতিয়া এজন ব্যক্তি ভ্ৰমণত থাকে তেতিয়া তেওঁ তাৰ প্ৰত্যেক ওৱাক্ত নমাজৰ ছুন্নত অংশসমূহ

প্ৰয়োজন নাই।কিন্তু ৱিতৰৰ ৩ ৰাকাত আৰু ফজৰৰ ২ ৰাকাত ছুন্নত বাদ দিব নোৱাৰে। ভ্ৰমণ কালত নফল বা অতিৰিক্ত নমাজ পঢ়া ভ্ৰমণকাৰীৰ ইচ্ছাধীন। ইয়াৰ উপৰি ভ্ৰমণ কালত জমা নমাজ আদায় কৰাৰ অনুমতি আছে। জহুৰৰ নমাজ আছৰৰ নমাজৰ লগত জমা হিচাপে পঢ়িব পাৰে নাইবা আছৰৰ নমাজ আগুৱাই আনি জহুৰৰ নমাজৰ পিছত জমা হিচাপে পঢ়িব পৰা যায়। তেনেকৈ ইশ্বাৰ নমাজ নাগৰিবৰ পিছত জমা কৰিব পৰা যায়।কিন্তু ইশ্বাৰ নমাজৰ লগত জমা কৰিবলৈ হলে ইশ্বাৰ আগত মগৰিবৰ নমাজ আদায় কৰি ইশ্বাৰ নমাজ জমা হিচাপে পঢ়ি ল'ব পৰা যায়।

আনফালে যদি ভ্ৰমণকাৰীয়ে এজন ইমামৰ পিছত বা-জমাত নমাজ পৰে আৰু সেই ইমামজন যদি স্থানীয় বাসিন্দা হয় তেন্তে মুক্তাদি হোৱা ভ্ৰমণকাৰী সকলে ইমামৰ অনুসৰণত নমাজ সম্পূৰ্ণ আদায় কৰিব লাগিব। অৰ্থাৎ জহুৰ,আছৰ আৰু ইশ্বাৰ নমাজ ৪ ৰাকাতেই পঢ়িব লাগিব। এই ক্ষেত্ৰত নমাজ কছৰ কৰিলে তাৰ নমাজ অশুদ্ধ হ'ব। কিন্তু যদি ভ্ৰমণকাৰী এজনে ইমাম হয় তেন্তে তেওঁ নিয়ম অনুসৰি নমাজ কছৰ পঢ়িব আৰু পিছত থকা স্থানীয় মুক্তাদি সকলে (ভ্ৰমণকাৰী নহলে) ইমাম চাহাবে ছালাম ফিৰাই নমাজ শেষ কৰাৰ পিছত নিজৰ নিজৰ বাকী থকা নমাজ অৰ্থাৎ ৰাকাত নিয়ম অনুসৰি সম্পূৰ্ণ কৰিব লাগিব। কিন্তু মুক্তাদি সকলে ইমাম চাহাবক অনুসৰণ কৰি নমাজ শেষ কৰিব। অৰ্থাৎ স্থানীয় ইমামৰ পিছত থকা ভ্ৰমণকাৰী মুক্তাদিৰ সম্পূৰ্ণ নমাজ পঢ়িব লাগিব আৰু ভ্ৰমণকাৰী ইমামৰ নমাজ কছৰ হ'ব। কিন্তু স্থানীয় মুক্তাদিয়ে নমাজ ওপৰত উল্লেখ কৰা মতে ইমাম চাহাবে ছালাম ফিৰাই নমাজ শেষ কৰাৰ পিছত সম্পূৰ্ণ নমাজ আদায় কৰিব।

**ছালাতুল খাওফ ( ভয়াতুৰ অৱস্থাত নমাজ)**

এজন ব্যক্তিয়ে যেতিয়া জীৱন মৰণ বিপদৰ সন্মুখীন হয় বা ভয় হয় তেতিয়া সেই ব্যক্তিজনে নমাজ কছৰ (চমু) পঢ়িবৰ অনুমতি আছে। যেনে- যুদ্ধৰ সময়ত। কছৰ কৰাৰ অৰ্থ হ'ল নমাজ সংক্ষিপ্ত কৰা। যেতিয়া যুদ্ধ ক্ষেত্ৰত প্ৰচণ্ড যুদ্ধ বা কোনো শত্ৰুপক্ষই আকস্মিক আক্ৰমণৰ ভয় বা আশঙ্কা থাকিলে,অথবা যুদ্ধৰ সৈন্য সকলে বাধ্য হৈ কোনো ট্ৰেন্সৰ ভিতৰত আশ্ৰয়

ললে তেতিয়া অৱস্থা ভয়ানক আৰু গুৰুতৰ হোৱাৰ বাবে নমাজ কছৰ পঢ়িব পাৰে।

এনেকুৱা অৱস্থাত যদি পৰিস্থিতিয়ে ২ ৰাকাত নমাজ আদায় কৰাৰ সুবিধা দিয়ে। যদি কোনো ভ্ৰমণকাৰী এনেকুৱা এটা স্থানত উপস্থিত হয়,যি ঠাইত তেওঁ ১৫ দিনতকৈ কম সময় অৱস্থান কৰিব তেতিয়া সেই ক্ষেত্ৰত তাৰ সুবিধা আছে অৰ্থাৎ তেওঁ নমাজ কছৰ পঢ়িব অৰ্থাৎ সংক্ষেপ কৰি ওপৰত উল্লেখ কৰা ধৰণে দুই ৰাকাত নমাজ আদায় কৰিলেই হ'ব।কিন্তু এই সুবিধা ফজৰ আৰু মগৰিবৰ নমাজত প্ৰযোজ্য নহ'ব। যদি কোনো ব্যক্তি তেওঁ নিজৰ গৃহৰ বুলি ভাৱে যেনে- নমাজ আদায় কৰা বিপদজনক হলে অকলে অকলে নমাজ পঢ়া বাঞ্ছনীয়। কিন্তু পৰিস্থিতি সাপেক্ষে ইয়াৰ কোনোটোৰে সম্ভৱ নহয় তেন্তে কাবাৰ পিনে মুখ হওক বা নহওক খোজ কাঢ়ি থকা অৱস্থাত বা বাহনত থকা অৱস্থাতেই নমাজ আদায় কৰিব পাৰে। যদি ভয় বিপদ চৰম পৰ্যায় পায় তেন্তে এজনে ইঙ্গিতৰ সহায়েৰে নমাজ পঢ়িব পাৰে। অথবা নমাজ পঢ়াৰ নিয়ত কৰি ইঙ্গিতত নিৰ্ধাৰিত চুৰাৰ কেইটা আয়াত পাঠ কৰি নমাজ পঢ়া যায়। এনেকুৱা অৱস্থাত কেইবাটাও ওৱাক্তৰ নমাজ জমা পঢ়াৰ অনুমতি আছে। (ছহী বুখাৰী, কিতাবুল মাগাজি,বাব গজয়াৰে খন্দক,ছহী মুছলিম বা ছালাতুল খাওফ)

## কাজা বা (অনাদায়ী) নমাজ

এজন ব্যক্তিয়ে যদি সময় মতে নমাজ আদায় কৰিব নোৱাৰে। যেনে-পাহৰি গলে,টোপনি লাগে অজ্ঞান হৈ পৰিলে আদি,এইবিলাক নমাজ পিছত আদায় কৰি লোৱাকে কাজা নমাজ বোলে। ইয়াত যিটো ওয়াক্তৰ নমাজ কাজা আদায় কৰা হয় তাৰ কেৱল ফৰজ নমাজ খিনি পঢ়িলেই চলে। যেতিয়া কোনো ব্যক্তিৰ ফৰজ নমাজ সমূহ পঢ়া হোৱা নাই বুলি মনত পৰে তৎক্ষণাত স্বাভাৱিক ধাৰবাহিকতাৰ ওপৰত লক্ষ্য ৰাখি তাৰ সেই নমাজ পঢ়ি লোৱা উচিত।

কিছুমান ব্যক্তিয়ে ধৰ্মীয় আনুমানিক জ্ঞানৰ ওপৰত ভিত্তি কৰি এনেকুৱা ফতোৱা বাহিৰ কৰিছে যে এজন ব্যক্তিয়ে গোটেই জীৱন নমাজ পঢ়া নাই

ইয়াৰ ক্ষতিপুৰণ হিচাপে এটা বদলি নমাজ পঢ়িব পাৰে। সিহঁতে এই নমাজ কাজায়ে ওমৰী হিচাপে নামাকৰণ কৰিছে। এই ভুল শিক্ষা প্ৰচলন হোৱাৰ বাবেই মুছলমান সকলে নমাজ পঢ়াৰ প্ৰতি অমনযোগী হৈ পৰিছে।

নমাজ প্ৰত্যেক আত্মাৰ দৈনিক বিশেষ আহাৰ। কেনেকৈ এজন মানুহ ১০ বছৰ ব্যাপি আহাৰ নাখাই থাকিব পাৰে বা দশ বছৰৰ খাদ্য এবাৰতেই খাব পাৰে ? এইটোৱে নমাজৰ ব্যৱস্থাপনাক অৰ্থহীন কৰে মানুহক গোটেই জীৱন নমাজৰ অৱহেলা প্ৰদৰ্শন কৰি নমাজ আদায় নকৰাৰ ভাৱে উৎসাহিত কৰে আৰু পিছত কেৱল এদিন কাজায়ে ওমৰী নমাজৰ দ্বাৰা ক্ষতি পূৰণ কৰাৰ বাবে নিৰ্ধাৰিত কৰে। এই ধাৰণা নবী কৰিম (ছাঃ)ৰ প্ৰদত্ত শিক্ষাৰ পৰিপন্থী। ইছলামী ফিকাহ শাস্ত্ৰ অনুযায়ী যদি কোনো ব্যক্তি সজ্ঞানে বা ইচ্ছাকৃত ভাৱে নমাজ নপঢ়ে তেন্তে তাৰ এটা ওৱাক্ত নমাজ কোনো কাজা নমাজৰ সহায়ত ক্ষতি পূৰণ কৰিব নোৱাৰে আৰু সেই ওৱাক্ত নমাজ তাৰ জীৱনৰ পৰা চিৰদিনৰ বাব গুচি যায়। কিন্তু এই বিলাক ক্ষেত্ৰত একমাত্ৰ সৰ্বশক্তিমান আল্লাহ তায়লাই যথাৰ্থ বিচাৰকৰ মালিক তেওঁৱেই বিচাৰ কৰিব।

## অন্য কিছুমান নমাজ

(ক) **তাহাজ্জুদৰ নমাজ** ঃ-ইশ্বাৰ নমাজৰ পিছত অযথা সময় খৰচ নকৰি সোনকালে টোপনি যাব লাগে আৰু মহা কল্যাণৰ উৎস তাহাজ্জুদৰ নফল নমাজ পঢ়াৰ বাবে ৰাতি অৰ্ধাংশৰ পিছত উঠিব লাগে। যদিও এই নমাজ ফৰজ নহয় তথাপি এই সম্পৰ্কে কোৰাণ কৰিমত অতিকৈ গুৰুত্ব প্ৰদান কৰিছে। আল্লাহ তায়লাৰ বিশেষ কৰুণা লাভ কৰিবলৈ ধাৰ্মিক লোক সকলে নিয়মিত এই নমাজ পঢ়াৰ প্ৰতি ধ্যান দিয়ে।ফজৰৰ নমাজৰ সময় হলে তাহাজ্জুদৰ সময় শেষ হৈ যায়। তাহাজ্জুদৰ নমাজত কৰা কাকুতি-মিনতি সৰ্বশক্তিমান আল্লাহ তায়লাৰ ওচৰত সহজেই গৃহীত হৈ থাকে। এই নমাজ আল্লাহ তায়লাৰ সান্নিধ্য লাভৰ এটা বাহন যাত্ৰা কিয়নো এই সময়খিনিত এজন নমাজীয়ে বিছনাৰ আৰাম ত্যাগ কৰি,টোপনি এৰি তাৰ খোদা তায়লাৰ সমীপত ছিজদা  বিনত হৈ পৰে। তাহাজ্জুদৰ নমাজ ৮ ৰাকাত পঢ়িব লাগে। নবী কীৰম (ছাঃ) য়ে সদায় ৮ ৰাকাত তাহাজ্জুদৰ নমাজ পঢ়িছিল।

নবী কৰিম (ছাঃ) এই নমাজত থিয় দি কোৰাণ কৰিমৰ দীঘলীয়া চুৰাবোৰ পাঠ কৰিছিল। লগতে অতি বিনয় আৰু মিনতিৰে এই দীৰ্ঘ সময় ৰুকু আৰু ছিজদা কৰিছিল। তেখেত (ছাঃ)য়ে ৮ ৰাকাত তাহাজ্জুদৰ নমাজ আদায় কৰাৰ পিছত ৩ ৰাকাত  ৱিতৰ নমাজ আদায় কৰিছিল।

**(খ) নমাজ তাৰাৱিহ**

ৰমজান মাহত তাৰাৱিহ নমাজ আদায় কৰিবলৈ এটা বিশেষ নিৰ্দেশ আছে। ৰমজান মাহত প্ৰত্যেক ৰাতিয়েই এই নমাজ পৰিব লাগে। এই তাৰাৱিহ নমাজ প্ৰকৃত পক্ষে তাহাজ্জুদৰ সময়ত পঢ়া হৈছিল। ইশ্বাৰ নমাজৰ পিছতেই এই তাৰাৱিৰ নমাজ পঢ়াৰ অনুমতি হজৰত ওমৰ (ৰাঃ)ৰ খিলাফতৰ সময়ত অনুমোদিত হয়।

মুছলমান সকলৰ মাজত নবী কৰিম (ছাঃ)ৰ ছুন্নতৰ অনুসৰণত তাৰাৱিৰ নমাজত কোৰাণ কৰিমৰ দীঘল অৰ্থাৎ ডাঙৰ চুৰা পাঠ কৰাৰ নিয়ম প্ৰচলিত আছে। তাৰাৱিৰ নমাজ সাধাৰণতে ৮ ৰাকাত। কিন্তু ইচ্ছা কৰিলে ২০ বা আৰু বেছি ৰাকাত পঢ়িব পাৰে। এইটো মনত ৰাখিব লাগে যে প্ৰত্যেক ৪ ৰাকাতৰ পিছত অলপ সময় জিৰণি লোৱা নিয়ম আছে।

**(গ) ছালাতুল কছুফ ও খছুফ ঃ-**

সূৰ্য্য গ্ৰহণক **কুছুফ** আৰু চন্দ্ৰ গ্ৰহণক **খুছুফ** বুলি কোৱা হয়। মহাকাশীয় উপকৰণ সমূহত দৃষ্টি গোচৰ হোৱা পৰিৱৰ্তনে মান মণ্ডলীক মনত পেলাই দিয়ে যে যেনেকৈ গ্ৰহণৰ সময়ত চন্দ্ৰ আৰু সূৰ্য্যই যি ধৰণে দৃষ্টি গোচৰ হয় যে ইহঁতৰ পোহৰ নাইকীয়া হৈ গৈছে তেনেকৈ বিভিন্ন আধ্যাত্মিক ব্যাধিয়ে মানৰ মণ্ডলীৰ হৃদয়ৰ আধ্যাত্মিক জ্যোতি যিটোৱে মানৰ হৃদয়ক উজ্জ্বল কৰে সেইটো নাইকীয়া কৰি দিয়ে। এনেকুৱা আধ্যাত্মিক গ্ৰহণৰ পৰা কেৱল আল্লাহ তায়লাৰ কৰুণাহে কোনোবাজনক ৰক্ষা কৰিব পাৰে। গতিকে সূৰ্য্য গ্ৰহণ আৰু চন্দ্ৰ গ্ৰহণৰ সময়ত ২ ৰাকাত নমাজ নিৰ্ধাৰিত কৰা হৈছে। এইটোৱে বিশ্ববাসীক মনত পেলাই দিয়ে যে যদি সিহঁতে নিজৰ আধ্যাত্মিক উন্নতি পাবলৈ বিচাৰে তেন্তে সিহঁতে আল্লাহ তায়লাৰ দয়া আৰু আল্লাহ তায়লাৰ কৰুণাৰ প্ৰাৰ্থনা কৰা উচিত।

চহৰ বা নগৰ আদিৰ বাসিন্দা সকলে মছজিদ নাইবা মুকলি ময়দানত বা-জমাত ২ ৰাকাত নমাজ আদায় কৰিব লাগে। এই নমাজত চুৰা ফাতিহা আৰু কোৰাণ কৰিমৰ দীঘল চুৰা কিৰাত (উচ্চস্বৰে) পাঠ কৰা হয়। প্ৰত্যেক ৰাকাতত দুটাকৈ ৰুকু কৰিব লাগে। তাৰ পিছত ইমাম চাহাবে থিয় দিব আৰু কোৰাণ কৰিমৰ কিছুমান চুৰা পাঠ কৰি নমাজৰ এটা ৰুকু দিব লাগে। পিছত ইমাম চাহাবে আকৌ থিয় দিব লাগে আৰু কোৰাণ কৰিমৰ কেইটামান আয়াত পাঠ কৰি দ্বিতীয়বাৰ ৰুকুলৈ যাব লাগে। নবী কৰিম (ছাঃ)ৰ কিছুমান হাদীছৰ পৰা আমি জানিব পাৰি যে এই নমাজত ১ ৰাকাতত তিনিটা ৰুকু কৰিব লাগে তাৰ পিছতেই ইমাম চাহাবে ছিজদা অৱস্থালৈ যায়। ৰুকু আৰু ছিজদাৰত অৱস্থাত দীৰ্ঘ সময় দোৱা কৰা হয়। নমাজত মুক্তাদি সকলে ইমামক অনুসৰণ কৰিব লাগে। এই নমাজৰ শেষত ইমাম চাহাবে এটা খোতবা প্ৰদান কৰিব লাগে। এই খোতবা খিনিত ইমাম চাহাবে আল্লাহ তায়লাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰাৰ বাবে দৃষ্টি আকৰ্ষণ কৰে আৰু সমাজ সংশোধন হোৱাৰ বাবে পৰামৰ্শ আৰু পদ্ধতি বা পথ নিৰ্দেশ কৰিব লাগে।

**(ঘ) বৰষুণৰ বাবে নমাজ ঃ-**

অনাবৃষ্টি বা খৰাং বতৰৰ পৰা ৰক্ষা পাবলৈ মানুহে আল্লাহ তায়লা দয়া আৰু কৰুণা কামনাৰে মুকলি পথাৰত দিনৰ বেলিকা নমাজৰ বাবে গোট খায়। এই নমাজত ইমাম চাহাবে তাৰ পোছাকৰ ওপৰত এখন অতিৰিক্ত চাদৰ মেৰিয়াই লৈ দুই ৰাকাত নমাজৰ ইমামতি কৰিব লাগে। এই নমাজত উচ্চস্বৰে কোৰাণ আয়াত বা চুৰা তিলাওত কৰিব লাগে। নমাজৰ শেষত ইমাম চাহাবে জমাতকলৈ হাত উঠোৱাই তলত উল্লেখিত দোৱা পাঠ কৰে ঃ-

اَللّٰهُمَّ اسْقِنَا غَيْثًا مُغِيثًا مُرِيعًا، نَافِعًا غَيرَ ضَارٍّ، عَاجِلاً غَيرَ آجِلٍ. اَللّٰهُمَّ اسْقِ عِبادَكَ وَبَهَائِمَكَ وَانْشُرْ رَحمَتَكَ وَاَحْيِ بَلَدَكَ المَيِّتَ. اَللّٰهُمَّ اسْقِنَا، اَللّٰهُمَّ اسْقِنَا.

**উচ্চাৰণঃ**-আল্লাহুম্মাছকিনা গায়ছাম মুগিছাম মুৰিয়ান নাফিয়ান ঘাইৰা জাৰৰিণ আজিলান ঘাইৰা আজালিন-আল্লাহুম্মাছকি ইবাদাকা ওৱা বাহাইমাকা ওৱানশুৰ ৰাহমাতাকা ওৱা আহয়ি বালাদাকাল মায়য়িতা- আল্লাহুম্মাছ কিনা আল্লাহুম্মাছকিনা।

**অৰ্থ** ঃ- হে আল্লাহ ! তুমি আমাক নেৰা-নেপেৰা বৰষুণেৰে পানী দান কৰা, এনেকৈ পানী যিমানে আমাৰ হতাশা দূৰ কৰিব পাৰে। সকলো শস্য-শ্যামলা কৰি তুলে (কাকো যেন) লোকচান নকৰে (সেই পানী যেন) সোনকালে আহে আৰু তোমাৰ সকলো জীৱ-জন্তুবোৰক আৰু কৰুণাক তুমি সিঁচৰিত কৰি দিয়া, আৰু জীৱন সঞ্চাৰিত কৰি দিয়া তুমি এই মৃত ভুখণ্ড। হে আল্লাহ! আমাক পানী পান কৰিবলৈ দিয়া, হে আল্লাহ! আমাক পানী পান কৰিবলৈ দিয়া। (ছুনন আবু দাউদ, কিতাবুছ্ছালাত)

ইয়াৰ পিছত ইমাম চাহাবে লগত সকলোৰে দৰূদ পাঠ কৰিব আৰু বিনয় ভৰা নম্ৰতা প্ৰকাশ কৰিব আৰু খোদা তায়লাৰ ভৰপুৰ প্ৰশংসা কৰিব আৰু ইমাম চাহাবে খোদা তায়লাৰ মহত্ব আৰু দানৰ সম্পৰ্কে প্ৰশংসা কৰি দোৱা কৰিব। ইয়াৰ পিছতেই ইমামে গাত মেৰিয়াই লোৱা চাঁদৰ ওলোটাই পেলাই দিব। এইটোৱে উত্তম আত্মসমৰ্পনৰ চিত্ৰ অঙ্কন কৰে আৰু একক ভাৱে স্ৰষ্টাৰ ওচৰত লোকসকলৰ অঙ্গী কাৰক সমুন্নত কৰে। এইটোৱে খোদা তায়লাৰ ওচৰত এইটো অনুৰোধ কৰে যেনেকৈ ইমাম তাৰ চাদৰক ওলটাই পেলাইছে তেনেকৈ এই সৰ্বশক্তিমান আল্লাহ সিহঁতৰ দোৱা গ্ৰহণ কৰি লয় আৰু খৰাং বতৰৰ অসুবিধা আৰু কষ্টকৰ পৰিস্থিতি আঁতৰ কৰি দিয়া হয়।

**ইস্তেখাৰাৰ নমাজ ঃ-**

সৰ্বশক্তিমান খোদা তায়লাৰ ওচৰৰ পৰা সুপথ-নিৰ্দেশনা লাভ কৰাৰ বাবে এই নমাজ পঢ়া হয়। যেতিয়া কোনো ব্যক্তিয়ে গুৰুত্বপূৰ্ণ কাম বা পৰিকল্পনা কৰিবলৈ উদ্যোগী হয় যেনে- ব্যৱসায়,ভ্ৰমণ,বিয়া ইত্যাদি,নাইবা কোনো ধৰ্মীয় বিষয়তও হ'ব পাৰে আৰু অন্যান্য ক্ষেত্ৰতও এই নমাজ পঢ়া হয়। এই নমাজৰ একমাত্ৰ উদ্দেশ্য হ'ল খোদা তায়লাৰ সহায় প্ৰাৰ্থনা কৰা যাতে তেওঁ কৰিবলৈ লোৱা কাম সাফল্যমণ্ডিত হয়। ৰাতি টোপনিলৈ যোৱাৰ আগত

এই দুই ৰাকাত নমাজ পঢ়িব পাৰে। এই নমাজৰ প্ৰথম ৰাকাতত চুৰা ফাতিহাৰ পিছত চুৰা কাফিৰুন আৰু দ্বিতীয় ৰাকাতত চুৰা ফাতিহাৰ পিছত চুৰা ইখলাচ পাঠ কৰিব লাগে। কাদাহ্ বা বৈঠক অৱস্থাত তাশ্বাহ্হুদ আৰু দৰূদ শ্বৰীফৰ পিছত অন্যান্য দোৱা পাঠৰ লগত নিম্ন লিখিত দোৱাটো পাঠ কৰিব লাগে।

اَللّٰهُمَّ اِنِّىٓ اَسْتَخِيْرُكَ بِعِلْمِكَ وَاَسْتَقْدِرُكَ بِقُدْرَتِكَ
وَاَسْئَلُكَ مِنْ فَضْلِكَ الْعَظِيْمِ ط فَاِنَّكَ تَقْدِرُ وَلَا اَقْدِرُ
وَتَعْلَمُ وَلَا اَعْلَمُ وَاَنْتَ عَلَّامُ الْغُيُوْبِ ط
اَللّٰهُمَّ اِنْ كُنْتَ تَعْلَمُ اَنَّ هٰذَا الْاَمْرَ خَيْرٌ لِّىْ فِىْ دِيْنِىْ
وَمَعَاشِىْ وَعَاقِبَةِ اَمْرِىْ فَاقْدِرْهُ لِىْ وَيَسِّرْهُ لِىْ
ثُمَّ بَارِكْ لِىْ فِيْهِ وَاِنْ كُنْتَ تَعْلَمُ اَنَّ هٰذَا الْاَمْرَ شَرٌّ لِّىْ
فِىْ دِيْنِىْ وَمَعَاشِىْ وَعَاقِبَةِ اَمْرِىْ فَاصْرِفْهُ عَنِّىْ
وَاصْرِفْنِىْ عَنْهُ وَاقْدِرْ لِىَ الْخَيْرَ حَيْثُ كَانَ ثُمَّ اَرْضِنِىْ بِهٖ ـ

**উচ্চাৰণ ঃ**-আল্লাহুম্মা ইন্নি আছতাখিৰুকা বিইলমিকা ওৱা আছতাকদিৰুকা বিকুদৰাতিকা ওৱা আছআলুকা মিন ফাজলিকাল আজিম,ফাইন্নাকা তাকদিৰু ওৱা লা আকদিৰু  ওৱা তাআলামু ওৱা লা আলামু ওৱা আনতা আল্লামুল গুইউব। আল্লাহুম্মা ইন কুনতা তাআলামু আন্না হাজাল আমৰা খাইৰুললি ফি দিনি ওৱা মাআশ্বি ওৱা আকিবাতি আমৰি ফাআকদিৰহু লি ওৱা ইয়াচ্ছিৰহু লি,ছুম্মা বাৰিক লি ফিহি,ওৱা ইন কুনতা তাআলামু আন্না হাজাল আমৰা শ্বাৰুল লি ফি দিনি ওৱা মাআশ্বি ওৱা আকিবাতি আমৰি ফাআছৰিফহু আন্নি ওৱা আছৰিফনি আনহু ওৱা আকদিৰ লিআল খাইৰা হাইছু কানা ছুম্মা আৰজিনি বিহি।

**অৰ্থ ঃ**- হে আল্লাহ ! নিশ্চয় মই তোমাৰ জ্ঞানৰ ফালৰ পৰা মঙ্গল কামনা কৰিছোঁ আৰু তোমাৰ শক্তি আৰু মহিমাৰ পৰা শক্তি আৰু মহিমা কামনা কৰিছোঁ আৰু তোমাৰ দয়াৰ কামনা কৰিছোঁ। কিয়নো তুমিয়েই শক্তিশালী আৰু মই দুৰ্বল আৰু তুমি সৰ্বজ্ঞানী আৰু মোৰ একো জ্ঞান নাই আৰু তুমি

অদৃশ্য সকলোতে জ্ঞান ৰাখা। হে আল্লাহ ! তুমি নিশ্চয় জানা যে এই কাম (এইখিনিতে মনস্থ কৰা কামৰ কথা উল্লেখ হ'ব) মোৰ বাবে মোৰ দ্বীন আৰু দুনিয়াৰ আৰু মোৰ পৰিণামৰ বাবে কল্যাণজনক হ'বনে নহয় ? (যদি হয়) তেন্তে তুমি এইটো মোৰ বাবে নিৰ্ধাৰিত কৰা আৰু মোৰ বাবে সহজ কৰি দিয়া আৰু মোৰ বাবে ইয়াৰ মাজত কল্যাণ নিহিত কৰা। আৰু যদি তুমি জানিছা যে এই কাম মোৰ দ্বীন আৰু পাৰ্থিৱ ক্ষেত্ৰত আৰু মোৰ শেষ পৰিণতিৰ বাবে অমঙ্গল জনক তেন্তে মোৰ পৰা এইটো আঁতৰত ৰাখা আৰু মোক এইটো কামৰ পৰা দূৰত ৰাখা আৰু য'ত মোৰ বাবে মঙ্গল নিহিত হৈ আছে নিৰ্ধাৰিত কৰা মোৰ বাবে। আকৌ ইয়াতেই মোক সন্তুষ্টি কৰি দিয়া (বুখাৰী কিতাবুত দাউৰাত বাব ইস্তেখাৰা)

**ছালাতুল হাজত অৰ্থাৎ বিশেষ সমস্যা সমাধানৰ নমাজ ঃ-**

কোনো ব্যক্তিৰ সহায়ৰ প্ৰয়োজন হলে বা কোনো সংকট দেখা দিলে এই নমাজ পঢ়িব লাগে। হজৰত নবী কৰিম (ছাঃ)য়ে কৈছে, যেতিয়া কোনো এজনৰ কিবা প্ৰয়োজন হয় তেতিয়া তাৰ অজু কৰি দুই ৰাকাত নমাজ পঢ়া উচিত। নমাজ পঢ়াৰ পিছত তাৰ প্ৰশংসা বা সৰ্বশক্তিমান আল্লাহৰ গৌৰৱ আৰু কীৰ্ত্তন কৰা উচিত লগতে দৰুদ পাঠ কৰা অতি প্ৰয়োজন। তাৰ পিছত তলত দিয়া দোৱা পাঠ কৰিলে আশা কৰিব পাৰে যে ইয়াৰ দ্বাৰা বিশেষ প্ৰয়োজন নিশ্চয় পূৰ্ণ হ'ব আৰু খোদা তায়লা তাক উদ্দেশ্য সাধনৰ পথ-প্ৰদৰ্শন কৰিব।

لَآ اِلٰهَ اِلَّا اللّٰهُ الْحَلِيْمُ الْكَرِيْمُ سُبْحَانَ اللّٰهِ رَبِّ الْعَرْشِ الْعَظِيْمِ
وَالْحَمْدُ لِلّٰهِ رَبِّ الْعَالَمِيْنَ اَسْأَلُكَ مُوْجِبَاتِ رَحْمَتِكَ وَعَزَائِمَ مَغْفِرَتِكَ
وَالْغَنِيْمَةَ مِنْ كُلِّ بِرٍّ وَالسَّلَامَةَ مِنْ كُلِّ اِثْمٍ لَا تَدَعْ لِيْ ذَنْبًا اِلَّا
غَفَرْتَهٗ وَلَا هَمًّا اِلَّا فَرَّجْتَهٗ وَلَا حَاجَةً هِيَ لَكَ رِضًا اِلَّا قَضَيْتَهَا
يَا اَرْحَمَ الرَّاحِمِيْنَ

**উচ্চাৰণ ঃ**-লা ইলাহা ইল্লাল্লাহুল হালিমুল কাৰিমু,ছুবহানাল্লাহি ৰাববিল আৰশ্বিল আজিম- ওৰালহামদু লিল্লাহি ৰাববিল আলামিন,আছআলুকা মুজিবাতি ৰাহমাতিকা ওৰা আজায়িমা মাগফিৰাতিকা ওৰালগানিমাতা মিন কুল্লি বিৰৰিণ ওৰাছ্ছালামাতা মিন কুল্লি ইছমিন-লা তাদা লি জামবান ইল্লা গাফাৰতাহু ওৰা লা হাম্মান ইল্লা ফাৰৰাজতাহু ওৰা লা হাজাতান হিয়া লাকা ৰিজান ইল্লা কাজায়তাহা ইয়া আৰহামাৰ ৰাহিমিন।

**অৰ্থ ঃ**-আল্লাহৰ বাহিৰে কোনো উপাস্য নাই। তেওঁ পৰম সহিষ্ণু আৰু পৰম দয়ালু। আল্লাহ পৰিত্ৰ মহান সিংহাসনৰ প্ৰভু। সকলো প্ৰশংসা আল্লাহৰ বাবে যিজনা সমগ্ৰ বিশ্বৰ প্ৰতিপালক। (এই সকলো গুণাৱলীৰ অধিকাৰী আল্লাহ) মই তোমাৰ ওচৰত সেইবিলাক কামৰ বাবে সামৰ্থ বিচাৰো যি বিলাক তোমাৰ কৰুণাৰ উপকৰণ আৰু তোমাৰ ক্ষমাক নিশ্চিত কৰে আৰু তোমাৰ ওচৰৰ পৰা পুণ্যৰ এখনি ভাণ্ডাৰ কৰুণাকাৰী। তুমি মোৰ কোনো পাপ ক্ষমা নকৰি এৰি নিদিবা, মোৰ সংকট আঁতৰ কৰিবা,মোৰ তোমাৰ সন্তুষ্টি অৰ্জনৰ সক্ষম হোৱাৰ কোনো উপকৰণ বাকী নাৰাখিবা।

**ইছৰাকৰ নমাজ ঃ-**

এই নফল নমাজ দুটা পৰ্যায়ত পঢ়া হয়।সূৰ্য্য উদয় হৈছে কিন্তু ৰদ প্ৰখৰ হৈ উত্তাপ অনুভৱ হোৱা নাই তেতিয়া দুই ৰাকাত নমাজ পঢ়া। ছালাতুল ইছৰাক আৰু দ্বিতীয় পৰ্যায় হ'ল ছালাতুল যোহা নামেৰে পৰিচিত। ইয়াক ছালাতুল আওওৱাবীন বুলিও কোৱা হয়। কিছুমান হাদীছত মগৰিব আৰু ইশ্বাৰ মধ্যৱৰ্তী সময়ত আদায় কৰা ২ ৰাকাত নফল নমাজক ছালাতুল আও-ওয়াবীন বুলি কোৱা হয়।

**(জ) ছালাতুত তছবিহ ঃ-**

নবী কৰিম (ছাঃ)য়ে কোৱা মতে যদি কোনো ব্যক্তিয়ে ছালাতুত তছবিহৰ নমাজ পঢ়িলে তেওঁ আল্লাহ তায়লাৰ পৰা মহা পুৰস্কাৰ আৰু দয়া লাভ কৰিব পাৰে। এই নমাজ চাৰি ৰাকাত পঢ়িব লাগে। কোনো ব্যক্তি অৱস্থানুযায়ী প্ৰত্যেক দিন এবাৰ নাইবা প্ৰত্যেক সপ্তাহত এবাৰ বা প্ৰত্যেক মাহত এবাৰ

বা প্ৰত্যেক বছৰত এবাৰ বা গোটেই জীৱনত এবাৰ পঢ়িব পাৰে। নমাজৰ নিষিদ্ধ সময়ৰ যিকোনো সময়ত এই নমাজ আদায় কৰিব পাৰে।প্ৰত্যেক ৰাকাতত চুৰা ফাতিহা পাঠ কৰাৰ পিছত কোৰাণ কৰিমৰ আৰু কিছুমান আয়াত পাঠ কৰি তলত উল্লেখ কৰা বাক্যটো ১৫ বাৰ পাঠ কৰিব লাগে।

سُبْحَانَ اللهِ وَالْحَمْدُ لِلّٰهِ وَلَا اِلٰهَ اِلَّا اللهُ وَاللهُ اَكْبَرُ

**উচ্চাৰণ ঃ-** ছুবাহানাল্লাহি ওৱালহামদুলিল্লাহি ওৱা লা ইলাহা ইল্লাল্লাহু ওৱাল্লাহু আকবাৰ।

**অৰ্থ ঃ-** আল্লাহ তায়লা পৱিত্ৰ ক্ৰুটিমুক্ত আৰু সকলো প্ৰশংসা তেওঁৰেই আৰু আল্লাহৰ বাহিৰে কোনো উপাস্য নাই আৰু আল্লাহ সৰ্বশ্ৰেষ্ঠ।

এই বাক্যখিনি তলত উল্লেখিত অৱস্থাত ১০ বাৰকৈ পাঠ কৰিব লাগে।

(ক) ৰুকুত ছুবহানা ৰাববিয়াল আজিম পাঠ কৰাৰ পিছত ১০ বাৰ।

(খ) কাউমা বা থিয় দিয়া অৱস্থাত ছামিআল্লাহু লিমান হামিদাহ আৰু ৰাববানা ওৱা লাকাল হামদ পাঠ কৰাৰ পিছত ১০ বাৰ।

(গ) ছিজদালৈ গৈ ছুবহানা ৰাববিয়াল আলা পাঠ কৰাৰ পিছত ১০ বাৰ।

(ঘ) জিলছা বা সংক্ষিপ্ত বৈঠকত নিৰ্ধাৰিত দোৱা সমূহ পাঠ কৰাৰ পিছত ১০ বাৰ।

(ঙ) কাদাহ বা শেষ বৈঠকত নিৰ্ধাৰিত দোৱা পাঠ কৰাৰ শেষত ১০ বাৰ।

এনেকৈ এজন নমাজীয়ে এক ৰাকাত নমাজত ৫০ বাৰ আৰু চাৰি ৰাকাত নমাজত ২০০ বাৰ উপযুক্ত বাক্যখিনি পাঠ কৰিব।

## জানাজাৰ নমাজ

পানী অলপ উতলাই সৰ্বপ্ৰথম যি সকল অঙ্গ স্বাভাৱিক অজু কৰাৰ সময়ত ধুই ল'ব লাগে সেই অঙ্গ সমূহ ধুব লাগে কিন্তু মুখৰ ভিতৰত আৰু নাকৰ ছিদ্ৰ আদিত পানী সুমুৱাই পৰিষ্কাৰ বা চাফ কৰাৰ আৱশ্যক নহয়। ইয়াৰ পিছত গোটেই শৰীৰ ধুব লাগে। প্ৰথমে সোঁফালে পিছত বাওঁফালে ধুই

দিব লাগে। মৃতকৰ গুপ্ত অঙ্গ কাপোৰেৰে ঢাকি ৰাখিব লাগে। পুৰুষ মানুহে পুৰুষ সকলৰ মৃতদেহ আৰু তিৰোতা সকলে তিৰোতাক গা ধুৱাব। নিয়মানুসৰি কাপোৰটো মেৰিয়াই দিব লাগে। কাপোৰটো সাধাৰণতে কম দামৰ বগা কাপোৰ হোৱাটো পছন্দনীয়।

পুৰুষৰ কফনৰ কাপোৰ তিনি টুকুৰা হয়। ওপৰৰ অংশ ঢাকি দিবলৈ ব্যৱহাৰ কৰা টুকুৰা খিনিক **ইজাৰ** আৰু গোটেই শৰীৰ ঢাকিবলৈ ব্যৱহাৰ কৰা কাপোৰ খণ্ডক **লিফাফা** বুলি কয়। মহিলা সকলৰ ক্ষেত্ৰত আৰু অতিৰিক্ত দুটা (কাপোৰ) খণ্ড ব্যৱহাৰ কৰা হয়। এটা হ'ল বক্ষস্থলৰ বাবে (ছিনাবান্দ) আৰু মূৰৰ বাবে (দামনী) ইছলামত অতি সাধাৰণ ভাৱে মৃত ব্যক্তিক দফন কৰিবলৈ নিৰ্দেশ দিছে।

এজন শ্বহীদ ব্যক্তিক গোচল বা কাফনৰ প্ৰয়োজন নহয়। মৃত্যুৰ সময়ত তাৰ পিন্ধনত যি কাপোৰ থাকে সেই কাপোৰৰ দ্বাৰাই সমাধিস্থ হয়।গোচল আৰু কাফন পৰিধান কৰোৱাৰ পিছত মৃত ব্যক্তিক চাঙত উঠাই চাৰিজনে কান্ধত লৈ যোৱা হয় তাৰ পিছত জানাজাৰ নমাজ মুকলি পথাৰত পঢ়া হয়, নাইবা কোনো নিৰ্ধাৰিত স্থান যাক জানাজা গাহ বুলি কয়। জানাজাৰ নমাজ যিসকলে পঢ়িব সেই সকলে ইমামৰ পিছত শাৰী পাতি থিয় হ'ব লাগে। বেযোৰ সংখ্যাত শাৰী পাতিব লাগে। ইমাম চাহাব প্ৰথম শাৰীৰ সন্মুখত আৰু মৃতকৰ দেহ ইমাম চাহাবৰ সন্মুখত ৰাখি থিয় দিব। মৃত ব্যক্তিক এনেকুৱা অৱস্থানত ৰাখিব লাগে যেন তাৰ সোঁফালে কাবা অৱস্থান থাকে। ইমাম চাহাব উচ্চস্বৰে আল্লাহু আকবৰ (আল্লাহ সৰ্বশ্ৰেষ্ঠ) পাঠ কৰি নমাজ আৰম্ভ কৰিব। মুক্তাদি সকলে মনে মনে আল্লাহু আকবৰ ক'ব। ইমাম চাহাবে নিঃশব্দে ছানা ও চুৰা ফাতিহা পাঠ কৰিব। চুৰা ফাতিহা পাঠৰ পিছত উচ্চস্বৰে আল্লাহু আকবৰ পাঠ কৰিব। মুক্তাদি সকলে মনে মনে আল্লাহু আকবৰ পাঠ কৰিব। তাৰ পিছত সকলো নমাজীয়ে মনে মনে দৰূদ শ্বৰিফ পাঠ কৰিব। তাৰ পিছত আকৌ ইমাম চাহাব উচ্চস্বৰে আল্লাহু আকবৰ পাঠ কৰিব। মুক্তাদি সকলে মনে মনে এয়া পাঠ কৰিব। ইয়াৰ পিছত মৃত ব্যক্তিৰ উদ্দেশ্যে নিম্নোক্ত দোৱা পাঠ কৰি ইমাম চাহাবে উচ্চস্বৰে আল্লাহু আকবৰ

পাঠ কৰি সোঁফালে আৰু বাওঁফালে নিয়মানুসৰি আচ্ছালামু আলাইকুম ওৱা ৰাহমাতুল্লাহ পাঠৰ সৈতে ছালাম ফিৰাই নমাজ শেষ কৰিব লাগে।
জানাজাৰ নমাজত ৰুকু আৰু ছিজদা নাই। মৃত ব্যক্তিৰ উদ্দেশ্যে গায়বি (মৃতকৰ দেহ সন্মুখত নাথাকিলে) জানাজাৰ নমাজ পঢ়িব পৰা যায়।

اَللّٰهُمَّ اغْفِرْ لِحَيِّنَا وَمَيِّتِنَا وَشَاهِدِنَا
وَغَائِبِنَا وَصَغِيْرِنَا وَكَبِيْرِنَا وَذَكَرِنَا وَأُنْثَانَا-
اَللّٰهُمَّ مَنْ اَحْيَيْتَهٗ مِنَّا فَاَحْيِهٖ عَلَى الْاِسْلَامِ-
وَمَنْ تَوَفَّيْتَهٗ مِنَّا فَتَوَفَّهٗ عَلَى الْاِيْمَانِ-
اَللّٰهُمَّ لَا تَحْرِمْنَا اَجْرَهٗ وَلَا تَفْتِنَّا بَعْدَهٗ-

**উচ্চাৰণ ঃ-** আল্লাহুম্মাগ ফিৰলি হায়য়িনা ওৱা মায়য়িতিনা ওৱা শ্বাহিদিনা ওৱা গায়িবিনা ওৱা ছাগিৰিনা ওৱা কাবিৰিনা ওৱা জাকাৰিনা ওৱা উনছানা। আল্লাহুম্মা মান আহইয়ায়তাহু মিন্না ফাআহইহি আলাল ইছলাম। ওৱা মান তাওৱাফায়তাহু মিন্না ফাতাওৱাফফাহু আলাল ঈমান।আল্লাহুম্মা লা তাহৰিমনা আজৰাহু ওৱা লা তাফতিন্না বাদাহু।

**অৰ্থ ঃ-**হে আল্লাহ আমাৰ জীৱিত সকলক আৰু যিসকলে মৃত্যুবৰণ কৰিছে আৰু যিসকল উপস্থিত নাই আৰু আমাৰ সৰু ডাঙৰ সকলোকে ক্ষমা কৰা, আৰু আমাৰ পুৰুষ সকল আৰু মহিলাসকলকো। হে আল্লাহ ! তুমি আমাৰ মাজৰ পৰা যাক জীৱিত ৰখা তাক শান্তিৰ সৈতে জীৱিত ৰাখা,আৰু যাক তুমি মৃত্যু দান কৰা তাক ঈমানৰ সৈতে মৃত্যু দিয়া। হে আল্লাহ ! তাৰ প্ৰতিদান আৰু ছোৱাবৰ পৰা আমাক বঞ্চিত নাৰাখিবা,তাৰ পিছত আমাক কোনো ধৰণৰ পৰীক্ষাত নেপালাবা।

জানাজাৰ নমাজ পঢ়া হৈ গলে পলম নকৰি মৃতদেহক সোনকালে কবৰত সমাধিস্থ কৰি দিয়া উচিত। মৃতদেহ কঢ়িয়াই লৈ যোৱা চাং বা কাফন কান্ধত বহন কৰি লৈ যোৱা উচিত আৰু কাফন লৈ যোৱা সময়ত গমনকাৰী সকলে সাল-সলনি কৰি কেইবাজনে বহন কৰা নিয়ম আছে। যদি সমাধিস্থ কৰিব লগা কাফন বহু দূৰলৈ লৈ যাব লাগে তেন্তে যানবাহন আদিৰে লৈ যাব

পাৰে। জানাজাৰ দলত অংশগ্ৰহণকাৰী সকলে আল্লাহৰ জিকৰ কৰা উচিত আৰু মৃতকৰ বাবে নিম্নস্বৰে দোৱা কৰিব লাগে।

بسم الله و بالله على ملة رسول الله صلى الله عليه و سلم

**উচ্চাৰণ** ঃ-বিছমিল্লাহি ওৱা বিল্লাহি আলা মিল্লাতি ৰাছুলিল্লাহি ছাল্লাল্লাহু আলাইহি ওৱা ছাল্লাম।

**অৰ্থ** ঃ- আৰম্ভ কৰিছোঁ আল্লাহৰ নামত আৰু তাৰ দয়াৰ সৈতে আৰু ৰছুলে কৰিম ছাল্লাল্লাহু আলাইহি ওৱা ছাল্লামৰ নিৰ্ধাৰিত আদৰ্শ আৰু পদ্ধতি অনুযায়ী।

মাটি খান্দি এনেকুৱা কবৰ প্ৰস্তুত কৰিব পৰা যায় যেনিবা ভিতৰৰ ফালে হেলনীয়া কৈ গাতৰ দৰে থাকে যিখিনিত মৃতদেহ সুন্দৰকৈ ৰাখিব পৰা যায় নাইবা পোনকৈ তলপিনে মাটি খান্দি কবৰ তৈয়াৰ কৰিব পাৰি। মুঠতে কবৰ মৃতদেহ ৰখাৰ বাবে পৰিণাম অনুযায়ী বিস্তৃত হোৱা প্ৰয়োজন। বিশেষ প্ৰয়োজন সাপেক্ষে এটা কবৰত একাধিক মৃতদেহ সমাধিস্থ কৰিব পৰা যায়। যদি কোনো ঠাইত অস্থায়ী হিচাপে মৃতদেহ কবৰস্থ কৰা হয় বা যদি কবৰস্থান প্লাৱনৰ পানীত ক্ষতিগ্ৰস্ত হৈ যোৱাৰ সম্ভাৱনা থাকে, সেই ক্ষেত্ৰত লো বা কাঠেৰে নিৰ্মিত বাকচ ব্যৱহাৰ কৰা বৈধ।

মৃতকৰ দেহ কবৰত নমাই মুখমণ্ডলৰ কাফন (কাপোৰ) ঢিলা কৰি দিয়া উচিত। মৃতকৰ মুখমণ্ডলৰ সামান্য পৰিমাণে কাবাৰ ফালে হেলনীয়া কৰি দিয়া উচিত। কিছুমান ইট নাইবা টুকুৰাৰে কবৰৰ মুখ বন্ধ কৰিবলৈ ব্যৱহাৰ কৰা উচিত। (অসমত সাধাৰণতে বাঁহৰ ধাৰা,টুকুৰা আদি ব্যৱহাৰ কৰা হয়)(অনুবাদক)। তাৰ পিছত মাটিৰ সহায়েৰে ঢাকিব লাগে। এই সময়ত নিম্ন লিখিত কোৰাণৰ আয়াত পাঠ কৰা উচিত।

منها خلقنكم و فيها نعيدكم و منها نخرجكم تارة اخرى

**উচ্চাৰণ** ঃ- মিনহা খালাকনাকুম ওৱা ফিহা নুয়িদুকুম ওৱা মিনহা নুখৰিজিকুম তাৰাতান উখৰা।

**অৰ্থ** ঃ-আমি তোমালোকক ইয়াৰ পৰা(পৃথিৱীৰ পৰা) সৃষ্টি কৰিছোঁ আৰু আমি তোমালোকক ইয়াৰ মাজতেই ঘূৰাই লৈ আনিম আৰু অৱশেষত ইয়াৰ

পৰাই তোমালোকক পুনৰুত্থান কৰিম।

নবী কৰিম (ছাঃ)ৰ ছুন্নত অনুযায়ী কবৰক সমতল মাটিতকৈ অলপ ওখ টিপৰ দৰে তৈয়াৰী কৰা হয়। যেতিয়া দফন কাফনৰ কাম সম্পূৰ্ণ হয় তেতিয়া মৃত ব্যক্তিৰ সদগতি কামনাৰ্থে হাত উঠাই নিঃশব্দেৰে সংক্ষিপ্ত দোৱা কৰিব লাগে। ইয়াৰ পিছত নিম্নোক্ত বাক্য উচ্চাৰণ কৰি শোক সন্তপ্ত লোকসকলে সমাধিস্থল এৰি আহিব লাগে।

اَلسَلاَمُ عَلَيْكُمْ وَاِنَّا اِنْ شَاءَ اللهُ بِكُمْ لَلاَحِقُوْنَ.

**উচ্চাৰণ** ঃ-আচ্ছালামু আলাইকুম ওৱা ইন্না ইন শ্বাআল্লাহু বিকুম লালআহিকুন।
**অৰ্থ** ঃ- তোমালোকৰ ওপৰত শান্তি বৰ্ষিত হওক আৰু আল্লাহৰ ইচ্ছাত নিশ্চয় আমিও তোমালোকৰ লগত যোগদান কৰিম।

## বিবাহৰ খোতবা

**বিবাহৰ খোতবা** ঃ- বিবাহ মজলিছত উপস্থিত থকা সকলোৰে সন্মুখত থিয় দি নিম্ন লিখিত খোতবা পাঠ কৰা হয়।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ
وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ
اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ
وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ ط اَشْهَدُ اَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَاَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ ط
اَمَّا بَعْدُ فَاَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ط
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ط

١-يَاَيُّهَا النَّاسُ اتَّقُوا رَبَّكُمُ الَّذِىْ خَلَقَكُمْ مِّنْ نَّفْسٍ وَاحِدَةٍ
وَّخَلَقَ مِنْهَا زَوْجَهَا وَبَثَّ مِنْهُمَا رِجَالًا كَثِيْرًا وَّنِسَآءً
وَاتَّقُوا اللّٰهَ الَّذِىْ تَسَآءَلُوْنَ بِهٖ وَالْاَرْحَامَ ط
اِنَّ اللّٰهَ كَانَ عَلَيْكُمْ رَقِيْبًا ○ (4:2)

٢-يَاَيُّهَا الَّذِيْنَ اٰمَنُوا اتَّقُوا اللّٰهَ وَقُوْلُوْا قَوْلًا سَدِيْدًا ○
يُّصْلِحْ لَكُمْ اَعْمَالَكُمْ وَيَغْفِرْ لَكُمْ ذُنُوْبَكُمْ ط
وَمَنْ يُّطِعِ اللّٰهَ وَرَسُوْلَهٗ فَقَدْ فَازَ فَوْزًا عَظِيْمًا ○
(33:71,72)

٣-يَاَيُّهَا الَّذِيْنَ آمَنُوا اتَّقُوا اللّٰهَ وَلْتَنْظُرْ نَفْسٌ
مَّا قَدَّمَتْ لِغَدٍ ج وَاتَّقُوا اللّٰهَ
اِنَّ اللّٰهَ خَبِيْرٌ بِمَا تَعْمَلُوْنَ ○ (59:19)

**উচ্চাৰণ ঃ-** আলহামদু লিল্লাহি নাহমাদুহু ওৱা নাছতায়িনুহু ওৱা নাছতাগফিৰুহু ওৱা নুমিনুবিহি ওৱা নাতাওৱাক্কালু আলাইহি ওৱা নাউজুবিল্লাহি মিন শুৰুৰি আনফুছিনা ওৱা মিন ছায়য়িআতি আমালিনা মায়য়াহদিহিল্লাহু ফালা মুজিল্লা লাহু ওৱা মায়ইয়ুজলিলহু ফালা হাদিয়ালাহ।আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওৱা আশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওৱা ৰাছুলুহু। আম্মাবাদু ফাউজুবিল্লাহিমিনাশ্ব শ্বায়তানিৰ ৰাজিম বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম।

১)ইয়া আয়য়ুহান্নাছু ইত্তাকু ৰাববাকুমুল্লাজি খালাকাকুম মিন নাফছিন ওৱাহিদাতিন ওৱা খালাকা মিনহা জাউজাহা ওৱা বাচ্ছা মিনহুমা ৰিজালান কাছিৰাও ওৱা নিছাআ- ওৱাত্তাকুল্লাহাল্লাজি তাছাআলুনা বিহি ওৱাল আৰহাম। ইন্নাল্লাহা কানা আলাইকুম ৰাকিবা।

২) ইয়া আয়য়ুহাল্লাজিনা আমানুততাকুল্লাহা ওৱা কুলু কাউলান ছাদিদা, ইউচলিহ লাকুম আমালাকুম ওৱা ইয়াগফিৰ লাকুম জুনুবাকুম,ওৱা মায়ইউতিয়াল্লাহা ওৱা ৰাছুলাহু ফাকাদ ফাজা ফাউজান আজিমা।

৩) ইয়া আয়য়ুহাল্লাজিনা আমানু ইত্তাকুল্লাহা,ওৱালতানজুৰ নাফছুম মা কাদ্দামাত লিগাদিন,ওৱাত্তাকুল্লাহা ইন্নাল্লাহা খাবিৰুম বিমা তা'মালুন।

**অৰ্থ ঃ-** সকলো প্ৰশংসা আল্লাহ তায়লাৰ। আমি তাৰেই প্ৰশংসা কৰোঁ,তাৰ ওচৰতেই সহায় প্ৰাৰ্থনা কৰোঁ আমি তেওঁৰেই ওচৰতে ক্ষমা ভিক্ষা কৰোঁ, তাৰ ওচৰত পূৰ্ণ ঈমান ৰাখো তাৰ ওপৰতেই আমাৰ সকলো ভৰসা। আমি আমাৰ প্ৰবৃত্তিৰ কুপ্ৰৰোচনাৰ পৰা আঁতৰত থাকিবলৈ আৰু আমাৰ দ্বাৰা হোৱা বেয়া কামৰ পৰা আঁতৰত থকাৰ বাবে আল্লাহৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ। আল্লাহ তায়লা যিজনক সৎপথ দেখুৱায় তেওঁক কোনেও পথভ্ৰষ্ট কৰিব নোৱাৰে আৰু আল্লাহ তায়লা যিজনক পথভ্ৰষ্ট হিচাপে ধৰি লয় তাক কোনেও হিদায়ত (সুপথ) দান কৰিব নোৱাৰে। ইয়াৰ পিছত মই আশ্ৰয় প্ৰাৰ্থনা কৰো আল্লাহ তায়লাৰ ওচৰত ভ্ৰষ্টাচাৰ চয়তানৰ পৰা। পৰম কৰুণাময়,পৰম দানশীল আল্লাহৰ নামত।

১)হে মানৱমণ্ডলী ! তোমালোকে নিজ প্ৰভু প্ৰতিপালকৰ ভীতি অৱলম্বন কৰা, যিজনাই তোমালোকক একেই আত্মাৰ সৈতে সৃষ্টি কৰিছে আৰু তাৰ পৰাই ইয়াৰ যোৰা সৃষ্টি কৰিছে আৰু উভয়ৰ পৰা নৰ-নাৰী বিস্তাৰ কৰিছে আৰু তোমালোকে আল্লাহ তায়লাৰ তাকৱা অৱলম্বন কৰা, যিজনাৰ নামত তোমালোকে এজনে আনজনৰ ওচৰত আবেদন কৰিব পাৰা। এনেকুৱা আত্মীয়তাৰ বন্ধনৰ ক্ষেত্ৰত সততা ৰাখিবা। বাস্তৱতে আল্লাহ তোমালোকৰ ৰখীয়া। (চুৰা নিছা আয়াত ২)

২) হে বিশ্বাসী সকল আল্লাহলৈ ভয় ৰাখি চলিবা আৰু সৰল সঠিক কথা ব্যক্ত কৰিবা। (তাৰ ফলত) আল্লাহ তোমালোকৰ কাৰ্য্যসমূহ তোমালোকৰ কাৰণে শুধৰাই দিব,আৰু তোমালোকৰ অপৰাধসমূহ তোমালোকৰ নিমিত্তে মাৰ্জনা কৰিব। আৰু যিজনে আল্লাহ আৰু ৰছুলৰ আজ্ঞা পালন কৰে নিশ্চয় সেইজনাই সাফল্য অৰ্জন কৰিব। (চুৰা আহজাব আয়াত ৭১,৭২)

৩) হে বিশ্বাসী সকল ! তোমালোক আল্লাহৰ প্ৰতি কৰ্ত্তব্যৰ বিষয়ে সজাগ থাকিবা আৰু প্ৰত্যেক আত্মাৰ ভৱিষ্যতৰ বাবে কি পঠিয়াইছে লক্ষ্য ৰাখিবলৈ দিয়া আৰু আল্লাহ তায়লাৰ ভয় কৰা বাস্তৱতে তোমালোকে কি কৰা আল্লাহ তায়লা ভালদৰে অৱগত। (চুৰা হাশ্বৰ আয়াত ১৯)

**বিবাহ সম্পৰ্কীয় কাৰ্য্যত ততাতৈয়া কৰা ঠিক নহয় ঃ-**

কোৰাণ কৰিমৰ উল্লেখিত আয়াতসমূহ কেইবাবাৰ তাকৰা বা খোদা তায়লাৰ ভীতি সম্পৰ্কে উল্লেখ কৰিছে। গতিকে খোদা তায়লাৰ ভীতিৰ ওপৰত সৰ্বপেক্ষা গুৰুত্ব প্ৰদান কৰি বিয়াৰ সম্বন্ধ স্থিৰ আৰু বিবাহ কাৰ্য্য সমাধা কৰা বাঞ্ছনীয়।সম্বন্ধ স্থিৰ কৰাৰ আগত ইস্তিখাৰা কৰি লোৱা আৱশ্যক। বিবাহ কাৰ্য্যৰ লগত নিম্নলিখিত বিষয়সমূহ বাদে অন্যান্য প্ৰচলিত পৰম্পৰা বা আচাৰ ব্যৱহাৰ আদিৰ লগত ইছলামৰ কোনো সম্পৰ্ক নাই। এই বিলাক হ'ল বিদআত (অগ্ৰহনীয় নিয়ম-নীতিৰ) অন্তৰ্ভুক্ত। আহমদী সকলে এইবিলাকৰ পৰা আঁতৰত থকা উচিত। মছজিদ নাইবা কোনো সুবিধাজনক স্থানত জমাতৰ আমিৰ,সদৰ অথবা অন্য কোনো মুৰববী (স্থানীয় নিকা-বিবাহৰ ঘোষণা কৰিব। নিয়ম অনুসৰি জমাতৰ দ্বাৰা নিৰ্ধাৰিত ৰেজিষ্ট্ৰেচন কৰা প্ৰয়োজন। দৰা পক্ষই সমান্য মিঠাই বিতৰণ কৰি শুভ কামনাৰে দোৱা কৰিব লাগে।নবৌ পতিগৃহলৈ নিলে দাওৱাতে অলিমা কৰা ছুন্নত। এই সম্পৰ্কে সম্পূৰ্ণ খৰচ দৰা পক্ষই কৰিব।

**মোহৰাণা**

মোহৰাণা এক প্ৰকাৰৰ ঋণ। এই ঋণ অৱশ্যই পৰিশোধ কৰিব লাগিব। (চুৰা নিছা ) যদি সম্ভৱ হয় তেন্তে বিয়াৰ সময়তেই স্বামীয়ে তাৰ স্ত্ৰীক দিব লাগে। সন্মতি ক্ৰমে পিছত অতি সোনাকালে আদায় দিয়া উচিত। মোহৰাণা আদায় দিয়াৰ আগতেই স্ত্ৰীৰ মৃত্যু হলে মৃতকৰ এৰি যোৱা সম্পত্তি হিচাপ গন্য হয় আৰু এয়া উত্তৰাধিকাৰী সকলৰ মাজত চৰিয়তৰ বিধান অনুযায়ী বণ্টন কৰিব লাগিব। মহিলাজনীৰ স্বামীয়ে উত্তৰাধিকাৰী হিচাপে তাৰ নিৰ্ধাৰিত অংশ লাভ কৰিব। অৱশ্যে স্ত্ৰীয়ে তাইৰ গিৰীয়েকক ইচ্ছাকৃত ভাৱে এই মোহৰাণাৰ

সম্পদ এৰি দিলে পৰিশোধৰ প্ৰশ্ন নুঠে। (চুৰা নিছা আয়াত ৫) কিন্তু কোনো ধৰণৰ ঠগবাজি বা জোৰ কৰি নাইবা ভয় দেখুৱাই ৰেহাই লৈ লোৱা চৰিয়ত বিৰোধী হ'ব। মোহৰাণাৰ পৰিমাণ নিৰ্ধাৰণ সম্পৰ্কে চৰিয়তত কোনো ধৰা বন্ধা নিয়ম নাই। কিন্তু আহমদীয়া মুছলিম জমাতৰ নিয়মানুযায়ী মোহৰাণাৰ সৰ্বোচ্চ পৰিমাণ পাত্ৰৰ দুই বছৰত কৰা হয়। যিহেতু ইছলাম ধৰ্মত এজন পুৰুষক চাৰি জনী স্ত্ৰী গ্ৰহণ কৰিবলৈ অধিকাৰ দিছে,সেই বাবে আহমদীয়া মুছলিম জমাতত সাধাৰণতে বিবাহ কালীন প্ৰত্যেক জনী স্ত্ৰীৰ বাবে স্বামীৰ ৬ মাহৰ (ইনকামৰ) আয়ৰ পৰিমাণৰ টকা মোহৰাণা হিচাপে নিৰ্ধাৰণ কৰি ৰাখিছে অৰ্থাৎ এজনী স্ত্ৰীৰ বাবে ৬ মাহৰ আয়ৰ যি পৰিমাণ সেই খিনি মোহৰাণা হিচাপে ধৰিব পাৰে। যি ক্ষেত্ৰত দৰাজনৰ কোনো সম্পত্তি বা আয় নাই সেই ক্ষেত্ৰত মোহৰাণাৰ পৰিমাণ নিৰ্ধাৰণ কৰিব নোৱাৰি কিন্তু সেই ক্ষেত্ৰত স্বামীয়ে পৰৱৰ্তী সময়ত উপাৰ্জনশীল হলে তাৰ স্ত্ৰী জনীক জমাতৰ প্ৰচলিত নিয়ম অনুযায়ী মোহৰাণা আদায় দিবলৈ বাধ্য থাকিব লাগিব।

## আপদ-বিপদ দূৰ হোৱাৰ দোৱা

اَللّٰهُمَّ اِنِّيْ اَعُوْذُبِكَ مِنْ جَهْدِ الْبَلَاءِ وَدَرَكِ الشَّقَاءِ
وَسُوْءِ الْقَضَاءِ وَشَمَاتَةِ الْاَعْدَاءِ۔

**উচ্চাৰণ** ঃ-আল্লাহুম্মা ইন্নি আউজুবিকা মিন জাহদিল বালায়ি ওৱাদাৰকিশ্ব শ্বাকায়ি ওৱা ছুইল কাজায়ি ওৱা শ্বামাতাতিল আ'দায়ি।

**অৰ্থ** ঃ- হে আল্লাহ মই তোমাৰ আশ্ৰয় বিচাৰোঁ বিপদমূলক কষ্টৰ পৰা ভ্ৰষ্টাচাৰৰ পৰা আৰু বেয়া সিদ্ধান্তৰ পৰা আৰু শত্ৰুসকলৰ আনন্দৰ পৰা।

## ছাদকা গ্ৰহণ হোৱাৰ বাবে দোৱা

رَبَّنَا تَقَبَّلْ مِنَّا اِنَّكَ اَنْتَ السَّمِيْعُ الْعَلِيْمُ

**উচ্চাৰণ** ঃ-ৰাববানা তাকাববাল মিন্না ইন্নাকা আনতাছ্ ছামিউল আলিম।
**অৰ্থ** ঃ-হে আমাৰ প্ৰভু প্ৰতিপালক ! গ্ৰহণ কৰা আমাক, নিশ্চয় তুমি শ্ৰৱণ কৰোঁতা,সৰ্বজ্ঞানী।

## জ্ঞান বৃদ্ধিৰ বাবে দোৱা

رَبِّ زِدْنِي عِلْمًا

**উচ্চাৰণ** ঃ- ৰাববি জিদনি ইলমা।
**অৰ্থ** ঃ- হে মোৰ প্ৰভু প্ৰতিপালক ! মোৰ জ্ঞান বৃদ্ধি কৰা।

## খোদাৰ পৱিত্ৰতা আৰু নিজৰ ওপৰত হোৱা বিপদৰ পৰা ৰক্ষা পোৱাৰ দোৱা

لَآ إِلٰهَ إِلَّآ أَنتَ سُبْحٰنَكَ إِنِّي كُنتُ مِنَ الظّٰلِمِينَ

**উচ্চাৰণ** ঃ- লা ইলাহা ইল্লা আনতা ছুবহানাকা ইন্নি কুনতু মিনাজ জালিমিন।
**অৰ্থ** ঃ-তোমাৰ বাহিৰে কোনো উপাস্য নাই। তুমি পৱিত্ৰ, নিশ্চয় মই জালিম সকলৰ অন্তৰ্ভুক্ত।

## সাফল্যমণ্ডিত হোৱাৰ বাবে দোৱা

رَبَّنَا آتِنَا مِن لَّدُنكَ رَحْمَةً وَهَيِّئْ لَنَا مِنْ أَمْرِنَا رَشَدًا

**উচ্চাৰণ** ঃ- ৰাববানা আতিনা মিল্লাদুনকা ৰাহমাতাও ওৱা হায়য়িলানা মিন আমৰিণা ৰাশ্বাদা।
**অৰ্থ** ঃ- হে মোৰ প্ৰভু প্ৰতিপালক ! আমাক তোমাৰ ফালৰ পৰা কৃপা বৰ্ষিত কৰা আৰু আমাৰ বাবে আমাৰ কাম সাফল্যমণ্ডিত কৰা।

## পিতৃ-মাতৃৰ বাবে দোৱা

رَبِّ ارْحَمْهُمَا كَمَا رَبَّيٰنِىْ صَغِيْرًا۔

**উচ্চাৰণ ঃ-** ৰাববিৰ হামহুমা কামা ৰাববাইয়ানি ছাগিৰা।
**অৰ্থ ঃ-** হে মোৰ প্ৰভু প্ৰতিপালক ! সিহঁত (পিতৃ-মাতৃ)দুয়োৰে ওপৰত কৃপা বৰ্ষিত কৰা যেনেকৈ সিহঁতে আমাক বাল্য কালত লালন পালন কৰিছে।

## কৃপা বৰ্ষিত হোবাৰ দোৱা

رَبَّنَا ظَلَمْنَا اَنْفُسَنَا ۔ وَاِنْ لَّمْ تَغْفِرْلَنَا وَتَرْحَمْنَا
لَنَكُوْنَنَّ مِنَ الْخٰسِرِيْنَ۔

**উচ্চাৰণ ঃ -** ৰাববানা জালামনা আনফুছানা ওৱা ইল্লাম তাগফিৰলানা ওৱা তাৰহামনা লানাকুনান্না মিনাল খাছিৰিণ।
**অৰ্থ ঃ-** হে মোৰ প্ৰভু প্ৰতিপালক ! আমি আমাৰ হৃদয়ৰ ওপৰত জুলুম কৰিছোঁ। যদি তুমি আমাক ক্ষমা নকৰা আৰু দয়া নকৰা,তেন্তে আমি ক্ষতিকাৰকৰ অন্তৰ্ভুক্ত হৈ যাম।

## ছাদকা গ্ৰহণীয় হোৱাৰ আৰু ভাল পৰিণামৰ বাবে দোৱা

رَبَّنَا اِنَّنَا سَمِعْنَا مُنَادِيًا يُّنَادِىْ لِلْاِيْمَانِ اَنْ اٰمِنُوْا بِرَبِّكُمْ۔
فَاٰمَنَّا رَبَّنَا فَاغْفِرْلَنَا ذُنُوْبَنَا وَ كَفِّرْعَنَّا سَيِّاٰتِنَا
وَتَوَفَّنَا مَعَ الْاَبْرَارِ ۝ رَبَّنَا وَاٰتِنَا مَا وَعَدْتَّنَا عَلٰى رُسُلِكَ
وَلَا تُخْزِنَا يَوْمَ الْقِيٰمَةِ اِنَّكَ لَا تُخْلِفُ الْمِيْعَادَ۔

**উচ্চাৰণ ঃ-**ৰাববানা ইন্নানা ছামিনা মুনাদিইয়ায় ইউনাদি লিলঈমানি আন আমিনু বিৰাববিকুম ফাআমান্না, ৰাববানা ফাগফিৰলানা জুনুবানা ওৱা কাফফিৰ আন্না

ছায়য়িআতিনা ওৱা তাওওৱাফফানা মাআল আবৰাৰ, ৰাববানা ওৱা আতিনা মা ওৱা আততানা আলা ৰুছুলিকা ওৱা লা তুখজিনা ইয়াওমাল কিয়ামাতি ইন্নাকা লা তুখলিফুল মিআদ।

**অৰ্থ** ঃ- হে আমাৰ প্ৰভু প্ৰতিপালক ! আমি এজন আহ্বান কৰাজনৰ শব্দ শ্ৰৱণ কৰিছোঁ যে তেওঁ ঈমানৰ ফালে আহ্বান কৰে যে তুমি নিজৰ প্ৰভুৰ ওপৰত ঈমান আনা। অৰ্থাৎ আমি ঈমান আনিলো,হে মোৰ প্ৰভু প্ৰতিপালক! আমাৰ পাপ ক্ষমা কৰা আৰু আমাৰ পৰা বেয়া আঁতৰ কৰা,আৰু আমাক পুণ্যবান সকলৰ সৈতে মৃত্যু দি পুণ্যবানৰ সৈতে অন্তৰ্ভুক্ত কৰা। হে আমাৰ প্ৰভু প্ৰতিপালক! সেয়া দান কৰা যাৰ প্ৰতিশ্ৰুতি তুমি আমাৰ সৈতে ৰছুলক চিনিবৰ বাবে কৰিছা, আৰু আমাক পুনৰুত্থানৰ দিনা লাঞ্ছিত নকৰিবা,নিশ্চয় তুমি প্ৰতিশ্ৰুতি ভঙ্গ নকৰা।

## আল্লাহৰ শাস্তিৰ পৰা ৰক্ষা পোৱা আৰু কৰুণা অৰ্জনৰ বাবে দোৱা

رَبَّنَا لَا تُؤَاخِذْنَا إِن نَّسِينَا أَوْ أَخْطَأْنَا

رَبَّنَا وَلَا تَحْمِلْ عَلَيْنَا إِصْرًا كَمَا حَمَلْتَهُ عَلَى الَّذِينَ مِن قَبْلِنَا

رَبَّنَا وَلَا تُحَمِّلْنَا مَا لَا طَاقَةَ لَنَا بِهِ

وَاعْفُ عَنَّا وَاغْفِرْ لَنَا وَارْحَمْنَا أَنتَ مَوْلَانَا

فَانصُرْنَا عَلَى الْقَوْمِ الْكَافِرِينَ۔

**উচ্চাৰণ** ঃ-ৰাববানা লা তুৱাখিজনা ইন নাছিনা আউ আখতানা, ৰাববানা ওৱা লা তাহমিল আলাইনা ইছৰান কামা হামালতাহু আলাল্লাজিনা মিন কাবলিনা, ৰাববানা ওৱা লা তুহাম্মিলনা মা লা তাকাতা লানা বিহি, ওৱাফু আন্না ওৱাগফিৰলানা ওৱাৰহামনা আনতা মাউলানা ফানছুৰনা আলাল কাউমিল কাফিৰিন।

**অৰ্থ** ঃ-হে আমাৰ প্ৰভু প্ৰতিপালক! যদি আমি কিবা পাহৰি যাওঁ বা কিবা ভুল

কৰো তেতিয়া আমাক গ্রেপ্তাৰ নকৰিবা। হে আমাৰ প্রভু প্রতিপালক! আমাৰ ওপৰত বোজা নাৰাখিবা যেনেকুৱা বোজা সেইসকলৰ ওপৰত ৰাখিছিলা যিসকল আমাৰ পূৰ্বত আছিল। হে আমাৰ প্রভু প্রতিপালক! যি উঠোৱাৰ আমাৰ শক্তি নাই সেয়া আমাৰ ওপৰত অৰ্পন নকৰিবা,আৰু আমাৰ পাপ ক্ষমা কৰা আৰু কৰুণা বৰ্ষিত কৰা,আৰু আমাক সহায় কৰা কাফিৰসকলৰ মোকাবিলাত।

## হিদায়তৰ পিছত পথভ্রষ্টৰ পৰা ৰক্ষা পোৱাৰ বাবে দোৱা

رَبَّنَا لَا تُزِغْ قُلُوبَنَا بَعْدَ إِذْ هَدَيْتَنَا
وَهَبْ لَنَا مِن لَّدُنكَ رَحْمَةً إِنَّكَ أَنتَ الْوَهَّابُ

**উচ্চাৰণ** ঃ-ৰাববানা লা তুজিগ কুলুবানা বাদা ইজ হাদায়তানা ওৱা হাবলানা মিল্লা দুনকা ৰাহমাতান ইন্নাকা আনতাল ওৱাহহাব।

**অৰ্থ** ঃ-হে আমাৰ প্রভু প্রতিপালক ! আমাৰ হৃদয় হিদায়তৰ পিছত বেকা নকৰিবা,আৰু তোমাৰ ফালৰ পৰা আমাক কৃপা দান কৰা,তুমি নিশ্চয় কৃপালু।

## দৃঢ়তা আৰু কাফিৰসকলৰ পৰা ৰক্ষা পোৱাৰ বাবে দোৱা

رَبَّنَا أَفْرِغْ عَلَيْنَا صَبْرًا وَثَبِّتْ أَقْدَامَنَا
وَانصُرْنَا عَلَى الْقَوْمِ الْكَافِرِينَ

**উচ্চাৰণ** ঃ- ৰাববানা আফৰিগ আলাইনা ছাবৰাও ওৱা ছাববিত আকদামানা ওৱানছুৰণা আলাল কাউমিল কাফিৰিণ।

**অৰ্থ** ঃ- হে আমাৰ প্রভু প্রতিপালক! আমাক ধৈৰ্য্যশীল বনোৱা আৰু আমাক দৃঢ়তা প্রদান কৰা আৰু কাফিৰ সকলৰ মোকাবিলাত আমাক সহায় কৰা।

## দোৱা গ্রহণযোগ্য আৰু ইবাদত কৰাৰ পদ্ধতিৰ দোৱা

رَبَّنَا تَقَبَّلْ مِنَّا اِنَّكَ اَنْتَ السَّمِيْعُ الْعَلِيْمُ ۔
رَبَّنَا وَاجْعَلْنَا مُسْلِمَيْنِ لَكَ وَمِنْ ذُرِّيَّتِنَا اُمَّةً
مُّسْلِمَةً لَّكَ وَاَرِنَا مَنَا سِكَنَا وَتُبْ عَلَيْنَا
اِنَّكَ اَنْتَ التَّوَّابُ الرَّحِيْمُ ۔

**উচ্চাৰণ** ঃ-ৰাববানা তাকাববাল মিন্না ইন্নাকা আনতাছ ছামিউল আলিম, ৰাববানা ওৰাজআলনা মুছলিমাইনি লাকা ওৰা মিন জুৰৰিয়াতিনা উম্মাতান মুছলিমাতাল লাকা ওৰা আৰিনা মানাছিকানা ওৰা তুব আলাইনা ইন্নাকা আনতাত তাওৰাবুৰ ৰাহিম।

**অৰ্থ** ঃ-হে আমাৰ প্ৰভু প্ৰতিপালক ! আমাৰ পৰা (এই খিদমত) গ্ৰহণ কৰা নিশ্চয় তুমি বহুত শ্ৰৱণ কৰোঁতা আৰু সৰ্বজ্ঞানী। হে আমাৰ প্ৰভু প্ৰতিপালক! আমাক আত্মসমৰ্পনকাৰী বনোৱা আৰু আমাৰ সন্তানসকলৰ মাজৰ পৰা এটা আত্মসমৰ্পনকাৰী দল বনোৱা নিজৰ বাবে আৰু আমাক এবাদতৰ পদ্ধতি দেখোৱা আৰু আমাৰ তৌবা গ্ৰহণ কৰা নিশ্চয় তুমি তৌবা গ্ৰহণ কৰোঁতা, পৰম দানশীল।

## আল্লাহৰ ফালে আহ্বান কৰাত সাফল্যমণ্ডিত হোৱাৰ বাবে দোৱা

رَبِّ اشْرَحْ لِيْ صَدْرِيْ وَيَسِّرْ لِيْٓ اَمْرِيْ ۝
وَاحْلُلْ عُقْدَةً مِّنْ لِّسَانِيْ ۝ يَفْقَهُوْا قَوْلِيْ وَاجْعَلْ لِّيْ
وَزِيْرًا مِّنْ اَهْلِيْ ۝ هٰرُوْنَ اَخِيْ ۝ اشْدُدْ بِهٖٓ اَزْرِيْ ۝
وَاَشْرِكْهُ فِيْٓ اَمْرِيْ ۝ كَيْ نُسَبِّحَكَ كَثِيْرًا ۝
وَّنَذْكُرَكَ كَثِيْرًا ۝ اِنَّكَ كُنْتَ بِنَا بَصِيْرًا ۝

**উচ্চাৰণ** ঃ-ৰাববিশ্বৰাহ লি চাদৰি ওৰা ইয়াছছিৰলি আমৰি,ওৰাহলুল ওকদাতামমিল লিছানি,ইয়াফকাহু কাউলি ওৰাজআল লি ওজিৰামমিন আহলি

হাৰুণা আখিশ্বদুদ বিহি আজৰি,ওৱা আশ্বৰিকহু ফি আমৰি কায় নুছাববিহাকা কাছিৰা ওৱা নাজকুৰাকা কাছিৰা, ইন্নাকা কুনতা বিনা বাছিৰা।

**অৰ্থ ঃ-** হে মোৰ প্ৰভু প্ৰতিপালক ! মোৰ হৃদয় মুকলি কৰি দিয়া,আৰু মোৰ কাম মোৰ ওপৰত সহজ কৰি দিয়া আৰু মোৰ কথাবোৰ স্পষ্ট কৰি দিয়া,যাতে সিহঁতে মোৰ কথা বুজিব পাৰে। আৰু মোৰ বংশধৰৰ পৰা কোনো এজনক মোৰ বোজা বহনকাৰী বনোৱা অৰ্থাৎ মোৰ ভাই হাৰুণক। তাৰ জৰিয়তে মোৰ শক্তি বৃদ্ধি কৰা। আৰু তেওঁক মোৰ কামত সংযোগ কৰা, যাতে তোমাৰ প্ৰশংসা বেছিকৈ কৰিব পাৰে,আৰু তোমাক বৈছিকৈ স্মৰণ কৰে,নিশ্চয় তুমি বহুত দৃষ্টি ৰাখোঁতা।

## আৰোগ্যৰ বাবে দোৱা

بِسْمِ اللهِ الْكَافِيْ ـ بِسْمِ اللهِ الشَّافِيْ ـ
بِسْمِ اللهِ الْغَفُوْرِ الرَّحِيْمِ ـ بِسْمِ اللهِ الْبَرِّ الْكَرِيْمِ ـ
يَا حَفِيْظُ يَا عَزِيْزُ يَا رَفِيْقُ يَا وَلِيُّ اِشْفِنِيْ ـ

**উচ্চাৰণ ঃ-** বিছমিল্লাহিল কাফি,বিছমিল্লাহিশ্বশ্বাফি,বিছমিল্লাহিল গাফুৰিৰ ৰাহিম,বিছমিল্লাহিলবাৰৰিল কাৰিম, ইয়া হাফিজু ইয়া আজিজু ইয়া ৰাফিকু ইয়া ওৱালিয়ু ইশ্বফিনি।

**অৰ্থ ঃ-**আল্লাহৰ নামৰ সৈতে সহায় বিচাৰোঁ যিজনা যথেষ্ট। মই আল্লাহৰ নাম লৈ সহায় বিচাৰোঁ যিজনা আৰোগ্য প্ৰদানকাৰী। মই আল্লাহৰ নামলৈ সহায় বিচাৰোঁ যিজনা ক্ষমাকাৰী,পৰম দানশীল। হে সুৰক্ষা প্ৰদানকাৰী,বিজয় দান কৰোঁতা,ৰফিক, হে অলী মোক আৰোগ্য প্ৰদান কৰা।

## আত্মীয়-স্বজন আৰু ওচৰ-চুবুৰীয়া সকলৰ বাবে দোৱা

رَبَّنَا هَبْ لَنَا مِنْ اَزْوَاجِنَا وَذُرِّيّٰتِنَا قُرَّةَ اَعْيُنٍ وَّاجْعَلْنَا لِلْمُتَّقِيْنَ اِمَامًا ـ

**উচ্চাৰণ ঃ-** ৰাববানা হাবলানা মিন আজওৱাজিনা ওৱা জুৰৰিয়াতিনা কুৰৰাতা আইউনিও ওৱাজআলনা লিলমুত্তাকিনা ইমামা।

**অৰ্থ ঃ-** হে আমাৰ প্ৰভু প্ৰতিপালক! আমাৰ স্ত্ৰীসকলক আৰু আমাৰ সন্তানসকলক আমাৰ নয়নৰ বাবে প্ৰিয় বনাই দিয়া,আৰু আমাক মুত্তাকী সকলৰ বাবে পথপ্ৰদৰ্শক বনাই দিয়া।

## খাদ্য খোৱাৰ সময়ত দোৱা

بِسْمِ اللّٰهِ وَعَلٰى بَرَكَةِ اللّٰهِ۔

**উচ্চাৰণ ঃ-**বিছমিল্লাহি ওৱা আলা বাৰাকাতিল্লাহি ।

**অৰ্থ ঃ-** আল্লাহৰ নামৰ সৈতে আৰু আল্লাহৰ কল্যাণৰ সৈতে।

## খাদ্য খোৱাৰ পিছৰ দোৱা

اَلْحَمْدُ لِلّٰهِ الَّذِىْٓ اَطْعَمَنَا وَسَقَانَا وَجَعَلَنَا مِنَ الْمُسْلِمِيْنَ۔

**উচ্চাৰণ ঃ-** আলহামদুলিল্লাহি ল্লাজি আতআমানা ওৱা ছাকানা ওৱা জাআলানা মিনাল মুছলিমিন।

**অৰ্থ ঃ-** সকলো প্ৰশংসা আল্লাহৰ বাবে যিজনা আমাক খাদ্য খোৱাইছে আৰু পান কৰাইছে আৰু আমাক আত্মসমৰ্পনকাৰী বানইছে।

## নিমন্ত্ৰণ খোৱাৰ পিছত দোৱা

اَللّٰهُمَّ بَارِكْ لَهُمْ فِيْمَا رَزَقْتَهُمْ

**উচ্চাৰণ ঃ-** আল্লাহুম্মা বাৰিক লাহুম ফিমা ৰাজাকতাহুম।

**অৰ্থ ঃ-** হে আল্লাহ সিহঁতক যি তুমি ৰিজক (খাদ্য)দান কৰিছা তাত বৰকত প্ৰদান কৰা।

## ঘৰত প্ৰৱেশ হোৱাৰ দোৱা

اَللّٰهُمَّ اِنِّيْٓ اَسْئَلُكَ خَيْرَ الْمَوْلِجِ وَخَيْرَ الْمَخْرَجِ

بِسْمِ اللّٰهِ وَلَجْنَا وَعَلَى اللّٰهِ رَبِّنَا تَوَكَّلْنَا ـ

**উচ্চাৰণ** ঃ-আল্লাহুম্মা ইন্নি আছআলুকা খায়ৰাল মাউলিজি ওৰা খায়ৰাল মাখৰাজি বিছমিল্লাহি ওৰালাজনা ওৰা আলাল্লাহি ৰাববানা তাওক্কালনা।

**অৰ্থ** ঃ- হে আল্লাহ মই তোমাৰ পৰা উপকাৰ বিচাৰোঁ ঘৰত প্ৰৱেশ হোৱাৰ সময়ত আৰু ঘৰৰ পৰা ওলোৱাৰ সময়ত। আমি আল্লাহৰ নামলৈ প্ৰৱেশ কৰো আৰু নিজৰ প্ৰভুৰ ওপৰত ভৰসা কৰো।

## ঘৰৰ পৰা ওলোৱাৰ সময়ত দোৱা

بِسْمِ اللّٰهِ تَوَكَّلْتُ عَلَى اللّٰهِ لَا حَوْلَ وَلَا قُوَّةَ اِلَّا بِاللّٰهِ ـ

اَللّٰهُمَّ اِنِّيْٓ اَعُوْذُبِكَ اَنْ اَضِلَّ اَوْ اُضَلَّ اَوْ اَظْلِمَ اَوْ اُظْلَمَ

اَوْ اَجْهَلَ اَوْ يُجْهَلَ عَلَيَّ ـ

**উচ্চাৰণ** ঃ-বিছমিল্লাহি তাওওৱাক্কালতু আলাল্লাহি লা হাওলা ওৰা লা কুৰৱাতা ইল্লা বিল্লাহি, আল্লাহুম্মা ইন্নি আউজুবিকা আন আজিল্লা আও উজাল্লা আও আজলিমা আও উজলামা আও আজহালা আও ইউজহালা আলায়য়িয়া।

**অৰ্থ** ঃ-আল্লাহৰ নামলৈ বাহিৰলৈ যাও,আল্লাহৰ ওপৰত ভৰসা কৰো।আল্লাহ তায়লাৰ তৌফিকৰ বাহিৰে কোনেও নাই যি পাপৰ পৰা মুক্তি দান কৰিব আৰু পুণ্য কৰ্মৰ শক্তি প্ৰদান কৰিব।

হে আল্লাহ! মই পথভ্ৰষ্ট হৈ যাও বা কোনোবা পথভ্ৰষ্ট কৰি দিয়ে বা অত্যাচাৰ কৰো বা অত্যাচাৰিত হৈ যাওঁ বা অজ্ঞতা হৈ যাওঁ বা কোনোবা মোক অজ্ঞতা বনাই দিয়ে তাৰ পৰা আশ্ৰয় বিচাৰোঁ।

## চন্দ্ৰ দেখাৰ দোৱা

اَللّٰهُمَّ اَهِلَّهُ عَلَيْنَا بِالْاَمْنِ وَالْاِيْمَانِ وَالسَّلَامَةِ

**উচ্চাৰণ** ঃ- আল্লহুম্মা আহিল্লাহু আলাইনা বিল আমনি ওৱাল ঈমানি ওৱাছালামাতি।

**অৰ্থ** ঃ- হে আল্লাহ! আমি এই চন্দ্ৰ শান্তি, ঈমান আৰু ছালামতৰ সৈতে দেখিছোঁ।

## কলিমা তৈয়ব

لَآ اِلٰهَ اِلَّا اللّٰهُ مُحَمَّدٌ رَّسُوْلُ اللّٰهِ

**উচ্চাৰণ** ঃ- লা ইলাহা ইল্লাল্লাহু মুহাম্মাদুৰ ৰাছুলুল্লাহ।

**অৰ্থ** ঃ- আল্লাহৰ বাহিৰে কোনো উপাস্য নাই মহম্মদ (ছাঃ) আল্লাহৰ ৰছুল

## কলিমা শ্বাহাদত

اَشْهَدُ اَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ
وَاَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ

**উচ্চাৰণ** ঃ- আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওৱাহদাহু লা শ্বাৰিকালাহু ওৱা আশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওৱা ৰাছুলুহু।

**অৰ্থ** ঃ-মই সাক্ষী প্ৰদান কৰো যে আল্লাহৰ বাহিৰে কোনো উপাস্য নাই,সেইজনা এক,সেইজনাৰ কোনো অংশী নাই আৰু মই সাক্ষী দিওঁ যে মহম্মদ (ছাঃ) আল্লাহৰ ভৃত্য আৰু ৰছুল।

## কলিমা তামজিদ

سُبْحَانَ اللهِ وَالْحَمْدُ لِلّٰهِ وَلَآ اِلٰهَ اِلَّا اللهُ وَاللهُ اَكْبَرُ وَلَا حَوْلَ وَلَا قُوَّةَ اِلَّا
بِاللهِ الْعَلِيِّ الْعَظِيْمِ ۔

**উচ্চাৰণ ঃ**-ছুবাহানাল্লাহি ওৱালহামদু লিল্লাহি ওৱা লা ইলাহা ইল্লাল্লাহু ওৱাল্লাহু আকবাৰু ওৱা লা হাউলা ওৱা লা কুৱৱাতা ইল্লা বিল্লাহিল আলিয়িল আজিম।

**অৰ্থ ঃ**- আল্লাহ পৱিত্ৰ আৰু সকলো প্ৰশংসা আল্লাহৰ বাবে হয় আৰু আল্লাহৰ বাহিৰে কোনো উপাস্য নাই আৰু আল্লাহ তায়লা সকলোতকৈ ডাঙৰ, পাপৰ পৰা ৰক্ষা পোৱা আৰু পুণ্য কাম কৰাৰ শক্তি আল্লাহৰ বাহিৰে কোনেও প্ৰদান কৰিব নোৱাৰে যিজনাই সৰ্বশক্তিমান।

## কলিমা তৌহিদ

لَآ اِلٰهَ اِلَّا اللهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ لَهُ الْمُلْكُ وَلَهُ الْحَمْدُ يُحْيِ وَيُمِيْتُ
وَهُوَ حَيٌّ لَّا يَمُوْتُ اَبَدًا ۔ ذُو الْجَلَالِ وَالْاِكْرَامِ ۔ بِيَدِهِ الْخَيْرُ ۔ وَهُوَ عَلٰى
كُلِّ شَيْءٍ قَدِيْرٌ ۔

**উচ্চাৰণ ঃ**-লা ইলাহা ইল্লাল্লাহু ওৱাহদাহু লা শ্বাৰিকালাহু লাহুল মুলকু ওৱা লাহুল হামদু ইউহি ওৱা ইউমিতু ওৱা হুৱা হায়যুল্লা ইয়ামুতু আবাদা জুলজালালি ওৱাল ইকৰামি বিইয়াদিহিল খায়ৰু, ওৱা হুৱা আলা কুল্লি শ্বায়য়িন কাদিৰ।

**অৰ্থ ঃ**-আল্লাহৰ বাহিৰে কোনো উপাস্য নাই, সেইজনাৰ কোনো অংশী নাই ,সেইজনাৰ বাদশ্বাহত আৰু সেইজনাৰ সকলো প্ৰশংসা, সেইজনাই জীৱিত কৰে,আৰু সেইজনাই মৃত্যু দান কৰে,আৰু সেইজনাই চিৰস্থায়ী জীৱিত,আৰু সেইজনাৰ কেতিয়াও মৃত্যু নহয়,সেইজনা বৰ সন্মানীত আৰু বুজৰগী, সকলো ধৰণৰ কল্যাণ সেইজনাৰ হাততেই আছে আৰু সেইজনা সৰ্বশক্তিমান।

## কলিমা ইছতিগফাৰ

أَسْتَغْفِرُ اللهَ رَبِّيْ مِنْ كُلِّ ذَنْبٍ أَذْنَبْتُهُ عَمَدًا أَوْ خَطَأً سِرًّا أَوْ عَلَانِيَةً
وَّأَتُوْبُ إِلَيْهِ مِنَ الذَّنْبِ الَّذِيْ أَعْلَمُ وَمِنَ الذَّنْبِ الَّذِيْ لَا أَعْلَمُ
إِنَّكَ أَنْتَ عَلَّامُ الْغُيُوْبِ وَسَتَّارُ الْعُيُوْبِ وَغَفَّارُ الذُّنُوْبِ
وَلَا حَوْلَ وَلَا قُوَّةَ إِلَّا بِاللهِ الْعَلِيِّ الْعَظِيْمِ -

**উচ্চাৰণ** ঃ-আছতাগফিৰুল্লাহা ৰাববি মিন কুল্লি জামবিন আজনাবতুহু আমাদান আও খাতাআন ছিৰৰান আও আলানিয়াতাও ওৱা আতুবু ইলাইহি মিনাজ জামবিল্লাজি আ'লামু ওৱা মিনাজ জামবিল্লাজি লা আ'লামু ইন্নাকা আনতা আল্লামুল গুইউবি, ওৱা ছাত্তাৰুল উইউবি ওৱা গাফফাৰুজ জুনুবি। ওৱা লা হাওলা ওৱা লা কুৱৱাতা ইল্লা বিল্লাহিল আলিইল আজিম।

**অৰ্থ** ঃ- মই আল্লাহৰ পৰা ক্ষমা বিচাৰোঁ যিজনা মোৰ প্ৰভু প্ৰতিপালক, সকলো ধৰণৰ পাপৰ পৰা যি মোৰ দ্বাৰা জানি বুজি বা গোপন অৱস্থাত বা প্ৰকাশ্য ভাৱে হৈছে তাৰ পৰা মই তৌবা কৰো সেইজনাৰ চৰণত সেই পাপৰ পৰা যি মই নিজে জানো আৰু সেই পাপ যি মই নাজানো,বাস্তৱিকতে অদৃশ্যৰ জ্ঞান তোমাৰেই ওচৰত। আৰু পাপসমূহ গোপন কৰোঁতাৰ কৰ্তৃত্ব তোমাৰেই আৰু পাপসমূহৰ ক্ষমাকাৰী তুমিয়েই। পাপৰ পৰা ৰক্ষা পোৱাৰ আৰু পুণ্য কৰ্ম কৰাৰ শক্তি আল্লাহৰ বাহিৰে কাৰো ওচৰত নাই যি সৰ্বশক্তিমান।